● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আপুনি নিজেই আপোনাৰ শ্ৰেষ্ঠ বন্ধু। গতিকে আনতকৈ নিজৰ মনৰ কথাই বেছিকৈ শুনক।

ষ্টিভেন কুক
*আমেৰিকাৰ লেখক*



www.dainikagradoot.in

৭ তেলেংগানাৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ প্ৰশান্ত কিশোৰৰ
১৫ কাটাৰ বিশ্বকাপৰ পৰা ৰাছিয়াক নিলম্বন ফিফাৰ
৪ ইউক্ৰেইন সংকটৰ শিক্ষা ঃ আত্মনিৰ্ভৰশীল ভাৰত বহু দূৰত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৪৩তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৭ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২ মাৰ্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 2 March 2022 মূল্য ঃ ৯.০০ টকা

■ চৰকাৰৰ শান্তিৰ দাবী বিপৰীতে আইন-শৃংখলা পৰিস্থিতি উদ্বেগজনক ■ সমগ্ৰ ৰাজ্যক পুনৰ অশান্ত অঞ্চল ঘোষণা ■ ৰাজহুৱা প্ৰতিবাদৰ কোনো প্ৰভাৱ নপৰিল সিদ্ধান্ত গ্ৰহণত


## অসমত ছমাহলৈ বৃদ্ধি আফস্পাৰ ম্যাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ মাৰ্চ ঃ** অসমৰ আইন-শৃংখলা পৰিস্থিতি উদ্বেগজনক হৈ থকাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বলবৎ হৈ থকা সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন (আফস্পা)ৰ ম্যাদ যোৱা নিশাৰ পৰা কাৰ্যকৰী হোৱাকৈ পুনৰ ছমাহৰ বাবে বৃদ্ধি কৰা হৈছে। ৰাজ্যখনত উগ্ৰপন্থী সংগঠনৰ তৎপৰতা উদ্বেগজনক হৈ থকা বাবেই কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰে। আজি ৰাজ্য চৰকাৰৰ পৰাও এই বিষয়ে এক বিবৃতিত এইদৰে কোৱা হয়, 'অসমৰ যোৱা ছমাহৰ আইন-শৃংখলা পৰিস্থিতি পুনৰীক্ষণৰ পাছত সমগ্ৰ ৰাজ্যখনক পুনৰ ছমাহৰ বাবে অশান্ত অঞ্চল ঘোষণা কৰা হৈছে। ২৮ ফেব্ৰুৱাৰীৰ মাজনিশাৰ পৰা আগন্তুক ছমাহলৈ এই ঘোষণা বাহাল থাকিব। সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন, ১৯৫৮ৰ তিনি নম্বৰ ধাৰা মতে ক্ষমতাৰ ভিত্তিত এই ঘোষণা কৰা হয়।'

অসম চৰকাৰৰ পৰা উগ্ৰপন্থী সমস্যাতকৈও বাংলাদেশৰ লগত থকা আন্তৰ্জাতিক সীমাৰ *১০ পৃষ্ঠাত চাওক*

টংলাত পুৱতি নিশা লোমহৰ্ষক কাণ্ড ■ এৰি গ'ল দুই নাবালক পুত্ৰক


## পত্নীক চোকা অস্ত্ৰৰে ঘপিয়াই হত্যা কৰি চিকিৎসকৰ আত্মহত্যা



**অগ্ৰদূত বাৰ্তা**
**টংলা, ১ মাৰ্চ ঃ** আজি পুৱতি নিশা ওদালগুৰি জিলাৰ টংলা বৰজলাহত সংঘটিত হ'ল লোমহৰ্ষক ঘটনা। এজন চিকিৎসকে পত্নীক চোকা অস্ত্ৰৰে আঘাত কৰি আত্মহত্যা কৰে। পাছত তেওঁৰ গুৰুতৰভাৱে আহত পত্নীৰো মৃত্যু হয়। এই ঘটনাই আজি ওদালগুৰিৰ লগতে দৰং জিলাতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। টংলা বৰজলাহ নিবাসী তথা হোমিঅ' চিকিৎসক জয়ন্ত কুমাৰ শৰ্মা (৪৭)ই আজি পুৱতি নিশা নিজৰ শোৱনি কোঠাত তেওঁৰ *১০ পৃষ্ঠাত চাওক*

এপ্ৰিলত বিবাহৰ দিন ধাৰ্য কৰা হৈছিল

## পথ দুৰ্ঘটনাত থিতাতে মৃত্যু যুৱক-যুৱতীৰ



**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ১ মাৰ্চ ঃ** আজি মহা শিৱৰাত্ৰিৰ দিনাই যোৰহাট জিলাৰ পশ্চিম অঞ্চলৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ *১০ পৃষ্ঠাত চাওক*

মটৰ চাইকেলত আনিছিল চাৰি কোটিৰ ড্ৰাগছ

## আৰক্ষীৰ নিৰ্দেশ অমান্য কৰি গুলিবিদ্ধ সৰবৰাহকাৰী

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ১ মাৰ্চ ঃ** আৰক্ষীৰ গুলিত পুনৰ আহত হ'ল এজন ড্ৰাগছ সৰবৰাহকাৰী। যোৱা নিশা জাগীৰোডত এই ঘটনা সংঘটিত হয়। আৰক্ষীয়ে *১০ পৃষ্ঠাত চাওক*


চাৰিদুৱাৰত হত্যা কৰিছিল এগৰাকী মহিলাক

## ডাইনী কাণ্ডত জড়িত পাঁচ অপৰাধীক কাৰাদণ্ড


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১ মাৰ্চ ঃ** সুদীৰ্ঘ ১৪ বছৰ পূৰ্বৰ এক হত্যাকাণ্ডৰ গোচৰত পাঁচজন অভিযুক্তক দোষী সাব্যস্ত কৰিলে তেজপুৰৰ আদালতে। ইয়াৰ লগতে আদালতে পাঁচোজন অপৰাধীক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিছে। *১০ পৃষ্ঠাত চাওক*

নলবাৰীত নিৰুদ্দিষ্ট যুৱকৰ মৃতদেহ উদ্ধাৰ

## দুই বন্ধুৱে হত্যা কৰি পুতি থৈছিল মৃতদেহ



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১ মাৰ্চ ঃ** প্ৰায় দুসপ্তাহ ধৰি নিৰুদ্দেশ হৈ থকা নলবাৰীৰ এজন যুৱকৰ মৃতদেহ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ১৬° |
| ডিব্ৰুগড় | ২৬° | ১৩° |
| দিল্লী | ২৬° | ১৩° |
| কলকাতা | ৩১° | ২০° |
| মুম্বাই | ৩১° | ২৪° |
| চেন্নাই | ৩২° | ২৩° |
| বাংগালুৰু | ৩২° | ১৭° |
| শ্বিলং | ২১° | ০৯° |

*১ মাৰ্চ, ২০২২*

**চেঙা তেল**



*বতাহ-ধুমুহা আহিয়েই থাকে, শিপা মজবুত হ'লে উৰি যোৱাৰ আশংকা নাথাকে!*

■ খাৰকীভত খাদ্য সংগ্ৰহৰ বাবে গৈ ৰুছ বাহিনীৰ আক্ৰমণৰ বলি ■ ক্ষুব্ধ ভাৰতে তলব কৰিলে দুই দেশৰ দিল্লীস্থ ৰাষ্ট্ৰদূতক ■ আবদ্ধসকলক আনিবলৈ বায়ুসেনাৰ বিমান প্ৰেৰণৰ নিৰ্দেশ মোদীৰ

# বোমা আক্ৰমণত মৃত্যু ভাৰতীয় ছাত্ৰৰ



■ এই ফোনৰ গৰাকীজনক মৰ্গলৈ নিয়া হৈছে ■ ত্ৰিৰংগা পতাকা আঁৰিবলৈ কৈছিল পিতৃয়ে


■ নিউজ ব্যুৰ'
**নতুন দিল্লী/কিয়েভ, ১ মাৰ্চ ঃ** ইউক্ৰেইনত ৰাছিয়াৰ প্ৰবল আক্ৰমণত ভাৰতলৈ আহিল দুঃখবৰ। এই আক্ৰমণত প্ৰাণ হেৰুৱালে এজন ভাৰতীয় ছাত্ৰই। আজি ৰুছ ক্ষেপণাস্ত্ৰৰ আক্ৰমণত কঁপি উঠে ইউক্ৰেইনৰ দ্বিতীয় বৃহত্তম চহৰ খাৰকীভ। চহৰখনৰ প্ৰশাসনিক ভৱনৰ সন্মুখত এই বিস্ফোৰণত কে'বাজনো লোকে প্ৰাণ হেৰুৱায়। ইয়াৰ মাজতে নিথৰ হৈ পৰিল উত্তৰ কৰ্ণাটকৰ ছাত্ৰ নবীন শেখাৰাপ্পা। প্ৰকাশিত ভিডিঅ'ত দেখা গৈছে যে বিস্ফোৰণৰ ধোঁৱাত চৌপাশ ঢাক খাইছে।



ইয়াৰ অলপ পাছতে একাধিক লোকৰ মৃত্যু হোৱা বুলি ইউক্ৰেইন প্ৰশাসনে তথ্য সদৰী কৰে। তেওঁলোকৰ দাবী মতে, চৌদিশৰ পৰা ইউক্ৰেইনক আক্ৰমণ কৰা ৰুছ সেনাৰ লক্ষ্য এতিয়া দেশৰ প্ৰশাসনিক ভৱনসমূহ। এটাৰ পাছত আনটো চৰকাৰী ভৱনত আক্ৰমণ কৰি গৈছে ৰুছ বাহিনীয়ে। এই আক্ৰমণত নিহত ভাৰতীয় ছাত্ৰজনৰ এজন বন্ধুৱে সদৰী কৰা মতে, খাদ্য সংগ্ৰহ কৰিবলৈ বাহিৰলৈ গৈছিল শেখাৰাপ্পা। বাকী বন্ধুসকল ছাত্ৰাৱাসত থাকে যদিও শেখাৰাপ্পাই ফ্লেট ভাড়া কৰি আছিল। *১০ পৃষ্ঠাত চাওক*

■ বিধ্বংসী আক্ৰমণ হ'ব ঃ কিয়েভ ত্যাগ কৰিবলৈ নিৰ্দেশ ৰাছিয়াৰ
■ অপাৰেছন 'জেদ'ৰ পাছত এইবাৰ 'ভি'ক লৈ বৃদ্ধি পাইছে ৰহস্য

## চৰম বিপৰ্যয়! ২৪ ঘণ্টাত শেষ হ'ব ইউক্ৰেইনৰ হাস্পতালত অক্সিজেন



■ নিউজ ব্যুৰ'
**কিয়েভ, ১ মাৰ্চ ঃ** ৰাছিয়াৰ কামান, বৃহৎ যুদ্ধাস্ত্ৰৰে সুসজ্জিত বাহনবোৰ এখনৰ পাছত আনখন যেতিয়া ইউক্ৰেইনত প্ৰৱেশ কৰিবলৈ আৰম্ভ কৰিছিল তেতিয়া এইবোৰৰ প্ৰতিখনতে বগা ৰঙেৰে ইংৰাজী বৰ্ণ 'জেদ' আঁকা আছিল। ইয়াকে লৈ ৰহস্যৰ সৃষ্টি হৈছিল। সেই ৰহস্যৰ ভেদ নৌহওঁতেই আন এখন ছবি পোহৰলৈ আহিছে। এইবাৰ দেখা গৈছে যে ইউক্ৰেইনত *১০ পৃষ্ঠাত চাওক*

পাঁচদিনত কমেও চাৰে তিনিশ সাধাৰণ লোক নিহত হোৱাৰ দাবী ইউক্ৰেইনৰ ■ ৰুছ কামানৰ গোলাবৰ্ষণত মৃত্যু ৭০ সেনা জোৱানৰ

## ৬৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰুছ সেনা বাহিনী অগ্ৰসৰ কিয়েভ অভিমুখে

■ নিউজ ব্যুৰ'
**কিয়েভ, ১ মাৰ্চ ঃ** যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ বিৰুদ্ধে অধিক বৃহৎ আক্ৰমণৰ পৰিকল্পনা আৰম্ভ কৰিছে ৰাছিয়াই। উপগ্ৰহৰ দ্বাৰা সংগৃহীত চিত্ৰত এনে এক ইংগিত স্পষ্ট হৈছে। প্ৰায় ৬৫ কিলোমিটাৰ দীঘলীয়া ৰুছ সেনাৰ এটা কনভয় ইউক্ৰেইনৰ দিশলৈ আগবাঢ়িছে। ৰাষ্ট্ৰখনৰ উত্তৰ দিশে এই কনভয় দেখা গৈছে। কিয়েভ আৰু খাৰকীভত *ছয় পৃষ্ঠাত চাওক*



নিহত ৰুছ সেনাৰ শেষ বাৰ্তা শুনিলে ৰাষ্ট্ৰসংঘই

## মা, আমি বোমাবৰ্ষণ কৰিছো, নিৰপৰাধীকো এৰি দিয়া নাই


■ নিউজ ব্যুৰ'
**নিউ য়ৰ্ক, ১ মাৰ্চ ঃ** 'মা, মই এতিয়া ইউক্ৰেইনত। ইয়াত যুদ্ধ আৰম্ভ হৈছে। মোৰ ভয় লাগিছে। একেলগে আমি সকলো চহৰতে বোমাবৰ্ষণ কৰিছো। আনকি সাধাৰণ মানুহকো আক্ৰমণ কৰিছো।... এইবোৰ বৰ কষ্টকৰ, মা!'

ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত কালি এখন জৰুৰী বিশেষ *১০ পৃষ্ঠাত চাওক*

■ পশ্চিমবংগৰ মূলসুঁতিলৈ অহা নেতায়ো যোগাযোগ ৰক্ষা কৰি চলিছে ■ জীৱন সিংহৰ পালিত পুত্ৰই স্পষ্ট কৰিলে ■ শীঘ্ৰে কমতাপুৰ লিবাৰেচনৰ স'তে চৰকাৰৰ আলোচনা আৰম্ভ

## মুখ্যমন্ত্ৰীৰে বৈঠক কেএলঅ'ৰ প্ৰতিনিধিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ মাৰ্চ ঃ** শীঘ্ৰে শান্তি আলোচনাৰ মেজত বহিব কমতাপুৰ লিবাৰেছন অৰ্গেনাইজেছন (কে এল অ')ৰ স্বয়ম্ভু মুৰব্বী জীৱন সিংহ। সম্প্ৰতি ম্যানমাৰত থকা সিংহৰ পালিত পুত্ৰ দীপাংকৰ লাহনে সদৰী কৰিছে এই কথা। তাৰ বাবে প্ৰস্তুতিৰ প্ৰক্ৰিয়া ইতিবাচক দিশত আগবাঢ়িছে বুলিও লাহনে প্ৰকাশ কৰে। আলোচনা প্ৰক্ৰিয়াটোক গতি দিয়াৰ বাবেই যোৱা নিশা লাহনে



দিছপুৰৰ চৰকাৰী আৱাসত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। এই সাক্ষাতৰ বিষয় সন্দৰ্ভত লাহনে মুখ নুখুলিলেও আলোচনা প্ৰক্ৰিয়াটোৰ লগত জড়িত থকা কেএলঅ'ৰ সূত্ৰই কয় যে সংগঠনটোৰ মূলসুঁতিলৈ উভতি অহা বিশেষ প্ৰতিনিধি শীঘ্ৰে ম্যানমাৰলৈ ৰাওনা হ'ব। জীৱন সিংহক সাক্ষাতৰ উদ্দেশ্যে যাবলগীয়া এই প্ৰতিনিধিয়ে কেএলঅ'ৰ মুৰব্বীজন উভতি অহাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব। *১০ পৃষ্ঠাত চাওক*

পুনৰ ১৩ গৰাকী দিল্লীত উপস্থিত ■ বিমান বাতিলত অধিক জটিলতাৰ সন্মুখীন হৈছিল

## ইউক্ৰেইনত আবদ্ধ অসমৰ ১৪৫ ছাত্ৰ-ছাত্ৰী, সৰ্বাধিক ৫৯গৰাকীয়েই মহানগৰৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ মাৰ্চ ঃ** যুদ্ধৰ পৰিস্থিতি অধিক ভয়াৱহ হোৱা ইউক্ৰেইনৰ পৰা ছাত্ৰ-ছাত্ৰীসহ ভাৰতীয় নাগৰিকক ওভতাই আনিবলৈ চৰকাৰে প্ৰক্ৰিয়া অব্যাহত ৰাখিলেও বহুতৰ বাবে সেই সুযোগ গ্ৰহণৰ সম্ভাৱনা সদ্যহতে অতি ক্ষীণ। এই জটিল পৰিস্থিতিত আবদ্ধ হ'বলগীয়া হৈছে অসমৰ বহু ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য উদ্দেশ্যত যোৱা লোক। বিশেষকৈ ছুমি, খাৰকীভ আৰু কিয়েভ চহৰত *১০ পৃষ্ঠাত চাওক*

## মৰাণত পিষ্টলেৰে মূৰত গুলীয়াই আত্মহত্যা ঠিকাদাৰৰ

ব্লেকমেইলিঙৰ বলি হৈ মানসিকভাৱে ভাঙি পৰিছিল

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ১ মাৰ্চ ঃ** চৰাইদেউ জিলাৰ মৰাণত আজি লোকনিৰ্মাণ বিভাগৰ এজন ঠিকাদাৰে আত্মহত্যা কৰে। ঘৰত পত্নী নথকাৰ সুযোগতে ঠিকাদাৰজনে নিজৰ পিষ্টলেৰে মূৰত গুলীয়ায়। *১০ পৃষ্ঠাত চাওক*

■ মাজুলীৰ শাসক দলৰ প্ৰাৰ্থীৰ বিৰুদ্ধে সৰৱ কংগ্ৰেছ-ৰাইজৰ দল

## গামক জনপ্ৰতিনিধি সজাই জনজাতীয় ৰাইজক লুণ্ঠন কৰাই বিজেপিৰ লক্ষ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ মাৰ্চ ঃ** সমাগত মাজুলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসকীয় বিজেপিৰ প্ৰাৰ্থী ভুৱন গামৰ বিৰুদ্ধে তীব্ৰতৰ হৈছে বিৰোধী ৰাজনৈতিক দলসমূহৰ আক্ৰমণ। শেহতীয়াকৈ গামক সমালোচনাৰ মূল লক্ষ্য কৰি লৈ মহানগৰীৰ সোণাপুৰত নিৰ্মাণ কৰা 'নৰ্থ ইষ্ট মিউজিয়াম আৰু কালচাৰেল চেণ্টাৰ' নিৰ্মাণৰ সময়ত সংঘটিত হোৱা দুৰ্নীতিকো পুনৰ চৰ্চালৈ আনিছে বিৰোধী ৰাজনৈতিক দল, বিশেষকৈ কংগ্ৰেছ, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদে।

ৰাইজৰ দলৰ মুখ্য কাৰ্যালয়ত আজি এক সংবাদমেলত দলৰ কাৰ্যকৰী সভাপতি কবিন্দ্ৰ চেতিয়া ফুকন, সাধাৰণ সম্পাদক কমল কুমাৰ *১০ পৃষ্ঠাত চাওক*

## কাঠফুলাত বিষক্ৰিয়াত মৃতকৰ সংখ্যা তিনিলৈ বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ১ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিত বনৰীয়া কাঠফুলা খাই বিষক্ৰিয়াত আক্ৰান্ত হোৱাৰ ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা তিনিলৈ *ছয় পৃষ্ঠাত চাওক*

ৰাজ্যত এফালৰ পৰা মৃত্যুমুখত পৰিছে ক্ষুদ্ৰ উদ্যোগ-ব্যৱসায়সমূহ ঃ সৰৱ চিপিআই (এম)

## চৰকাৰে কোম্পানীৰ দৰে আচৰণ কৰিছে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ মাৰ্চ ঃ** দিন বাগৰাৰ লগে লগে অসমৰ ৰাইজক নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি পূৰণত অসম চৰকাৰ ব্যৰ্থ হৈছে। শেহতীয়াকৈ অসম চৰকাৰে ব্যৱসায়িক কোম্পানীৰ দৰে আচৰণ কৰিছে। উদ্যোগীকৰণৰ জৰিয়তে ৰাজ্যত এক নতুন দিগন্তৰ সূচনা হ'ব



বুলি ঢাক-ঢোল বজোৱা চৰকাৰখনৰ দিনত এফালৰ পৰা ক্ষুদ্ৰ উদ্যোগসমূহৰ অপমৃত্যু হৈছে। আমি আচৰিত হৈছো, আচলতে চৰকাৰখন চলিছে কেনেকৈ?' এই মন্তব্য চিপিআই (এম)ৰ অসম ৰাজ্যিক সমিতিৰ নৱনিযুক্ত সম্পাদক সুপ্ৰকাশ তালুকদাৰৰ। মহানগৰীৰ দলৰ *আঠ পৃষ্ঠাত চাওক*

■ ক'ভিডৰ শংকা পাহৰি ৰাজ্যজুৰি মহা শিৱৰাত্ৰি পালন

দুটা বৰ্ষৰ বিৰতিৰ পাছত উলহ-মালহেৰে ভগৱান শিৱৰ আৰাধনা

## ৰাজ্যৰ শিৱ মন্দিৰ-দেৱালয়ত বৰ্ণাঢ্য কাৰ্যসূচী, পদপথত ভাঙৰ মুকলি বেহা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ মাৰ্চ ঃ** কৰ'না ভাইৰাছৰ সন্ত্ৰাসে ভীতিগ্ৰস্ত কৰি ৰখা দেশবাসীয়ে দুটা বছৰৰ বিৰতিৰ অন্তত আজি উলহ-মালহেৰে পালন কৰিলে শিৱৰাত্ৰি। সেইদৰে মহামাৰীৰ শংকা পাহৰি ৰাজ্যবাসীয়েও পালন কৰে মহা শিৱৰাত্ৰি। শিৱৰাত্ৰি উপলক্ষে ৰাজ্যৰ প্ৰতিটো শিৱ মন্দিৰ, দেৱালয় আটকধুনীয়াকৈ সজাই পৰাই তোলা হয়। ফুল আৰু নানাৰঙী আলোকসজ্জাৰে মন্দিৰসমূহ *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ২ মার্চ, ২০২২ বুধবাৰ পৃষ্ঠা তিনি

# কংগ্ৰেছৰ বৰঘৰত সিন্ধি খান্দি তিতাবৰত বিজেপিৰ নির্বাচনী প্রচাৰ

**কংগ্ৰেছৰ দৰে শোষণকাৰী-ভ্ৰষ্টাচাৰীক প্ৰশ্ৰয় নিদিবলৈ আহ্বান ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ**

**তিতাবৰ, ১ মার্চ ঃ** কংগ্ৰেছ দলতো এটা ভ্ৰষ্টাচাৰী আৰু শোষণকাৰী দল। স্বাধীনতাৰ পাছত ৭০ বছৰ ধৰি দলটোৱে ভাৰতক নেতৃত্ব দিয়াৰ সময়ত দুৰ্নীতিয়ে আৰু ভ্ৰষ্টাচাৰে আকাশ স্পৰ্শ কৰিলে। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপিয়ে দেশৰ শাসনভাৰ লোৱাৰ পাছত কংগ্ৰেছৰ সান্দহ খোৱা বালি তল পৰিল। অসমতো সৰ্বানন্দ ছয় পৃষ্ঠাত চাওক

■ প্ৰথমবাৰৰ বাবে পত্নীসহ ৰাজ্যপাল জগদীশ মুখী ঃ মৃত্যুঞ্জয়ৰ চৰণত পূজা-অৰ্চনা

# শিৱৰাত্ৰিত ভক্তৰ লানি নিছিঙা ভিৰ মহা মৃত্যুঞ্জয় মন্দিৰত



**বিশেষ সংবাদদাতা**
**নগাঁও, ১ মার্চ ঃ** নগাঁও জিলাৰ পুৰণিগুদাম ভেৰভেৰি নৰসিংহ ক্ষেত্ৰত থকা বিশ্বৰ সৰ্ববৃহৎ মহা মৃত্যুঞ্জয় মন্দিৰত আজি পত্নীসহ প্ৰথমবাৰৰ বাবে উপস্থিত হ'লহি অসমৰ ৰাজ্যপাল জগদীশ মুখী। বিশেষকৈ মহা শিৱৰাত্ৰি উপলক্ষে মন্দিৰত পূজা-অৰ্চনা কৰিবৰ বাবে পত্নী প্ৰেম মুখীক লগত লৈ ৰাজ্যপাল মুখীয়ে মন্দিৰত উপস্থিত হৈ পূজা-অৰ্চনা কৰাৰ উপৰি মন্দিৰৰ সৌন্দৰ্য উপভোগ কৰে। পুৱাৰে পৰা হেজাৰ হেজাৰ ভক্তৰ সমাগম হোৱা মন্দিৰত পুৱা ন বজাত ৰাজ্যপাল মুখী উপস্থিত হৈ প্ৰায় এঘণ্টা সময় মন্দিৰৰ ভিতৰত কটায়। বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী আৰু কে'বাজন মন্দিৰ সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত ৰাজ্যপালগৰাকীয়ে মন্দিৰত প্ৰৱেশ কৰি পোন প্ৰথমতে বেদ বিদ্যালয়ৰ ছাত্ৰসকলে পৰিৱেশন কৰা মংগলাচৰণ উপভোগ কৰে। ইয়াৰ পাছতে মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰি পূজা-অৰ্চনা কৰে। প্ৰায় দুঘণ্টা সময় মন্দিৰ আৰু মন্দিৰৰ গেষ্ট হাউছত কটোৱাৰ পাছত ৰাজ্যপাল মুখী মন্দিৰ চৌহদৰ পৰা বিদায় লয়। বিশেষকৈ মন্দিৰৰ পৰিৱেশ দেখি আপ্লুত হৈ পৰা ৰাজ্যপালগৰাকীয়ে সাংবাদিকক সম্বোধন কৰাৰ পৰা বিৰত থাকিলেও ৰাজ্যপালৰ উপস্থিতিত উৎফুল্লিত হৈ পৰে বিধায়ক গোস্বামীৰ লগতে মন্দিৰ পৰিচালনা সমিতি। উল্লেখ্য যে যোৱা ২০২১ৰ মাঘী পূৰ্ণিমাত স্থাপন হোৱা ১২৬ ফুট উচ্চতাৰ বিশ্বৰ সৰ্ববৃহৎ মহা মৃত্যুঞ্জয় মন্দিৰত দৈনিক হেজাৰ হেজাৰ লোকৰ সমাগম হোৱাৰ উপৰি আজি মহা শিৱৰাত্ৰি উপলক্ষে অনুষ্ঠিত মেলা আৰু মন্দিৰ পৰিদৰ্শন কৰিবলৈ পুৱাৰে পৰা অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ১০ সহস্ৰাধিক লোকৰ সমাগম হয়। উল্লেখ্য যে এই মহা শিৱৰাত্ৰি মেলা পাঁচদিন ধৰি চলিব।

# মহাশিৱৰাত্ৰিত গোসাঁইগাঁৱৰ পানবাৰীত উলাহ-মালহ পৰিৱেশ



**অগ্ৰদূত বাৰ্তা**
**দোতমা, ১ মার্চ ঃ** সমগ্ৰ দেশৰ লগতে মহাশিৱৰাত্ৰিৰ উপলক্ষে গোসাঁইগাঁৱৰ দুই নম্বৰ পানবাৰীত শিৱ বন্দনাৰে মুখৰিত হ'ল চৌদিশ। আদিযোগী মহাদেৱক হিন্দু ধৰ্মৰ সৰ্বশক্তিমান তথা শ্ৰেষ্ঠ দেৱতা হিচাপে আৰাধনা কৰা হয়। গোসাঁইগাঁৱৰ বিভিন্ন স্থানৰ শিৱ মন্দিৰত শিৱৰাত্ৰি পালন কৰাৰ লগতে দুই নম্বৰ পানবাৰীত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে বৃহৎ শিৱ মেলাৰ আয়োজন কৰিছে শিৱ পূজা পৰিচালনা সমিতিয়ে। পুৱাৰে পৰা ভক্তগণে শিৱৰ আৰাধনা ছয় পৃষ্ঠাত চাওক

# নাগ্ৰীজুলিত নিশা বিধ্বংসী অগ্নিকাণ্ড ঃ দোকান ভস্মীভূত



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ১ মার্চ ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলি বজাৰত যোৱা ২৮ ফেব্ৰুৱাৰীৰ নিশা সংঘটিত এক বিধ্বংসী অগ্নিকাণ্ডত এটি মচলা গুৰি কৰা মিলসহ এখন দোকান সম্পূৰ্ণৰূপে ভস্মীভূত হয়। নিশা প্ৰায় ৮ বজাত ভাওৰাগুৰি হিন্দী প্ৰাথমিক বিদ্যালয়ৰ সমুখত থকা নাগ্ৰীজুলি বজাৰৰ বাবন প্ৰসাদ নামৰ ব্যৱসায়ীজনৰ ব্যৱসায়িত প্ৰতিষ্ঠানত দাও দাওকৈ জুই জ্বলি উঠা প্ৰত্যক্ষ কৰাত হাঁহাকাৰ অৱস্থাৰ সৃষ্টি হয় আৰু ব্যৱসায়িক অঞ্চলটোত হুৱাদুৱা লাগে। অগ্নিকাণ্ডৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত স্থানীয় লোক উপস্থিত হৈ জুই নুমুৱাবলৈ চেষ্টা কৰে যদিও অগ্নিকাণ্ডৰ ফলত দোকানখন আৰু মচলা গুৰি কৰা মিলটো সম্পূৰ্ণৰূপে ভস্মীভূত হয়। ওচৰতে থকা মিজো আৰক্ষীৰ দল নাগ্ৰীজুলি আৰক্ষী আৰু স্থানীয় ৰাইজৰ তৎপৰতাত অৱশ্যে জুই অন্য দোকানলৈ বিয়পি পৰাৰ পৰা ৰক্ষা পৰে। পাছত ৰঙিয়াৰ পৰা অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী গৈ জুই সম্পূৰ্ণৰূপে নিৰ্বাপণ কৰে। অগ্নিকাণ্ডৰ ফলত কেইবালক্ষাধিক টকাৰ সম্পত্তি ভস্মীভূত হৈছে যদিও ক্ষতিৰ সঠিক হিচাপে পোৱা হোৱা নাই। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই।

# চিৰাঙত ২৬০ বিঘা ভূমিত হিন্দুস্থান পেট্ৰ'লিয়ামৰ ইন্ধন মজুত ভাণ্ডাৰ স্থাপন



**আঞ্চলিকতাবাদ সন্দৰ্ভত ফণীভূষণ চৌধুৰীক সমৰ্থন প্ৰমোদ বড়োৰ**

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১ মার্চ ঃ** চিৰাঙৰ ডাংতল আৰু বাসুগাঁৱৰ মাজত খাগ্ৰাবাৰী-কামাৰডাংগাত নিশ্চিত হ'ল হিন্দুস্তান পেট্ৰ'লিয়াম কপ'ৰেছন লিমিটেডৰ প্ৰস্তাৱিত প্ৰেট্ৰ'লিয়াম ইন্ধন মজুত ভাণ্ডাৰ। আজি ক্ষেত্ৰ পৰিদৰ্শন কৰে হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্প'ৰেছন লিমিটেডৰ কাৰ্যবাহী সঞ্চালক শ্ৰীধৰ গৌড় আৰু বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। প্ৰায় দুশ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া হিন্দুস্তান পেট্ৰ'লিয়াম কপ'ৰেছন লিমিটেড চমুকৈ এইচপিচিএলৰ এই ইন্ধন মজুত ভাণ্ডাৰৰ বাবে জিলাখনৰ ডাংতল আৰু বাসুগাঁও চহৰৰ সমীপৰ ছয় পৃষ্ঠাত চাওক

# শিৱসাগৰৰ শিৱৰাত্ৰি পূজা-মেলাত লোকে লোকাৰণ্য

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১ মার্চ ঃ** কালিৰে পৰা আৰম্ভ হোৱা ঐতিহাসিক শিৱসাগৰৰ মুক্তিনাথ শিৱদৌলৰ শিৱৰাত্ৰি পূজা আৰু মেলা লোকে লোকাৰণ্য হৈ পৰিছে। উল্লেখ্য যে আহোম স্বৰ্গদেউ শিৱ সিংহৰ দ্বিতীয়গৰাকী ৰাণী মদাম্বিকা কুঁৱৰীয়ে শিৱসাগৰ বৰপুখুৰীৰ পাৰত নিৰ্মাণ কৰা মুক্তিনাথ শিৱদৌলত পৰম্পৰাগতভাৱে প্ৰতি বছৰে উদ্‌যাপিত হৈ আহিছে শিৱৰাত্ৰি পূজা আৰু মেলা। এই মেলালৈ দেশ-বিদেশৰ পৰাও ভক্তপ্ৰাণ লোক তথা পৰ্যটক আহি সমবেত হয়। এইবাৰো ৰাজ্যৰ উপৰি অন্য ৰাজ্যৰ ভক্তপ্ৰাণ সাধু-সন্ন্যাসীক দেখিবলৈ পোৱা গৈছে। তদুপৰি কে'বাশ ব্যৱসায়ী সমবেত হোৱা এই বৃহৎ মেলাখনত বহিঃৰাজ্যৰ ব্যৱসায়ীসকলেও যোগদান কৰিছে। শিৱৰাত্ৰি পূজা আৰু মেলা চাবলৈ অহা লোকে পুৱাৰ পৰা মাজনিশালৈকে নগৰখনত ভিৰ দি বাট নোপোৱা অৱস্থা হোৱা পৰিলক্ষিত হৈছে। শিৱসাগৰ বৰপুখুৰীৰ পাৰত একেলেথাৰিয়ে প্ৰায় দুই কিলোমিটাৰমানকৈ শাৰী ছয় পৃষ্ঠাত চাওক



# ম'হখুলিত মটৰ চাইকেলে মহটিয়াই নিলে বৃদ্ধক

**বিশেষ সংবাদদাতা**
**নগাঁও, ১ মার্চ ঃ** তীব্ৰবেগী মটৰ চাইকেলে মহটিয়াই নিয়া এজন লোকৰ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হৈছে। এই লোকজনৰ নাম হৈছে ৰহমত উল্লাহ (৭০)। ৰহমত উল্লাহে ঘৰৰ পৰা সোমবাৰে বিয়লি খোজকাঢ়ি ম'হখুলি বজাৰলৈ গৈ থকা অৱস্থাত পিছফালৰ পৰা এ এছ ০১ একৰে ৮৩৪৮ নম্বৰৰ এখন তীব্ৰবেগী মটৰ চাইকেলে ছয় পৃষ্ঠাত চাওক

# আমগুৰিত আৰক্ষী থানাৰ সমুখত ডাম্পাৰৰ খুন্দাত এজনৰ থিতাতে মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ১ মার্চ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি থানাৰ সমুখতে আজি সন্ধিয়া এখন শিল কঢ়িওৱা ডাম্পাৰৰ খুন্দাত এজন লোক থিতাতে নিহত হোৱা ঘটনাই ৰাইজৰ মাজত শোকৰ ছাঁ পেলায়। আমগুৰি নগৰৰ দিশৰ পৰা জাঁজী অভিমুখী এ এছ ০৫ এচি০৫৯৯ নম্বৰৰ তীব্ৰ বেগী ডাম্পাৰখনে একে দিশে চাইকেল চলাই গৈ থকা অৱস্থাত জাঁজী বৰুৱাকুৰী গাঁৱৰ অনুজ বৰুৱা (৪৪) নামৰ লোকজনক পাছফালৰ পৰা মহটিয়াই নিয়াৰ ফলত লোকজনৰ মুণ্ড শৰীৰৰ পৰা বিচ্ছিন্ন হৈ থিতাতে মৃত্যু মুখত পৰে। প্ৰত্যক্ষ দৰ্শীৰ মতে ডাম্পাৰখন তীব্ৰ বেগত চলোৱাৰ ফলতেই ঘটনাটো সংঘটিত হয়। লক্ষ্যণীয় যে আমগুৰি নগৰৰ মাজেদি দৈনিক তীব্ৰ বেগী ডাম্পাৰৰ সন্ত্ৰাসে সৰ্বসাধাৰণ পথচাৰীক প্ৰতি নিয়ত দুৰ্ঘটনাৰ আশংকাত ভোগাইছে ছয় পৃষ্ঠাত চাওক

# নলবাৰীত বিজেপিৰ ওচৰত শিৰনত কৰিছে কংগ্ৰেছে

**বিশেষ সাংবাদদাতা**
**নলবাৰী, ১ মার্চ ঃ** প্ৰায় তিনিটা বছৰৰ অন্তত অসম চৰকাৰে ৰাজ্যত পৌৰ নিগম আৰু পৌৰসভা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ লৈছে। ইতিমধ্যে প্ৰতিখন পৌৰসভাৰ বিভিন্ন দলৰ মনোনীত প্ৰাৰ্থী আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলে নিজ নিজ কায়দাৰে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। ইয়াৰ পৰা ব্যতিক্ৰম নহয় নলবাৰীও। নলবাৰীত এইবাৰ পূৰ্বৰ ১২টা ৱাৰ্ডৰ বিপৰীতে নতুনকৈ গঠিত আন পাঁচটা ৱাৰ্ডৰ বাবে প্ৰাৰ্থীসকলে দৈনিক প্ৰচাৰ অভিযান চলাই আছে। অহা ছয় মাৰ্চত অনুষ্ঠিত হ'ব নিৰ্বাচন। কিন্তু নিৰ্বাচনলৈ মাত্ৰ কেইটামান দিন থকাৰ মাজতে এক বিশেষ বিষয় চৰ্চিত হৈ পৰিছে। শাসকীয় বিজেপি নেতৃত্বই কংগ্ৰেছক বিজেপিৰ ওচৰত প্ৰাক্‌নিৰ্বাচনী কালতে শিৰনত কৰা বুলি দাবী কৰিছে। লক্ষ্যণীয়ভাৱে এই চৰ্চা চলিছে সাধাৰণ ৰাইজৰ মাজতো। আনহাতে, বিজেপিৰ এনে দাবীৰ বিপৰীতে কংগ্ৰেছ নেতৃবৰ্গই এই বুলি প্ৰত্যুত্তৰ দিছে যে শাসকীয় দলটোৱে গণতান্ত্ৰিক ব্যৱস্থা সম্পূৰ্ণ পৰিহাৰ কৰি ক্ষমতাৰ অপপ্ৰয়োগ কৰিছে। আনকি প্ৰাৰ্থীসকলৰ মাজতো অত্যাধিক চাপ সৃষ্টি কৰি গোটেই নিৰ্বাচনী প্ৰক্ৰিয়াটোকে হাতৰ মুঠিত ৰখাৰ অপচেষ্টা চলাইছে। নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰে কালি 'দৈনিক অগ্ৰদূত'ক এই বুলি দাবী প্ৰকাশ কৰে যে ছয় পৃষ্ঠাত চাওক

# হাউলীত অগ্নিকাণ্ডত ৰক্ষা পৰিল আৱাসিক অঞ্চল

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ১ মার্চ ঃ** হাউলীৰ সাত নম্বৰ ৱাৰ্ডৰ মৈৰামাৰাত আজি এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত বৃহৎ ক্ষয়ক্ষতি হোৱা নাই যদিও খেৰৰ পুঁজি এটা সম্পূৰ্ণৰূপে ভস্মীভূত হয়। মৈৰামাৰাৰ শংকৰ শৰ্মা নামৰ লোক জনৰ ঘৰৰ চৌকাৰ পৰা ফিৰিঙতি ওলাই জুইৰ সূত্ৰপাত হৈ অগ্নিকাণ্ডটো সংঘটিত হয়। জুই সম্প্ৰসাৰিত হোৱাৰ পিছতেই স্থানীয় ৰাইজৰ সহযোগত হাউলী আৰু বৰপেটাৰ পৰা অহা দুখনকৈ অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীৰে জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়।

# কাজিৰঙাত বিহ দি ঢেঁকীয়াপতীয়া বাঘ হত্যা

**অগ্ৰদূত বাৰ্তা**
**বোকাখাত, ১ মার্চ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত এজনী প্ৰাপ্তবয়স্ক মাইকী ঢেঁকীয়াপতীয়া বাঘ কালি উদ্যানৰ নিচেই কাষৰ শলমৰা গাঁৱৰ পথাৰত দুৰ্বৃত্তই বিহ দি হত্যা কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কহৰা বনাঞ্চলৰ পৰা ওলাই অহা বাঘিনীজনী এটা মৃত গৰুৰ কাষত উদ্ধাৰ হয়। মৃত বাঘিনীজনী দেখি গাঁওবাসীয়ে বন বিভাগক খবৰ দিয়ে। কাজিৰঙাৰ কাষত লাগি থকা গাঁওখনত গঁড়, হাতী, বাঘ, ম'হ, গাহৰি আদি প্ৰায় আহে। খাদ্যৰ সন্ধানত বাঘিনীজনী আহি এটা গৰু চিকাৰ কৰিছিল। মৃত গৰুটোৰ একাংশ বাঘে ভক্ষণ কৰিছিল। বনবিভাগে সন্দেহ কৰা মতে বাঘে গৰু খোৱাৰ প্ৰতিশোধ ল'বলৈ মৃত গৰুটোৰ দেহত কোনোবাই বিহ প্ৰয়োগ কৰে। পাছত পুনৰ খাবলৈ আহি বাঘৰ মৃত্যু হয়। বনবিভাগে মৃত বাঘিনীজনী ফৰেনছিক পৰীক্ষা কৰাৰ পাছতহে মৃত্যুৰ প্ৰকৃত তথ্য পোহৰলৈ আহিব। আনহাতে কাজিৰঙা বন্যপ্ৰাণী উদ্ধাৰ আৰু চিকিৎসা কেন্দ্ৰত চিকিৎসাধীন অৱস্থাত এটা নাহৰফুটুকী বাঘৰ মৃত্যু হৈছে। ২৪ ফেব্ৰুৱাৰীত মৰিয়নি শিলিখা চাহ বাগিচাৰ পৰা উদ্ধাৰ কৰা হৈছিল নাহৰফুটুকী বাঘটো। এটা নলাত পৰি আহত হৈছিল বাঘটো।

# নগাঁৱৰ ৰাইদঙীয়াত একে নিশাই তিনিটা ৰাজহুৱা নামঘৰত চোৰৰ লুটপাত

■ ছটা ব্যক্তিগত গোসাঁই ঘৰতো লুটপাত চোৰৰ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/বেবেজীয়া, ১ মার্চ ঃ** নগাঁও জিলাৰ জাজৰী আৰক্ষী থানাৰ অন্তৰ্গত বৃহত্তৰ ৰাইদঙীয়া অঞ্চলত চোৰৰ লক্ষ্য হৈ পৰিছে ৰাজহুৱা নামঘৰ আৰু ব্যক্তিগত গোসাঁই ঘৰসমূহৰ সম্পদসমূহ। যোৱা ছয় পৃষ্ঠাত চাওক

# প্ৰবীণ অভিনেত্ৰী জুনু বৰুৱাক ভোলা কলিতা সোঁৱৰণী বঁটা প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১ মার্চ ঃ** তেজপুৰস্থিত ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰত কালি প্ৰয়াত শিল্পী তথা নটসূৰ্য ফণী শৰ্মা বঁটা প্ৰাপৰ ভোলা কলিতাক স্মৰণ কৰাৰ লগতে প্ৰবীণ অভিনেত্ৰী জুনু বৰুৱাক সোঁৱৰণী বঁটা আগবঢ়োৱা হয়। বাণ থিয়েটাৰৰ প্ৰাক্তন সভাপতি তথা ভাওনা আৰু মঞ্চ অভিনেতা ভোলা কলিতাৰ প্ৰতিছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভ কৰে প্ৰয়াত কলিতাৰ পত্নী নৰেশ্বৰী কলিতাই। তেজপুৰ সাহিত্য সভাৰ উদ্যোগত আৰু বাণ থিয়েটাৰৰ সহযোগত আয়োজিত স্মৃতিচাৰণ আৰু বঁটা ছয় পৃষ্ঠাত চাওক

# অভয়াপুৰী কাৰাগাৰত কয়েদীৰ মৃত্যু ঃ তদন্তৰ দাবী কৰিলে পৰিয়ালে

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ১ মার্চ ঃ** বিগত প্ৰায় পাঁচ বছৰ ধৰি বঙাইগাঁও জিলাৰ অভয়াপুৰীস্থিত জিলা কাৰাগাৰত কাৰাবন্দী হিচাপে থকা লোক এজন কাৰাগাৰতে মৃত্যু হোৱা ঘটনাই পৰিয়াল তথা আত্মীয়-স্বজনৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য মতে, বৰপেটা জিলাৰ সৰভোগ অঞ্চলৰ দুৰামাৰী নিবাসী বাণীকান্ত ৰায়ে বিগত প্ৰায় পাঁচ বছৰ ধৰি কয়েদীৰূপে অভয়াপুৰী জিলা কাৰাগাৰত বন্দী জীৱন পাৰ কৰি আছিল। ৰায়ে আজি পুৱাৰ ভাগত অসুস্থ হৈ পৰাৰ পাছত কাৰাগাৰ কৰ্তৃপক্ষই অভয়াপুৰী সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে যদিও চিকিৎসকে মৃতক বুলি ঘোষণা কৰে। ইয়াৰ পাছতে মৃতকৰ পৰিয়ালক খবৰ দিয়াত পৰিয়ালৰ লোকে অভয়াপুৰীত উপস্থিত হৈ ৰায়ৰ মৃত্যুক সহজভাৱে ল'ব পৰা নাই। পৰিয়ালৰ মতে, ৰায়ৰ স'তে সততে যোগাযোগ ৰক্ষা কৰি থকাৰ পাছত মৃত্যু হোৱা ঘটনা সন্দৰ্ভত তদন্ত দাবী কৰিছে পৰিয়াল আৰু আত্মীয়-স্বজনে।

# অসমৰ সাংস্কৃতিক দিশটো চাবলৈ মই আছু

**মৰিগাঁৱৰ বাৰপূজীয়াত তিৱা সাহিত্য সভাৰ সাংস্কৃতিক অনুষ্ঠানত জুবিন গাৰ্গ**



**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ১ মার্চ ঃ** চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত তিৱা সাহিত্য সভাৰ কেন্দ্ৰীয় অধিৱেশন মৰিগাঁৱৰ বাৰপূজীয়াৰ ৪২১ ছহিদ হেমৰাম পাটৰ ক্ষেত্ৰত কালি নিশা সফলভাৱে সামৰণি পৰে। ৪২১ ছহিদ হেমৰাম পাটৰ ক্ষেত্ৰত অনুষ্ঠিত হোৱা তিৱা সাহিত্য সভাৰ অধিৱেশনৰ কালি নিশা অনুষ্ঠিত হোৱা সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ আছিল অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ গীতৰ শৰাই। মধ্য অসমৰ ইতিহাস প্ৰসিদ্ধ ৪২১ তিনিগৰাকী বীৰ ছহিদৰ ৰক্তৰে ৰঞ্জিত বাৰপূজীয়াৰ অধিৱেশনস্থলীত বিপুল দৰ্শকৰ উপস্থিতিত হৃদয় উজাৰি গীত পৰিৱেশন কৰে জনপ্ৰিয় শিল্পী জুবিন গাৰ্গে। শিল্পীজনে বহুকেইটা জনপ্ৰিয় গীত পৰিৱেশনৰ মাজতেই দৰ্শক ৰাইজক সম্বোধন কৰি অসমৰ সাম্প্ৰতিক পৰিৱেশ পৰিস্থিতিৰ সন্দৰ্ভত কে'বাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। জনপ্ৰিয় শিল্পী জুবিন গাৰ্গে গীত পৰিৱেশনৰ মাজতেই কয়, 'বিহু অসম আৰু অসমীয়াৰ জাতিৰ অতিকৈ হেঁপাহৰ উৎসৱ। বিহু ক'ত ছয় পৃষ্ঠাত চাওক

# ধলাহাতীঘূলিত ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ খহনীয়া

■ ভাঙিবলগীয়া হ'ল কেন'পাছ ইক'টুৰিজিমৰ ৰান্ধনি ঘৰ



**অগ্ৰদূত বাৰ্তা**
**তালাপ, ১ মার্চ ঃ** তিনিচুকীয়া জিলাৰ ছৈখোৱাৰ হাতীঘূলিত হৈ থকা ভয়ংকৰ খহনীয়া ৰোধৰ বাবে জলসম্পদ বিভাগে কাম চলাই আছে যদিও খহনীয়াৰ প্ৰকোপৰ বাবে কাম আগুৱাই নিব পৰা নাই বিভাগটোৱে। বিভাগটোৱে জিঅ'বেগ জাপিবৰ বাবে গৰাকাটি হেলনীয়া কৰাৰ পাছতেই নৈৰ সোঁতে হলনীয়া অংশ খহাই নি পুনৰ থিয়গৰাৰ সৃষ্টি কৰিছে। খহনীয়াৰ তীব্ৰতা ইমানেই বেছি যে যোৱা ২১ ফেব্ৰুৱাৰীত কেন'পাচ ইক'টুৰিজিম কেন্দ্ৰটোৰ ৰান্ধনি ঘৰটোৰ কাষ চাপি অহাৰ প্ৰতি লক্ষ্য ৰাখি ঘৰটো ভাঙি নিব লগীয়া হয়। ডিব্ৰুগড়-তিনিচুকীয়া জিলা বান আৰু খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চই এই বিষয়টো স্থানীয় সাংসদ-বিধায়কৰ লগতে জলসম্পদ বিভাগৰ অভিযন্তা আৰু জিলা উপায়ুক্তক অৱগত কৰোৱাত ২২ ফেব্ৰুৱাৰীত ডুমডুমা ৰাজহ চক্ৰ বিষয়া আৰু জলসম্পদ ছয় পৃষ্ঠাত চাওক

# আল্লিয়াৰ পি বি আঞ্চলিক হাইস্কুলৰ আন্তঃগাঁথনিৰ পয়ালগা ৰূপ

■ জহি-খহি যোৱা গোহালিসদৃশ গৃহতে চলি আছে পাঠদান

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ১ মার্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে ৰাজ্যৰ চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনিকে ধৰি সৰ্বদিশতে গতি প্ৰদান কৰি শিক্ষাৰ এক বাতাবৰণ সৃষ্টি কৰা বুলি ঢাকঢোল বজাই থকাৰ সময়তে একাংশ শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি ইমানেই দুৰ্বল আৰু পয়ালগা যে এই শিক্ষানুষ্ঠানসমূহত পাঠগ্ৰহণ কৰাটো শিক্ষাৰ্থীসকলৰ বাবে জীৱন মৰণ খেলত পৰিণত হৈছে। যি সময়ত ছাত্ৰ-ছাত্ৰীৰ অভাৱত একাংশ বিদ্যালয়ত মজবুত আন্তঃগাঁথনিৰে ভৰপূৰ শ্ৰেণী কোঠাসমূহ অব্যহৃত হৈ পৰি আছে সেই সময়তে আন একাংশ চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীসকলে টিনপাতৰ চালিৰ তলত জহি-খহি যোৱা একোটা কোঠাত শিক্ষা গ্ৰহণ কৰা কাৰ্যই সচেতন মহলক ক্ষোভিত কৰি তুলিছে। এয়া ছয় পৃষ্ঠাত চাওক



# বিশ্বনাথত ভূমিক লৈ প্ৰচণ্ড মাৰপিট ঃ সাৰি নগ'ল মহিলা


**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ১ মার্চ ঃ** বিশ্বনাথত আজি এটুকুৰা মাটিক কেন্দ্ৰ কৰি দুটা পক্ষৰ মাজত সংঘটিত হয় প্ৰচণ্ড মাৰপিটৰ ঘটনা। এই মাৰপিটৰ ঘটনাৰ পৰা সাৰি নগ'ল মহিলাও। এই ঘটনা সংঘটিত হৈছে বিশ্বনাথৰ গুৱালতলীৰ সমীপত। তথ্য মতে এটুকুৰা মাটিৰ ওপৰত দুটা পক্ষই দখল ল'বলৈ আহোতেই এই মাৰপিটৰ ঘটনা সংঘটিত হয়। অভিযোগ মতে, মাটিৰ মালিক ডিম্বেশ্বৰ দাসৰ পৰা দিলোৱাৰ হুছেইনে আৰু ডিম্বেশ্বৰৰ ভ্ৰাতৃ বেকা দাস আৰু গংগা দাসৰ পৰা নাজিৰ আহমেদে একেটা দাগৰ একে মাটিকে ছয় পৃষ্ঠাত চাওক

## দেশৰ কৰ’না সংক্ৰমণ হ্ৰাস পালেও মৃত্যু ১৮০ জনলৈ বৃদ্ধি



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মাৰ্চ ঃ** মঙলবাৰেও দেশৰ দৈনিক ক’ভিড সংক্ৰমণ হ্ৰাস অব্যাহত আছে। কিন্তু মৃত্যুৰ হাৰ বৰ্তমানেও উদ্বেগজনক হৈ আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ৬৯১৫ জন লোক কৰ’নাত সংক্ৰমিত হ’ল। আনহাতে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণৰ ফলত বিগত এদিনত প্ৰাণ হেৰুৱালে ১৮০ জন লোকে। সোমবাৰৰ তুলনাত মঙলবাৰে দেশত ক’ভিডত মৃতকৰ সংখ্যা ৬১ জন বৃদ্ধি পালে। বৰ্তমানে ভাৰতত ৯২,৪৭২ জন সক্ৰিয় ক’ভিড ৰোগী আছে।

## ইউক্ৰেইনলৈ সমৰ্থন আন্তৰ্জাতিক খ্যাতিসম্পন্ন সংগীত শিল্পী লেডী গাগাৰ



**নিউজ ব্যুৰ’, লছ এঞ্জেলছ, ১ মাৰ্চ ঃ** আমেৰিকাৰ জনপ্ৰিয় সংগীত তাৰকা লেডী গাগাই ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণক কঠোৰভাৱে গৰিহণা দিলে। এছ এ জি এৱাৰ্ডছ ২০২২ অনুষ্ঠানত অংশ লোৱাৰ সময়ত গাগাই ইউক্ৰেইন আৰু দেশখনৰ নাগৰিকসকলৰ প্ৰতি নিজৰ সমৰ্থন ব্যক্ত কৰে। গাগাই ইউক্ৰেইনৰ সমৰ্থনত থিয় দি কয় যে তেওঁ দেশখনৰ যুদ্ধপীড়িত নাগৰিকসকলৰ কল্যাণৰ বাবে অন্তৰৰ পৰা প্ৰাৰ্থনা জনাইছে। গাগাই কয়, ‘বিশ্বত বহু ঘটনা সংঘটিত হৈছে আৰু মই ইউক্ৰেইনৰ বাবে ব্যথিত। মই ভাবো যে আজি নিশা আমি সকলোৱে ইউক্ৰেইনক সন্মান যঁচা উচিত। আজি নিশা মই ইউক্ৰেইনৰ বাবে প্ৰাৰ্থনা জনাইছো আৰু আশা কৰো সকলো যাতে সোনকালে অন্ত পৰে।’

## কলকাতা গ্ৰন্থমেলাত প্ৰকাশ পালে মুখ্যমন্ত্ৰী মমতাৰ ১২ খন গ্ৰন্থ

**নিউজ ব্যুৰ’, কলকাতা, ১ মাৰ্চ ঃ** এইবাৰৰ কলকাতা গ্ৰন্থমেলাত প্ৰকাশ পালে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ দ্বাৰা ৰচিত ১২ খন গ্ৰন্থ। গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ কালি এই কথা নিজে প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰীগৰাকীয়ে। এইবাৰৰ আন্তৰ্জাতিক কলকাতা গ্ৰন্থমেলা উপলক্ষে প্ৰকাশ পালে মমতাই ৰচনা কৰা ‘খেলা হবে’, ‘কবিতাবিতান’, ‘দুয়াৰে চৰকাৰ’ প্ৰভৃতি গ্ৰন্থ। গ্ৰন্থমেলা মুকলি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, ‘সম্ভৱত ১৯৯৫ বৰ্ষৰ পৰা মই প্ৰতি বছৰে নিজা গ্ৰন্থ গ্ৰন্থমেলাত প্ৰকাশ কৰি আহিছো। প্ৰতি বছৰে যিসমূহ ঘটনা সংঘটিত হৈ আহিছে, সেইসমূহ ভাষাৰ মাধ্যমৰে প্ৰকাশ কৰাৰ বাবে মোৰ এটা কলম আৰু এখন মুখ আছে। কেতিয়াবা মুখৰেও কথা কোৱা হয়। মই আজিও বিশ্বাস কৰো যে কলমৰ বিকল্প একো নাই। এখন বহী আৰু এটা কলমৰ মূল্য কিমান সেই কথা লেখা-মেলা কৰা লোকেহে বুজিব পাৰে।’ প্ৰকাশিত বাতৰি অনুসৰি, মমতাই বৰ্তমানলৈকে প্ৰায় ১১৫ খন সৰু-ডাঙৰ গ্ৰন্থ ৰচনা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি, ব্যায়াম কৰাৰ সময়ত তেওঁ শ্ৰুতলিপি দি বহুকেইখন গ্ৰন্থ ৰচনা কৰিছে।



## ফেব্ৰুৱাৰীত দেশৰ জি এছ টি সংগ্ৰহৰ পৰিমাণ ১.৩৩ লাখ কোটি টকালৈ বৃদ্ধি




**নিউজ ব্যুৰ’, মুম্বাই, ১ মাৰ্চ ঃ** যোৱা ফেব্ৰুৱাৰীত ভাৰত চৰকাৰে মুঠ ১,৩৩,০২৬ কোটি টকাৰ সামগ্ৰী আৰু সেৱাকৰ (জি এছ টি) লাভ কৰিলে। এবছৰ পূৰ্বৰ ফেব্ৰুৱাৰীৰ তুলনাত চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত দেশৰ জি এছ টি সংগ্ৰহৰ পৰিমাণ ১৮ শতাংশ বৃদ্ধি পালে। অৱশ্যে দৈনিক সংগ্ৰহৰ হিচাপত জানুৱাৰীৰ তুলনাত ফেব্ৰুৱাৰীত জি এছ টি সংগ্ৰহৰ পৰিমাণ অধিক হ’ব কিয়নো ফেব্ৰুৱাৰী ২৮ দিনীয়া হোৱাৰ বিপৰীতে জানুৱাৰীত ৩১ দিনীয়া মাহ আছিল। জানুৱাৰীত দৈনিক ৪,৪৬৪.৩২ কোটি টকা জি এছ টি সংগ্ৰহৰ বিপৰীতে ফেব্ৰুৱাৰীত ই দৈনিক ৪,৭৫০.৯২ কোটি টকালৈ বৃদ্ধি পালে। ২০১৭ৰ জুলাইৰ পাছত একেৰাহে পঞ্চমবাৰ দেশৰ জি এছ টি সংগ্ৰহৰ পৰিমাণ ১.৩০ লাখ কোটি টকাৰ অধিক হ’ল। যোৱা জানুৱাৰীত দেশত ১৩৮,৩৯৪ কোটি টকাৰ জি এছ টি সংগ্ৰহ কৰা হৈছিল। ২০২১ৰ ডিচেম্বৰত সংগ্ৰহ কৰা জি এছ টিৰ পৰিমাণ আছিল ১,২৯,৭৮০ কোটি টকা।

### আমি এই যুদ্ধক সমৰ্থন নকৰো ঃ কাৰাগাৰৰ পৰাই টুইটাৰৰ জৰিয়তে ৰুছবাসীলৈ বাৰ্তা প্ৰেৰণ পুটিন বিৰোধী নেতাৰ

# পুটিনৰ বিৰুদ্ধে অসহযোগ আন্দোলনৰ আহ্বান বিৰোধী নেতা নাভালনিৰ

**নিউজ ব্যুৰ’ মস্কো, ১ মাৰ্চ ঃ** ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ অব্যাহত ৰখা ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ বিৰুদ্ধে অসহযোগ আন্দোলন আৰম্ভ কৰিবলৈ আহ্বান জনালে দেশখনৰ বিৰোধী নেতা এলেক্সেই নাভালনিয়ে। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ইউক্ৰেইন আক্ৰমণৰ ঘটনাৰ তীব্ৰ বিৰোধিতা কৰি পুটিনৰ কঠোৰ সমালোচক হিচাপে পৰিচিত নাভালনিয়ে কাৰাগাৰৰ পৰাই ৰুছ ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে অসহযোগ আন্দোলনৰ আহ্বান জনালে। টুইটাৰ হেণ্ডেলৰ জৰিয়তে নাভালনিয়ে ৰুছবাসীলৈ বাৰ্তা প্ৰেৰণ কৰি কয়, ‘ইউক্ৰেইনৰ বিৰুদ্ধে পুটিনে যুদ্ধ ঘোষণা কৰিছে। এইবাৰ তেওঁ সকলোকে বুজাব বিচাৰিছে যে ইউক্ৰেইনৰ বিৰুদ্ধে সমগ্ৰ দেশে যুঁজ কৰিছে। কিন্তু এয়া সঠিক তথ্য নহয়। আমি এই যুদ্ধক সমৰ্থন নকৰো। ৰুছ নাগৰিকৰ প্ৰতি মোৰ আহ্বান যে আপোনালোকে মৌন হৈ নাথাকিব। পুটিন প্ৰশাসনৰ বিৰুদ্ধে অসহযোগ আন্দোলন আৰম্ভ কৰক।’

উল্লেখ্য যে ৰুছ ৰাষ্ট্ৰপতিৰ কঠোৰ সমালোচক তথা বিৰোধী দলৰ নেতা নাভালনিক একাধিক অভিযোগত চৰকাৰে কাৰাবন্দী কৰি ৰাখিছে। ২০২০ বৰ্ষত নাভালনিক বিহ প্ৰয়োগৰে হত্যাৰ অপচেষ্টাও চলোৱা হৈছিল। এই ঘটনাৰ স’তে স্বয়ং ৰাছিয়াৰ ৰাষ্ট্ৰপতি জড়িত থকাৰো অভিযোগ উত্থাপিত হৈছিল। ২০২১ বৰ্ষত জাৰ্মানীৰ পৰা সুস্থ হৈ স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰাৰ পাছতে নাভালনিক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু তেতিয়াৰে পৰা তেওঁ কাৰাগাৰত আছে। বিগত কে’বা বছৰ ধৰি নাভালনিয়ে পুটিন প্ৰশাসনক বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি আহিছে। নাভালনিৰ সংস্থা ‘এন্টি কৰাপচন ফাউণ্ডেচন’-এ পুটিন প্ৰশাসনৰ একাধিক বিত্তীয় কেলেংকাৰিৰ তথ্যও ফাদিল কৰিছিল। সেয়েহে ৰুছ চৰকাৰে পুটিন বিৰোধী এইজন নেতাক ভুৱা অভিযোগত কাৰাগাৰত বন্দী কৰি ৰখাৰ অভিযোগ উত্থাপিত হৈছে।



## ৰাছিয়াৰ বিৰুদ্ধে যুঁজত নামিল গুগল, ৰাছিয়া টুডে-স্পুটনিকৰ ইউ টিউব চেনেল কৰিলে ব্লক




**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১ মাৰ্চ ঃ** ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত ভয়াৱহ যুদ্ধ অব্যাহত থকাৰ মাজতে গুগলে ৰাছিয়াৰ বিৰুদ্ধে গ্ৰহণ কৰিলে কঠোৰ সিদ্ধান্ত। ৰাছিয়াৰ দুটাকৈ সংবাদ প্ৰতিষ্ঠান ‘ৰাছিয়া টুডে’ আৰু ‘স্পুটনিক’ৰ ইউ টিউব চেনেল ব্লক কৰিলে গুগলে। ইউ টিউবৰ স্বত্বাধিকাৰী প্ৰতিষ্ঠান তথা ইণ্টাৰনেট ছাৰ্চ ইঞ্জিন গুগলে আজি এই সিদ্ধান্ত গ্ৰহণ কৰে। গুগলে আজি এই পদক্ষেপ গ্ৰহণ কৰাৰ ফলত ইউৰোপত ৰাছিয়াৰ এই দুটা সংবাদ প্ৰতিষ্ঠানৰ ইউ টিউব চেনেল ব্লক হৈ থাকিব। উল্লেখ্য যে ‘ৰাছিয়া টুডে’ আৰু ‘স্পুটনিক’ হৈছে ৰাছিয়াৰ দুটা চৰকাৰী সংবাদ প্ৰতিষ্ঠান আৰু এই সংবাদ প্ৰতিষ্ঠান দুটাক ইউ টিউবত নিষিদ্ধ কৰি গুগলে যুঁজত অৱতীৰ্ণ হোৱা ৰুছ চৰকাৰক এক বাৰ্তা প্ৰেৰণ কৰিলে।



## যোগীৰ দুৰ্গত কান্দি কান্দি ভোট ভিক্ষা সমাজবাদীৰ মহিলা প্ৰাৰ্থীৰ

**নিউজ ব্যুৰ’, গোৰখপুৰ, ১ মাৰ্চ ঃ** উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত এইবাৰ সমাজবাদী পাৰ্টিৰ কেইজনমান প্ৰাৰ্থীয়ে চকুলো টুকি ভোটদাতাৰ সমৰ্থন লাভৰ কৌশল অৱলম্বন কৰিছে। ৰাজ্যখনৰ গোৰখপুৰত মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ বিৰুদ্ধে প্ৰাৰ্থী হিচাপে থিয় দিয়া সমাজবাদী পাৰ্টিৰ শুভাৱতী শুক্লাই ভোটদাতাৰ ঘৰে ঘৰে গৈ ভোট ভিক্ষা কৰিছে। এইদৰে ভোটদাতাৰ কাষলৈ যোৱা সমাজবাদীৰ মহিলা প্ৰাৰ্থীগৰাকীয়ে ৰাইজক সাক্ষাৎ কৰাৰ সময়ত হঠাতে চকুলো টুকিবলৈ ধৰে। উপেন্দ্ৰ শুক্লাৰ পত্নী শুভাৱতীয়ে নিৰ্বাচনৰ প্ৰচাৰত তেওঁৰ স্বামীৰ নাম উল্লেখ কৰাৰ লগে লগে আৱেগিক হৈ কান্দিবলৈ ধৰে। সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱৰ স’তে নিজৰ প্ৰচাৰত অংশ লোৱাৰ সময়তে অখিলেশে উপেন্দ্ৰ শুক্লাৰ নাম লোৱাত শুভাৱতীয়ে চকুলো টুকিবলৈ ধৰে। নিৰ্বাচনী সভাত এইদৰে সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থীয়ে কন্দা-কটা কৰি ৰাইজৰ আৱেগ ভোট লাভ কৰিবলৈ অপচেষ্টা চলোৱা বুলি অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে সমাজবাদী পাৰ্টিৰে আন এজন প্ৰাৰ্থীয়েও এইবাৰৰ নিৰ্বাচনৰ প্ৰচাৰত অংশ লৈ চকুলো টুকি ভোটদাতাৰ পৰা সমৰ্থন বিচাৰিছিল।



## মাৰ্কিন যুৱকৰ নিৰ্বিচাৰ গুলিত নিহত তিনি নাবালকসহ পাঁচজন

**নিউজ ব্যুৰ’ কেলিফ’ৰ্ণিয়া, ১ মাৰ্চ ঃ** আমেৰিকাৰ কেলিফ’ৰ্ণিয়াত এটা গিৰ্জাত প্ৰৱেশ কৰি নিজৰ সন্তানকে গুলীয়াই হত্যা কৰিলে এজন যুৱকে। চেক্ৰামেণ্ট’ অঞ্চলৰ গিৰ্জাগৃহত সংঘটিত হোৱা এই ঘটনাত প্ৰাণ হেৰুৱালে তিনি নাবালকসহ পাঁচজন লোকে। হত্যাকাণ্ডৰ পাছত নিজৰ মূৰত গুলীয়াই আত্মঘাতী হ’ল বন্দুকধাৰী যুৱকজন। আৰক্ষীৰ অনুমান অনুসৰি গাৰ্হস্থ্য হিংসাৰ পৰিণতিতে এই হত্যাকাণ্ড সংঘটিত হ’ল।

# কিমান ভয়াৱহ ৰাছিয়াৰ এফ অ’ এ বি-আমেৰিকাৰ এম অ’ এ বি বোমা ?

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১ মাৰ্চ ঃ** ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে এফ অ’ এ বি বোমা প্ৰয়োগ কৰিলে। ৰাছিয়াৰ হাতত থকা এইবিধ অপাৰমাণৱিক অস্ত্ৰ ‘ফাডাৰ অৱ অল ব’ম’ (এফ অ’ এ বি) হিচাপে পৰিচিত। ৰাছিয়াৰ হাতত এফ অ’ এ বি থকাৰ বিপৰীতে আমেৰিকাৰ হাতত আছে ‘মাডাৰ অৱ অল ব’ম’ (এম অ’ এ বি)। ৰাছিয়াই প্ৰথমবাৰৰ বাবে ২০০৭ৰ ১১ ছেপ্টেম্বৰত এফ অ’ এ বিৰ পৰীক্ষণ সম্পন্ন কৰিছিল। এফ অ’ এ বি আৰু এম অ’ এ বি বিশ্বৰ সবাতোকৈ অধিক শক্তিশালী অপাৰমাণৱিক বোমা হিচাপে পৰিচিত। কে’বাটাও ক্ষুদ্ৰ পৰমাণু বোমাৰ বিস্ফোৰণৰ সমানে ভয়াৱহ হয় এই ধৰণৰ অপাৰমাণৱিক বোমাৰ বিস্ফোৰণ। ৰাছিয়াই দাবী কৰা অনুসৰি তেওঁলোকৰ হাতত থকা এফ অ’ এ বি আমেৰিকাৰ এম অ’ এ বিৰ তুলনাত অধিক ঘাতক আৰু এই বোমাই অধিক অঞ্চলৰ ব্যাপক ক্ষতিসাধন কৰিব পাৰে। আমেৰিকাই ২০১৭ৰ ১৩ এপ্ৰিলত আফগানিস্তানৰ খুৰাচান প্ৰদেশত ইছলামিক ষ্টেট (আইছিছ)ৰ বিৰুদ্ধে অভিযানত প্ৰথমবাৰৰ বাবে এম অ’ এ বি বোমা ব্যৱহাৰ কৰিছিল। এই বোমা পেৰাছুটেৰে নিক্ষেপ কৰা হয় আৰু এনে অপাৰমাণৱিক বোমাই ভূমি স্পৰ্শ কৰাৰ পূৰ্বে আকাশতে বৃহৎ বিস্ফোৰণ সংঘটিত কৰে। ২০০৩ৰ ১১ মাৰ্চত আমেৰিকাই প্ৰথমবাৰৰ বাবে ফ্ল’ৰিডাত এম অ’ এ বি বোমাৰ পৰীক্ষণ সম্পন্ন কৰিছিল।



## এয়াৰ ইণ্ডিয়াৰ চি ই অ’ৰ পদ প্ৰত্যাখ্যান ইলকৰ আয়শিৰ




**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মাৰ্চ ঃ** ৬৯ বছৰৰ পাছত টাটা ছন্সে এয়াৰ ইণ্ডিয়াৰ কৰ্তৃত্ব পুনৰ লাভ কৰাৰ পাছত ভাৰতৰ সবাতোকৈ পুৰণি অসামৰিক বিমান পৰিবহণ প্ৰতিষ্ঠানটোৰ নতুনভাৱে পৰিচালনাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। কিন্তু এই ক্ষেত্ৰত আজি টাটা ছন্সে হতাশ হ’ব লগা হ’ল। টাটা ছন্সে এয়াৰ ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া (চি ই অ’) আৰু প্ৰবন্ধক সঞ্চালক হিচাপে তুৰস্ক এয়াৰলাইন্সৰ প্ৰাক্তন সঞ্চালক ইলকৰ আয়শিক নিযুক্তি দিছিল। কিন্তু আজি আয়শিয়ে টাটাৰ এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। যোৱা ১৪ ফেব্ৰুৱাৰীত টাটা ছন্সে আয়শিক এয়াৰ ইণ্ডিয়াৰ চি ই অ’ হিচাপে নিযুক্তি প্ৰদানৰ কথা ঘোষণা কৰিছিল। কিন্তু দুসপ্তাহ পাছতে আয়শিয়ে এয়াৰ ইণ্ডিয়াৰ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে।

## তেলেংগানাৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ প্ৰশান্ত কিশোৰৰ, কিন্তু কিয় ?




**নিউজ ব্যুৰ’, হায়দৰাবাদ, ১ মাৰ্চ ঃ** দেশৰ বিশিষ্ট নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাওক কালি সাক্ষাৎ কৰিলে। কিশোৰে এইদৰে তেলেংগানাৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাক লৈ দেশৰ ৰাজনৈতিক মহলত বিশেষ চৰ্চা অব্যাহত আছে। উল্লেখ্য যে অহা বছৰত তেলেংগানাত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব আৰু এই নিৰ্বাচনৰ পূৰ্বে কিশোৰে ৰাওক সাক্ষাৎ কৰাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। টি আৰ এছৰ মুৰব্বী ৰাৱে শেহতীয়াভাৱে দেশত বিজেপি বিৰোধী মৰ্চা গঠনৰো তৎপৰতা প্ৰদৰ্শন কৰিছে। ইতিমধ্যে ৰাৱে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেসহ আন কে’বাজনো আঞ্চলিক নেতাক সাক্ষাতো কৰিছে। কিশোৰৰ স’তে ৰাৱে বৈঠকত কি কথা আলোচনা কৰিলে সেয়া এতিয়াও তেলেংগানাৰ মুখ্যমন্ত্ৰীয়ে সদৰী কৰা নাই। টি আৰ এছৰ এক সূত্ৰই প্ৰকাশ কৰা অনুসৰি কিশোৰৰ স’তে টি আৰ এছৰ পূৰ্বৰে পৰা যোগাযোগ আছে আৰু নিৰ্বাচনৰ প্ৰসংগতে মুখ্যমন্ত্ৰীয়ে নিৰ্বাচন ৰণনীতিজ্ঞজনক সাক্ষাৎ কৰিছিল।

## নীৰৱে পুনৰ আগমন অ’মিক্ৰন উপ-প্ৰজাতিৰ ঃ এইবাৰ সংক্ৰমণ ডিঙিত



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মাৰ্চ ঃ** কৰ’না ভাইৰাছৰ সংক্ৰমণ সম্প্ৰতি যথেষ্ট হ্ৰাস পাইছে। কিন্তু ইয়াৰ মাজতো ক’ভিডৰ অ’মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ অব্যাহত আছে। শেহতীয়াভাৱে অ’মিক্ৰনৰ উপ-প্ৰজাতি বি এ.২ৰ সংক্ৰমণে নীৰৱে বহু লোকক আক্ৰান্ত কৰিছে। বিশ্ব স্বাস্থ্য সংস্থা (হু)ই প্ৰকাশ কৰা অনুসৰি অ’মিক্ৰনৰ উপ-প্ৰজাতিৰ সংক্ৰমণৰ লক্ষণ কিছু সলনি হৈছে। অতি নীৰৱে ক’ভিডৰ এই প্ৰজাতিয়ে বহু লোকক সংক্ৰমিত কৰিছে। জ্বৰ, কাহ, মূৰৰ বিষ, অৱসাদৰ লগতে ডিঙিৰ খচখচনি আৰু শ্বাস-প্ৰশ্বাসৰ ক্ষেত্ৰত অসুবিধা অনুভৱ কৰাটো বি এ.২ৰ প্ৰজাতিৰ সংক্ৰমণৰ অন্যতম লক্ষণ। তদুপৰি বহুসংখ্যক অ’মিক্ৰন আক্ৰান্ত ৰোগীৰ ক্ষেত্ৰত কাণ-নাক আৰু ডিঙিৰ নানা সমস্যাই দেখা দিছে। ফেৰিনজাইটিছ, লেৰিনজাইটিছৰ দৰে ডিঙিৰ একাধিক সমস্যায়ো অ’মিক্ৰন আক্ৰান্তক শেহতীয়াভাৱে বিশেষভাৱে প্ৰভাৱিত কৰিছে।

## আন্তৰ্জাতিক যাত্ৰীবাহী বিমান সেৱাৰ বিধি নিষেধৰ ম্যাদ বৃদ্ধি




**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ মাৰ্চ ঃ** আন্তৰ্জাতিক বিমান সেৱাৰ ওপৰত আৰোপিত বিধি নিষেধৰ ম্যাদ অনিৰ্দিষ্ট কালৰ বাবে বৃদ্ধি কৰিলে কেন্দ্ৰীয় চৰকাৰে। ডি জি চি এয়ে এক নিৰ্দেশনাত প্ৰকাশ কৰা অনুসৰি পৰৱৰ্তী নিৰ্দেশনা জাৰি নকৰালৈকে ভাৰতত আন্তৰ্জাতিক বিমান সেৱাৰ ক্ষেত্ৰত পূৰ্বে আৰোপ কৰা নিষেধাজ্ঞা বাহাল থাকিব। যোৱা ১৯ জানুৱাৰীত ডি জি চি এয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি আন্তৰ্জাতিক যাত্ৰীবাহী বিমান সেৱাৰ বিৰুদ্ধে আৰোপিত নিষেধাজ্ঞাৰ ম্যাদ কালি সমাপ্ত হৈছিল। কিন্তু দেশ আৰু আন্তৰ্জাতিক ক’ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এই নিষেধাজ্ঞা বাহাল ৰখাৰ সিদ্ধান্ত ল’লে ডি জি চি এয়ে।

## পঞ্জাৱৰ প্ৰতিজন নাগৰিকৰ বিপৰীতে এক লাখ টকাৰ ঋণ ঃ নতুন চৰকাৰৰ হ’ব প্ৰত্যাহ্বান

**নিউজ ব্যুৰ’, চণ্ডীগড়, ১ মাৰ্চ ঃ** পঞ্জাৱ বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনৰ ফলাফল অহা ১০ মাৰ্চত ঘোষণা কৰা হ’ব। নিৰ্বাচনী ফলাফলৰ পূৰ্বে ৰাজ্যখনত কোন দলে পৰৱৰ্তী চৰকাৰ গঠন কৰিব তাক লৈ জল্পনা-কল্পনা অব্যাহত আছে। তথ্যবিজ্ঞ মহলৰ মতে, পঞ্জাৱত যি দলেই পৰৱৰ্তী চৰকাৰ গঠন নকৰক, সেই চৰকাৰে সন্মুখীন হ’ব লাগিব ভয়াৱহ বিত্তীয় সংকটৰ। বৰ্তমানে ৰাজ্য চৰকাৰখনৰ তিনি লাখ কোটি টকাৰ ঋণ আছে আৰু এই ঋণৰ বোজা নতুন চৰকাৰে বহন কৰিব লাগিব। তদুপৰি নিৰ্বাচনত ভোটদাতাক বিনামূলীয়া উপহাৰ ইত্যাদি প্ৰদানৰ যি প্ৰতিশ্ৰুতি দলসমূহে দিছিল, সেই প্ৰতিশ্ৰুতি বাস্তৱত নতুন চৰকাৰে ৰূপায়ণ কৰিবলৈকো ৰাজহ আহৰণৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ২০১৭ত ৰাজ্যখনত কংগ্ৰেছে চৰকাৰ গঠন কৰাৰ সময়ত ১.৮২ লাখ কোটি টকাৰ ঋণৰ বোজা পূৰ্বৰ চৰকাৰৰ পৰা লাভ কৰিছিল। ইয়াৰ পাছৰে পৰা পঞ্জাৱ চৰকাৰৰ ঋণৰ পৰিমাণ বৃদ্ধি পাই বৰ্তমানে তিনি লাখ কোটি টকাৰো অধিক হ’ল। চলিত বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰখনে ৯৫,২৫৭ কোটি টকাৰ ৰাজহ অৰ্জন কৰাৰ সম্ভাৱনা আছে আৰু ইয়াৰে ৪০ শতাংশ ৰাজহ ঋণ পৰিশোধত ব্যয় হ’ব। ২০২২ বৰ্ষত পঞ্জাৱৰ জনসংখ্যা তিনি কোটিলৈ বৃদ্ধি পাব। ৰাজ্যখনত সম্প্ৰতি তিনি লাখ কোটি টকাৰ ঋণ আছে আৰু সেই অনুসৰি, প্ৰতিজন পঞ্জাৱবাসীৰ ঋণৰ বোজা হৈছে এক লাখ টকা। ৰাজ্যখনৰ নতুন চৰকাৰে কিদৰে পঞ্জাৱৰ অৰ্থনীতিক শক্তিশালী কৰি এই বৃহৎ পৰিমাণৰ ঋণৰ বোজাৰ পৰা পঞ্জাৱক মুক্ত কৰে সেয়া লক্ষ্যণীয় হ’ব।





## এইচ-১ বি ভিছাৰ বাবে ৬৫ হেজাৰ আবেদন লাভ আমেৰিকাৰ

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১ মাৰ্চ ঃ** ২০২২ বিত্তীয় বৰ্ষৰ বাবে আমেৰিকাই ৬৫ হেজাৰ এইচ-১ বি ভিছাৰ আবেদনপত্ৰ লাভ কৰিলে। আমেৰিকাৰ এক যুক্তৰাষ্ট্ৰীয় সংস্থাই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, মাৰ্কিন কংগ্ৰেছৰ দ্বাৰা নিৰ্ধাৰণ কৰা আইন মতে, প্ৰতি বছৰে আমেৰিকাই সৰ্বাধিক ৬৫ হেজাৰ এইচ-১ বি ভিছা আৰু আমেৰিকাত উচ্চ ডিগ্ৰী গ্ৰহণৰ বাবে অতিৰিক্ত ২০ হেজাৰ এইচ-১ বি ভিছা জাৰি কৰিব পাৰে।

## হঠাৎ উত্তৰ প্ৰদেশৰ নিৰ্বাচনত ‘বুলড’জাৰ বাবা’ৰ পৰিচয় লাভ মুখ্যমন্ত্ৰী যোগীৰ



**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ১ মাৰ্চ ঃ** ‘মহন্ত’ৰ পৰা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে পৰিচিত হোৱা যোগী আদিত্যনাথে লাভ কৰিলে পুনৰ এক নতুন পৰিচয়। এইবাৰ যোগীৰ নতুন নাম হ’ল ‘বুলড’জাৰ বাবা’। উত্তৰ প্ৰদেশৰ একাংশ মাফিয়া তথা বাহুবলী লোকৰ অবৈধ অট্টালিকা ‘বুলড’জাৰ’ চলাই ধ্বংস কৰি মুখ্যমন্ত্ৰী যোগীয়ে চমক দিছিল। উল্লেখ্য যে যোৱা ২৫ ফেব্ৰুৱাৰীত এখন নিৰ্বাচনী সভাত সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী যোগীক সমালোচনা কৰাৰ লগতে তেওঁক ‘বুলড’জাৰ বাবা’ বুলি অভিহিত কৰিছিল। যোগীয়ে চৰকাৰী ক্ষমতাৰ অপব্যৱহাৰ কৰি নাগৰিকৰ সা-সম্পত্তি ‘বুলড’জাৰ’ চলাই ধ্বংস কৰা বুলিও অখিলেশে অভিযোগ কৰিছিল। অখিলেশৰ এই সমালোচনাৰ প্ৰত্যুত্তৰ দি যোগীয়ে নিজকে ‘বুলড’জাৰ বাবা’ বুলি স্বীকাৰ কৰাৰ লগতে প্ৰায়বোৰ নিৰ্বাচনী সভাতে শেহতীয়াভাৱে ‘বুলড’জাৰ’ প্ৰদৰ্শন কৰি নিজৰ চৰকাৰৰ গুণানুকীৰ্তন কৰি আহিছে। শেহতীয়াভাৱে যোগীয়ে অংশ লোৱা প্ৰতিখন জনসভাতে ‘বুলড’জাৰ’ সজাই ৰখাটো প্ৰত্যক্ষ হৈছে। যোগীয়েও নিজৰ সভাত এইদৰে ‘বুলড’জাৰ’ প্ৰত্যক্ষ কৰি আনন্দ প্ৰকাশ কৰাৰ লগতে সমৰ্থকক উদ্দেশি কয়, ‘চাওক, মোৰ সভাত ‘বুলড’জাৰ’ ৰখা হৈছে। ‘বুলড’জাৰ’ হৈছে উত্তৰ প্ৰদেশবাসীৰ বাবে বিকাশৰ প্ৰতীক। পথ, গৃহ নিৰ্মাণৰ লগতে অবৈধ নিৰ্মাণ ধ্বংস কৰিবলৈ ইয়াক ব্যৱহাৰ কৰা হয়।’

## হাতত আগ্নেয়াস্ত্ৰ লৈ ইউক্ৰেইনৰ ৰাজধানীত শান্তিৰ গান গালে জনপ্ৰিয় শিল্পীয়ে



**নিউজ ব্যুৰ’, কীভ, ১ মাৰ্চ ঃ** ৰুছ আগ্ৰাসনত বিধ্বস্ত ইউক্ৰেইনৰ ৰাজধানী কীভত এইবাৰ ৰাজপথত শান্তিৰ গীত পৰিবেশন কৰি সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিলে দেশখনৰ এজন জনপ্ৰিয় ৰকশিল্পীয়ে। সামাজিক মাধ্যমত ভাইৰেল হোৱা এক ভিডিঅ’ত প্ৰত্যক্ষ হোৱা অনুসৰি, বুমবক্স বেণ্ডৰ ইউক্ৰেনীয় ৰক্ গায়ক আন্দ্ৰি খলিভনিউকে হাতত আগ্নেয়াস্ত্ৰ লৈ আপোন মনৰে শান্তিৰ গীত পৰিৱেশন কৰিছে। উল্লেখ্য যে স্বদেশক ৰক্ষা কৰিবলৈ স্বইচ্ছাই নিজৰ হাতত অস্ত্ৰ তুলি ল’লে এইজন জনপ্ৰিয় ইউক্ৰেনীয় ৰকশিল্পীয়ে। পথত বিচৰণ কৰা অৱস্থাত হাতত বন্দুক লোৱা আন্দ্ৰিয়ে ‘দ্য ৰেভ ভিৱাৰ্ণাম ইন দ্য মিডে’ শিৰোনামৰ এটা জনপ্ৰিয় লোকগীত পৰিৱেশন কৰিছিল। যুদ্ধৰ মাজতো ইউক্ৰেইনতো বিভিন্ন সামাজিক মাধ্যমত এই ভিডিঅ’ ভাইৰেল হৈছে।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ সভাপতিৰ বিত্তীয় কেলেংকাৰিৰ অভিযোগ অস্বীকাৰ

## সংবাদমেলযোগে দাবী দীনেশ মহন্তৰ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১ মাৰ্চ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ নৱনিৰ্বাচিত সভাপতি দীনেশ মহন্তৰ বিৰুদ্ধে বিভিন্ন সংবাদ মাধ্যমত বিত্তীয় কেলেংকাৰি, একনায়কত্ব, স্বেচ্ছাচাৰিতা আদিৰ সম্পৰ্কত বাতৰি প্ৰকাশ পোৱাৰ পাছত কালি সমাজৰ নৱনিৰ্বাচিত সভাপতিজনে এই সকলোবোৰ অভিযোগ একেমুখে নস্যাৎ কৰে। শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিয়ে আজি কলিয়াবৰৰ চতিয়াল বৰ নামঘৰত আয়োজন কৰা সংবাদমেল সম্বোধন কৰি সভাপতি মহন্তই কয়, 'মই গণতান্ত্ৰিকভাৱে নিৰ্বাচিত হোৱা সভাপতি। মোৰ জীৱন কালত মই সম্পাদকৰ পদত নাছিলোৱেই। অৰ্থৰ লেনদেন কৰে সম্পাদকে। গতিকে মই সভাপতিৰূপে কোনো কালেই অৰ্থৰ লেনদেনত জড়িত হোৱা নাছিলো। মোক কেলেংকাৰিত জড়িত কৰাটো সম্পূৰ্ণ অমূলক আৰু অৰ্থহীন। লগতে সমাজৰ সংবিধান অনুসৰি আমি কাৰ্য পৰিচালনা কৰো তাত একনায়কত্ব বা স্বেচ্ছাচাৰিতাৰ প্ৰশ্নই নাহে।' পূৰ্বতকৈ এতিয়া আমাৰ কাৰ্যকালত সমাজৰ শক্তি দুগুণে বৃদ্ধি পোৱা বুলিও তেওঁ দাবী কৰে। কৃষ্ণমূৰ্তি পাঠকে আঁত ধৰা অনুষ্ঠানত সমাজৰ কেন্দ্ৰীয় সমিতিৰ বহুকেইজন বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

# শিশু সাহিত্যিক একাডেমী বঁটা লাভ কৰা ড° মৃণাল কলিতাক বামুন্দী ৰাইজ গয়ৰহৰ সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**হাজো, ১ মাৰ্চ ঃ** বামুন্দী গাঁৱক অভিভাৱকত্ব প্ৰদান কৰি অহা গাঁওখনৰ মূল অনুষ্ঠান বামুন্দী ৰাইজ গয়ৰহৰ কালি সন্ধিয়া এখন সভা অনুষ্ঠিত হয়। ৰাইজ গয়ৰহৰ সভাপতি জীৱকান্ত শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত 'বকুল ফুলৰ দৰে' উপন্যাসখনৰ বাবে শিশু সাহিত্য একাডেমী বঁটা লাভ কৰি গাঁওখনলৈ গৌৰৱ কঢ়িয়াই অনাত গৌৰৱান্বিত অনুভৱ কৰিছে বামুন্দী গাঁৱৰ ৰাইজে। ৰাইজ গয়ৰহৰ সম্পাদক প্ৰদীপ কুমাৰ কলিতাই আঁত ধৰা সভাত গাঁওখনৰ বহুতো ব্যক্তিয়ে ড° কলিতাক ভূয়সী প্ৰশংসা কৰে। সৰুৰে পৰা অতি চোকা আৰু মেধাবী ছাত্ৰ ড° কলিতাই ১৯৮৯ত বামুন্দী হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান দখল কৰি গৌৰৱ কঢ়িয়াই আনিছিল আৰু এইবাৰ পুনৰ 'বকুল ফুলৰ দৰে' উপন্যাসখনৰ কাৰণে শিশু সাহিত্যিক একাডেমী বঁটা লাভ কৰি গাঁওখনলৈ গৌৰৱ কঢ়িয়াই অনাৰ পাছত আজি গাঁওখনৰ মূল অনুষ্ঠান ৰাইজ গয়ৰহৰ সভাত উপস্থিত থাকিবলৈ পাই আনন্দিত হোৱা বুলি উল্লেখ কৰি গাঁওখনৰ ভৱিষ্যতত গাঁওখনৰ সকলো লোকৰ লগত জড়িত হৈ সমাজৰ কাম কৰি যাব বুলি কয়।

# তামুলপুৰত গাড়ী চালনাৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১ মাৰ্চ ঃ** নৱগঠিত তামুলপুৰ জিলাৰ মহকুমা সদৰত কালি পোন প্ৰথমবাৰৰ বাবে এটা গাড়ী চালনাৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। তামুলপুৰ জিলাৰ মহকুমা সদৰ পুৰণ চ'কত জে, এছ ড্ৰাইভিং ট্ৰেইনিং কেন্দ্ৰটো মুকলি কৰে বাগ্‌সা জিলা পৰিবহণ বিভাগৰ পথ প্ৰৱৰ্তক পৰিদৰ্শক সত্যনাথ বড়োই। তেওঁ কয় যে প্ৰশিক্ষণৰ যোগেদি যিসকল লোকে গাড়ী চালনাৰ প্ৰশিক্ষণ ল'ব তেওঁলোক যথেষ্ট উপকৃত হ'ব। কিয়নো আমি গাড়ী চলাব জানিলেই নহ'ব। আমি গাড়ীখন পথত কি নিৰ্দেশনাত চলাব লাগিব তাক আগতে জানিব লাগিব। যিসকল লোকে এই প্ৰশিক্ষণ কেন্দ্ৰটোত প্ৰশিক্ষণ লাভ কৰিব তেওঁলোকক পথ নিৰ্দেশনাসমূহ জানি প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তামুলপুৰ সাংস্কৃতিক কৰ্মী চিন্ময় পাঠকে আঁত ধৰা আজিৰ অনুষ্ঠানটোত উপস্থিত থাকে বাগ্‌সা জিলা পৰিবহণ বিভাগৰ কৰ্মচাৰী কন্দৰ্প কলিতা, গোবিন ব্ৰহ্ম, তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাস্কৰ দেউঘৰীয়া, প্ৰশিক্ষণ কেন্দ্ৰটোৰ পৰিচালক ধৰ্ম দাস আদি।

# শিলপোতা সত্ৰত বাৰ্ষিক পালনাম সম্পন্ন

অগ্ৰদূত বাৰ্তা



**আজাৰা, ১ মাৰ্চ ঃ** আজাৰা ৰাজহ চক্ৰৰ পূব মাজিগাঁওস্থিত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ প্ৰতিস্থিত ঐতিহাসিক শিলপোতা সত্ৰত যোৱা ২৭ ফেব্ৰুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে বাৰ্ষিক পালনাম অনুষ্ঠিত হয়। বৰপেটা সত্ৰৰ ডেকা সত্ৰাধিকাৰ গৌতম পাঠকে গীতা আৰু ভাগৱতৰ ওপৰত বিস্তৃত ব্যাখ্যা কৰে। পালনাম উপলক্ষে অনুষ্ঠিত নাম প্ৰসংগত বৰপেটা, ছমৰীয়া, হেৰামদৈ, নুনমাটি, আউনিআটি, শুৱালকুছি আদি সত্ৰৰ পৰা অহা ভকত-আইসকলে গুৰুজনাৰ গুণানুকীৰ্তন কৰে। আৰম্ভণিতে পালনামলৈ অহা আটাইলৈ আদৰণি জনাই ভাষণ দিয়ে সত্ৰ পৰিচালনা সমিতিৰ সভাপতি বিশ্বজ্যোতি পাঠক আৰু সম্পাদক ড° নৱজ্যোতি দাসে।

# চেলেংহাটত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন

**চেলেংহাট, ১ মাৰ্চ ঃ** যোৰহাট জিলাৰ চেলেংহাটৰ মিলনজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ উদ্যোগত আৰু যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰ তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত কালি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। দিৱসৰ লগত সংগতি ৰাখি এখন সভা অনুষ্ঠিত কৰা হয়। সভা পৰিচালনা কৰে কটাৰীখাম মণ্ডলৰ সমন্বয়ক অখিল বৰাই। সভাত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° প্ৰভাত বৰুৱা, লাহিং মণ্ডলৰ সমন্বয়ক নীলিম জ্যোতি কলিতা আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী জোনালী শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি ভাষণ প্ৰদান কৰে। সভাত ড° প্ৰভাত বৰুৱাই বিদ্যালয়ৰ বিজ্ঞান বিষয়ক প্ৰাচীৰ পত্ৰিকা 'দাপোণ' উন্মোচন কৰে। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় আৰু দুয়োটা প্ৰতিযোগিতা পৰিচালনা কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। শেষত বঁটা বিতৰণী সভাৰে দিনটোৰ কাৰ্যসূচীৰ সামৰণি মৰা হয়।

# ঘগ্ৰাপাৰত অ'বিচি মৰ্চাৰ চিনাকি পৰ্ব অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১ মাৰ্চ ঃ** নলবাৰী জিলাৰ বিজেপিৰ বড়িগোগ বনভাগ মণ্ডলৰ অ'বিচি মৰ্চাৰ নৱনিযুক্ত সমিতিখনৰ কালি চা-চিনাকি পৰ্ব অনুষ্ঠান অনুষ্ঠিত হয়। বড়িগোগ বনভাগ মণ্ডল সমিতিৰ দলীয় কাৰ্যালয়ত অনুষ্ঠিত চা-চিনাকি অনুষ্ঠান সঞ্চালনা কৰে মণ্ডল অ'বিচি মৰ্চাৰ সভাপতি ৰঞ্জিত দাসে। বড়িগোগ বনভাগ মণ্ডল অ'বিচি মৰ্চাৰ সাধাৰণ সম্পাদক বেজবৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত অৰ্ধশতাধিক কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডল কিষাণ মৰ্চাৰ সভাপতি প্ৰতুল চৌধুৰীয়ে দলটোৰ নৱনিযুক্ত অ'বিচি মৰ্চাৰ বিষয়ববীয়াক অভিনন্দন জ্ঞাপন কৰাৰ লগতে সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে আহ্বান জনায়। সভাত বড়িগোগ বনভাগ মণ্ডল অ'বিচি মৰ্চাৰ উপ-সভাপতি দ্বীজেন দাসে ভাষণত সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে কাৰ্যকৰ্তাসকলক আহ্বান জনায়। লগতে দাসে নিজৰ ভাষণত বিজেপি চৰকাৰৰ অভিলাষী আঁচনিসমূহ ৰাইজৰ মাজলৈ নিবলৈ দলীয় কৰ্মীসকলক আহ্বান জনায়। ইয়াৰ পূৰ্বে ভাৰত মাতাৰ ওচৰত বন্তি প্ৰজ্বলন অনুষ্ঠান হয়।

# ইউক্ৰেইনত আবদ্ধ ৰঙিয়াৰ কৃতী ছাত্ৰী

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১ মাৰ্চ ঃ** যুদ্ধ বিধ্বস্ত ইউক্ৰেইনত ৰঙিয়াৰ এগৰাকী ছাত্ৰী আবদ্ধ হৈ পৰাত তেওঁৰ পিতৃ-মাতৃসহ পৰিয়ালবৰ্গই দুশ্চিন্তাত বিনিদ্ৰ ৰজনী পাৰ কৰিবলগীয়া হৈছে। ৰঙিয়া কাজিগাঁও নিৱাসী মেহেৰ আলমৰ দ্বিতীয় কন্যা মনিষা ৰাহিদে বিগত প্ৰায় চাৰিবছৰ পূৰ্বে ইউক্ৰেইনৰ উজ হৰ্ট নেছনেল ইউনিভাৰ্চিটিত অধ্যয়নৰ বাবে উৰা মাৰিছিল। আৰু মাত্ৰ কেইদিনমানৰ পাছতেই অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাৰ বাবে প্ৰস্তুতি লৈ থকাৰ সময়তে হঠাৎ তেওঁলোকৰ জীৱনলৈ অমানিশা নামি আহিল। চাৰিওদিশে যুদ্ধৰ দামামা বাজিবলৈ ধৰাত তেওঁ আশংকা প্ৰকাশ কৰি পিতৃ-মাতৃলৈ ফোন কৰিছিল যদিও পৰিয়ালৰ তৰফৰ পৰা অভয় প্ৰদান কৰাত তেওঁ চিন্তামুক্ত হৈছিল যদিও যুদ্ধ আৰম্ভ হোৱাত তেওঁলোকৰ মূৰত সৰগ ভাঙি পৰে। আজি টেলিফোন যোগে পিতৃ আৰু মাতৃৰ স'তে কথা পতাৰ সময়ত মনিষাই তেওঁলোকৰ দুখৰ কথা বৰ্ণনা কৰে। কন্যাৰ কথা শুনি তেওঁৰ মাতৃ উচুপি উঠে। অসমৰ শুৱালকুছিসহ আন তিনিগৰাকী ছাত্ৰীৰ স'তে আবদ্ধ হৈ থকা মনিষা আৰু তেওঁৰ সহপাঠীসকলে খাদ্য-পানী আৰু অৰ্থ সংকটত ভুগি থকা বুলি জানিবলৈ দিয়ে। অৱশ্যে আজি তেওঁলোকে ভালেই থকা বুলি কোৱাত ছাত্ৰীগৰাকীৰ চিন্তিত পৰিয়ালবৰ্গৰ স'তে পিতৃ-মাতৃয়ে সামান্য সকাহ পোৱা পৰিলক্ষিত হৈছে। অচিৰেই তেওঁ অসমলৈ উভতি অহাৰ বাবে আশা প্ৰকাশ কৰিছে। ছাত্ৰীগৰাকীৰ উদ্ধাৰৰ বাবে পিতৃ-মাতৃয়ে মুখ্যমন্ত্ৰীলৈ কাতৰ আবেদন জনাইছে।

# বিধায়ক অমিয়ক বিজেপিয়ে পুনৰ টিকট নিদিয়াৰ দাবী

## ■ বিহপুৰীয়াত ভূপেন বৰাৰ নিৰ্বাচনী প্ৰচাৰ

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১ মাৰ্চ ঃ** সমাগত পৌৰসভা নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহে ব্যাপক তৎপৰতা অৱলম্বন কৰিছে। বিহপুৰীয়া পৌৰসভাত আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই নিৰ্বাচনী প্ৰচাৰ চলায়। বিহপুৰীয়া পৌৰসভাৰ দুই নম্বৰ ৱাৰ্ডত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশ লৈ সভাপতি বৰাই বিজেপি চৰকাৰখনক তীব্ৰ ভাষাৰে সমালোচনা কৰে। তদুপৰি ভাষণ প্ৰসংগত বৰাই বিহপুৰীয়াৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞাক সমালোচনা কৰি আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপিয়ে তেওঁক টিকট প্ৰদান নকৰে বুলি মন্তব্য কৰে। লগতে বিহপুৰীয়া পৌৰসভাখন যাতে কংগ্ৰেছৰ দখলত থাকে তাৰ বাবে বিহপুৰীয়াবাসীৰ সহায়-সহযোগিতা কামনা কৰে। নিৰ্বাচনী সভাত অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক স্বপন মণ্ডলে বিজেপিক কঠোৰ ভাষাৰে সমালোচনা কৰে।

বিহপুৰীয়া পৌৰসভাৰ প্ৰতিটো ৱাৰ্ডৰ কংগ্ৰেছৰ প্ৰাৰ্থী আৰু সমৰ্থকে অংশ লোৱা সভাত বিহপুৰীয়া ব্লক কংগ্ৰেছৰ সভাপতি মধুমণি সাতোলা, নাৰায়ণপুৰ ব্লক কংগ্ৰেছৰ সভাপতি ঈশ্বৰ পাঠক, জিলা উপ-সভাপতি গগন বৰা, গজেন হাজৰিকা, জিলা সাধাৰণ সম্পাদক অৰুণ হাজৰিকাক আদি কৰি কে'বাগৰাকী কংগ্ৰেছী নেতা-কৰ্মীয়ে অংশ লয়।



উল্লেখ্য যে বিহপুৰীয়াত কংগ্ৰেছৰ লগতে বিজেপি, অগপৰ সমৰ্থিত প্ৰাৰ্থীসকলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ৱাৰ্ডে ৱাৰ্ডে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

ইপিনে, নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি সাংবাদিকৰে হোৱা বাৰ্তালাপত সভাপতি বৰাই মাজুলীৰ নিৰ্বাচনত বিজেপিয়ে চলোৱা আগ্ৰাসী নিৰ্বাচনী প্ৰচাৰ আৰু বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সম্পৰ্কত মন্তব্য আগবঢ়ায়। মাজুলীৰ প্ৰাৰ্থী ভুৱন গামে নিজকে হাতীৰ লগত তুলনা কৰি মাজুলীৰ ৰাইজক কুকুৰৰ লগত তুলনা কৰা বুলি মন্তব্য কৰে।

আনহাতে, আমিনুল ইছলামে কংগ্ৰেছ সংখ্যালঘু বিদ্বেষী বুলি কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এআইইউডিএফে কংগ্ৰেছৰ লগত কিয় মিত্ৰতা কৰিছে বুলিও প্ৰশ্ন উত্থাপন কৰে। তদুপৰি ৰাজ্যসভাৰ নিৰ্বাচনত বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থীৰ বিজয় নিশ্চিত বুলি দাবী কৰে।

# গামখাৰুৰ উদ্যোগত দুখীয়া মহিলালৈ সাহায্য

অগ্ৰদূত বাৰ্তা

**আজাৰা, ১ মাৰ্চ ঃ** মুম্বাইৰ বেচৰকাৰী মহিলা সংগঠন 'গামখাৰু'ৰ উদ্যোগত কালি আজাৰাৰ বৰিপাৰাৰ এগৰাকী দুখীয়া মহিলাক স্বাৱলম্বী হোৱাৰ উদ্দেশ্যে এখন চাহ দোকানৰ ব্যৱস্থা কৰি দিয়া হয়। অঞ্চলটোৰ ৰীণা দাস নামৰ মহিলাগৰাকীৰ ঘৰৰ চৌহদত এই উদ্দেশ্যে আয়োজিত অনুষ্ঠানত সংগঠনটোৰ সাধাৰণ সম্পাদিকা গীতা শৰ্মাই 'গামখাৰু' নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ উদ্দেশ্যে আৰু লক্ষ্যৰ বিষয়ে ব্যাখ্যা কৰি মহিলা সৱলীকৰণৰ ক্ষেত্ৰত মহাৰাষ্ট্ৰ আৰু অসমত কাম কৰাৰ কথা উল্লেখ কৰে। ২০১৯তে স্থাপন হোৱা সংগঠনটোৱে ক'ভিডৰ বাবে কাম কৰাত কিছু বাধাৰ সন্মুখীন হৈছিল যদিও পুনৰ কামত অগ্ৰসৰ হোৱা বুলি কয়। অনুষ্ঠানত সংগঠনটোৰ সাংস্কৃতিক সম্পাদিকা ড° ধৃতিনয়না দাসৰ লগতে আন কে'বাগৰাকী সদস্যা উপস্থিত থাকে।

# কংগ্ৰেছ দুটকীয়া অচল নোট

## ■ আমগুৰি পৌৰ নিৰ্বাচনৰ প্ৰচাৰ সভাত বিজেপি সভাপতি ভবেশ কলিতা

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ১ মাৰ্চ ঃ** 'কংগ্ৰেছ এতিয়া অচল দুটকীয়া নোট। বিজেপিৰ বিকাশৰ ৰাজনীতিৰ পৰিৱৰ্তে কংগ্ৰেছে সাম্প্ৰদায়িক ৰাজনীতি কৰে। বিজেপি চৰকাৰে অৰুণোদয় আঁচনি, বিনামূলীয়া চাউলৰ লগতে ৰাইজৰ সামগ্ৰিক বিকাশৰ ধাৰা অব্যাহত ৰাখিছে। আমগুৰি নগৰত বিজেপিয়ে উন্নয়নৰ ধাৰা অব্যাহত ৰাখিব।' কালি আমগুৰি নগৰৰ দুৰ্গাবাৰীত অনুষ্ঠিত হোৱা মিত্ৰজোঁটৰ এখন সভাত সন্ধিয়া উপস্থিত থাকি বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই এনেদৰে কয় আৰু ১০ খন আসনেই মিত্ৰজোঁটে দখল কৰিব বুলি কয়। আমগুৰি নগৰ মণ্ডল বিজেপিৰ উদ্দোগত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাখনৰ আঁত ধৰে নগৰ মণ্ডলৰ সম্পাদক পঙ্কজ ভট্টাচাৰ্যই। সভাত দুলিয়াজান সমষ্টিৰ বিধায়ক তেৰছ গোৱালা, আমগুৰি পৌৰসভা নিৰ্বাচনৰ পৰ্যবেক্ষক ৰূপম গোস্বামী, সুভাষ দত্ত, বিজেপি নেতা ময়ূৰ বৰগোহাঞিও, বিনীতা শইকীয়া দে আৰু বিধায়ক প্ৰদীপ হাজৰিকা উপস্থিত থকা সভাত ৰাজ্যিক সভাপতিজনে আমগুৰিৰ খোৱা পানী, চিকিৎসাৰ লগতে আমগুৰিত আৰু এখন শ্মশান, ৰাজহুৱা ভৱনৰ লগতে অহা বাজেট অধিবেশনত অৰুণোদয় আঁচনিৰ ধন বাৰশ টকা কৰা হ'ব বুলি ঘোষণা কৰে।

# অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া তিথেশ্বৰ দেৱ নাথৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ চৰাইবাহী বৰভগীয়া ৰেলৱেৰ অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া তিথেশ্বৰ দেৱ নাথ (৮৫)ৰ যোৱা ২৭ ফেব্ৰুৱাৰীত নিশা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে। অঞ্চলটোত এজন সমাজকৰ্মীৰূপে পৰিচিত নাথ মৰিগাঁও কৰ্মচাৰী পৰিষদ, পেঞ্চনাৰ সন্থাৰ লগতে অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু ছয় কন্যাক এৰি যোৱা নাথৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। নাথৰ মৃত্যুত কৰ্মচাৰী পৰিষদ আৰু পেঞ্চনাৰ সন্থাৰ লগতে অঞ্চলটোৰ ভালেকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# কটাহীত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**দুনী, ১ মাৰ্চ ঃ** কটাহী আঞ্চলিক মধ্য ইংৰাজী বিদ্যালয়ৰ উদ্যোগত কালি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। পুৱা পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপণ কাৰ্যসূচীৰে অনুষ্ঠানৰ আৰম্ভ কৰা হয়। পাছত কুইজ, কবিতা আবৃত্তি, দৌৰ, বুদ্ধি পৰীক্ষা আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুপৰীয়া অনুষ্ঠিত বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে কটাই আঞ্চলিক মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুল হামিদে। তেওঁ কয় যে বৰ্তমান বিজ্ঞান উন্নতিয়ে সমগ্ৰ পৃথিৱীক এখন গাঁৱৰ দৰে কৰিছে। বিজ্ঞানৰ উন্নতিয়ে চন্দ্ৰত মানুহে অৱতৰণ কৰিছে অৰু নতুন নতুন প্ৰযুক্তি বিদ্যাৰে বিভিন্ন বস্তু আৱিস্কাৰ কৰিছে কিন্তু এই বিজ্ঞানৰ যুগতো কু-সংস্কাৰ, অন্ধবিশ্বাসে সমাজত হিংসা বৃদ্ধি কৰিছে। ডাইনী হত্যা বন্ধ হওঁক আৰু সমাজৰ পৰা অন্ধবিশ্বাস আঁতৰাবলৈ ছাত্ৰ-ছাত্ৰীসকলক প্ৰধান শিক্ষক আব্দুল হামিদে পৰামৰ্শ দিয়ে। সভাত কটাহী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ঝৰ্ণা ডেকা প্ৰমুখ্যে দুয়োখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। সভাৰ অন্তত পুৰস্কাৰসমূহ বিতৰণ কৰে। সপ্তম শ্ৰেণীৰ ছাত্ৰী কস্তুৰী ৰাজবংশীয়ে বিদ্যালয়ৰ শ্ৰেষ্ঠ পুৰস্কাৰ বিজেতা সন্মান লাভ কৰে।



ঘগ্ৰাপাৰত পানীযোগান আঁচনি মুকলি।

# শালবাৰীৰ বিদ্যালয়সমূহৰ উপ- পৰিদৰ্শকৰ কাৰ্যালয়ত বিদায়ী সম্বৰ্ধনা অনুষ্ঠান

## ■ কাৰ্যালয়টোৰ উচ্চবৰ্গৰ সহায়ক ভুৱন দাসক বিদায়ী সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১ মাৰ্চ ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমা সদৰৰ কমলাবাৰীস্থিত মহকুমা কেন্দ্ৰৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয়ত আজি সোমবাৰে এক বিদায়ী সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে কাৰ্যালয়টোৰ উচ্চবৰ্গৰ সহায়ক ভুৱন দাসক আনুষ্ঠানিকভাৱে বিদায়ী সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত তেওঁক কাৰ্যালয়ৰ তৰফৰ পৰা গামোচা, শৰাই, ধৰ্মপুথি, ছাতি আদিৰে সম্বৰ্ধনা জনোৱা হয়। আনহাতে, তেওঁক আজিৰ বিদায়ী সম্বৰ্ধনা অনুষ্ঠানৰ মাজতে শালবাৰী মহকুমাৰ মহকুমাধিপতিৰ জৰিয়তে কাৰ্যালয়ৰ তৰফৰ পৰা তেওঁৰ পেঞ্চন পত্ৰখনো প্ৰদান কৰা হয়। এইফালে উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি বাগ্‌সাৰ অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰগোবিন্দ দাসকো বিদায়ী সম্বধনা জনোৱা হয়। আজিৰ অনুষ্ঠানত শালবাৰী মহকুমাৰ মহকুমাধিপতি লক্ষ্যজ্যোতি দাস, শালবাৰী মহকুমা কেন্দ্ৰৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক মিলন দাস, জালাহ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সৰোজ মহিলাৰী, শালবাৰী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰাধাকান্ত তালুকদাৰ, সম্পাদক ৰমেন কুমাৰ দাস, উচ্চ নিম্নবৰ্গৰ কৰ্মচাৰীসকলকে ধৰি শালবাৰী মহকুমাৰ বিদ্যালয়সমূহৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা বৰ্তমানৰ প্ৰধান শিক্ষকসকল উপস্থিত থাকে।

# শুৱালকুছি শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তীৰ প্ৰস্তুতিৰে প্ৰাক্তন ছাত্ৰ ভাৰতীৰ সাধাৰণ সভা

**শুৱালকুছি, ১ মাৰ্চ ঃ** শুৱালকুছি শংকৰদেৱ শিশু বিদ্যা নিকেতনে ২০২২-২৩ বৰ্ষটো ৰূপালী জয়ন্তীৰূপে উদ্‌যাপনৰ পৰিকল্পনাৰ লগতে নতুন কাৰ্যনিৰ্বাহক সমিতি গঠনৰ বাবে আজি প্ৰাক্তন ছাত্ৰ ভাৰতীৰ এখনি গুৰুত্বপূৰ্ণ সাধাৰণ সভা আজি শুৱালকুছি নিকেতন প্ৰাংগণত অনুষ্ঠিত হয়। ভাৰত মাতাৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে আৰম্ভণি কৰা সভাত শংকৰদেৱ শিশু-বিদ্যা নিকেতন, শুৱালকুছিৰ পৰিচালনা সমিতিৰ সভাপতি পৰেশ কলিতা, সাধাৰণ সম্পাদক ৰমেন কলিতা, প্ৰধানাচাৰ্য তীৰ্থনাথ শৰ্মাসহ নিকেতনৰ তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাত প্ৰাক্তন ছাত্ৰ ভাৰতীয়ে ৰূপালী জয়ন্তী বৰ্ষৰ বাবে বিভিন্ন কাৰ্যসূচীৰ পৰিকল্পনা কৰাৰ লগতে ৰূপালী জয়ন্তী বৰ্ষৰ কাম-কাজ চলাই নিয়াৰ বাবে এখন পূৰ্ণাংগ সমিতিও গঠন কৰা হয়। এই সমিতিত সৰ্বসন্মতি মৰ্মে দিপাংকৰ শৰ্মাক সভাপতি আৰু কুলদীপ দাসক সাধাৰণ সম্পাদক লগতে মানসজ্যোতি বায়ন আৰু অনুলেখা শৰ্মাক উপ-সভাপতি, প্লাৱনজ্যোতি ভৰালী আৰু মণিকংকণা দেৱীক সহকাৰী সাধাৰণ সম্পাদক, নিলোৎপল কুমাৰক বিত্ত সম্পাদক, সুব্ৰত ডেকাক সাংস্কৃতিক সম্পাদক, ব্ৰজেন বৈশ্যক আলোচনী সম্পাদক, শিৱ প্ৰসাদ শৰ্মাক প্ৰতিযোগিতা সম্পাদক, উদ্দীপন দাসক যুটীয়া প্ৰতিযোগিতা সম্পাদক আৰু ৩০ জন কাৰ্যনিৰ্বাহক সদস্যক লৈ মুঠ ৪১ জনীয়া পূৰ্ণাংগ সমিতি গঠন কৰা হয়।

## ■ এক কোটি ৩০ লাখৰ বৰঙণিৰে উন্নয়নৰ যাত্ৰা

# ঐতিহাসিক বৰবৰী থান উন্নয়ন সমিতিৰ কাৰ্যভাৰ গ্ৰহণ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১ মাৰ্চ ঃ** নলবাৰী জিলাৰ বৰবৰীস্থ শিৱ দুৰ্গা থান নামনি অসমৰ এখন ঐতিহাসিক থানৰূপে চিহ্নিত। প্ৰায় দুশ বছৰীয়া থানখনৰ নৱ নিৰ্বাচিত উন্নয়ন সমিতিখনে কালি কাৰ্যভাৰ গ্ৰহণ কৰে। উল্লেখ্য যে বিগত কাৰ্যকালৰ সম্পাদকীয় প্ৰতিবেদন আৰু বিত্তীয় প্ৰতিবেদন ৰাজহুৱাভাৱে গ্ৰহণৰ পাছত যোৱা ২৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত গুৰুত্বপূৰ্ণ সভাত নতুনকৈ গঠন কৰা কাৰ্যনিৰ্বাহক সমিতিখনত দায়িত্বভাৰ অৰ্পণ কৰা হয়। প্ৰাক্তন ছাত্ৰ নেতা তথা নলবাৰী জিলা উকীল সন্থাৰ সভাপতি দিপুল তালুকদাৰক সভাপতি আৰু পূৰ্বৰ সম্পাদক প্ৰদীপ ভট্টাচাৰ্যক সম্পাদকৰূপে লৈ ঐতিহাসিক থান উন্নয়ন সমিতিৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন ৰাজহুৱাভাৱে গঠন কৰা হৈছিল। কাৰ্যভাৰ গ্ৰহণৰ পাছত সভাপতি তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত বৰবৰী থানৰ সৰ্বপ্ৰকাৰক স্বচ্ছতা আৰু ঐতিহ্যৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সচেতন ৰাইজ, চৰকাৰী সাহায্য আৰু স্থানীয় লোকৰ সহযোগিতাত বিগত কাৰ্যকালত প্ৰায় এক কোটি ৩০ লাখ টকা সংগ্ৰহ হোৱা আৰু উন্নয়নৰ আন্তঃগাঁথনি নিৰ্মাণ হোৱাটো এক ঐতিহাসিক বাৰ্তা বুলি ৰাইজে মতপোষণ কৰে। অৱশ্যে থানখনক কেন্দ্ৰ কৰি কোনো উৎস নথকাত থান উন্নয়ন সমিতিয়ে কিছু ঋণৰ বোজা বহন কৰিবলগা হয়। এই ঋণ পূৰ্বৰ সমিতি আৰু নতুন সমিতিখনে যৌথভাৱে পৰিশোধ কৰাৰ ক্ষেত্ৰত ঐক্যমত পোষণ কৰে। অৱশ্যে সমগ্ৰ বিশ্বজুৰি দেখা দিয়া ক'ভিড পৰিস্থিতিৰ বাবে থান উন্নয়নৰ বাবে আহিবলগীয়া ধন বৰ্তমানলৈ সংগ্ৰহ নোহোৱাৰ বাবে পূৰ্বৰ উন্নয়ন সমিতিখনে ঋণৰ বোজা বহন কৰিবলগীয়া হৈছে। উল্লেখ্য যে কাৰ্যভাৰ গ্ৰহণ অনুষ্ঠানত মিলিত হোৱা যৌথ সভাই যোৱা কিছুদিন ধৰি দুষ্ট চক্ৰই ঐতিহাসিক থানখনৰ ঐতিহ্যত কালিমা সানিবলৈ চেষ্টা কৰা কাৰ্যত গভীৰ উদ্বেগ প্ৰকাশ কৰে। উল্লেখ্য যে সভাই থানখনৰ বিৰুদ্ধে ভুৱা অপপ্ৰচাৰ চলোৱা অচিনাক্ত ব্যক্তিক চিনাক্ত হ'লে সেই ব্যক্তিক গৰিহণা দিয়াৰ উপৰি সামাজিকভাৱে বহিষ্কাৰ কৰাৰ বাবেও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত ঐতিহাসিক থানখনৰ সৰ্বতোপ্ৰকাৰৰ উত্তৰণত ৰাইজৰ সহযোগিতা নতুন কাৰ্যনিৰ্বাহক সমিতিৰ সভাপতি তালুকদাৰ আৰু সম্পাদক ভট্টাচাৰ্যৰ লগতে কাৰ্যনিৰ্বাহক সমিতিয়ে কামনা কৰিছে।

# ভট্টদেৱ বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

বিশেষ সংবাদদাতা

**পাঠশালা, ১ মাৰ্চ ঃ** 'বিজ্ঞানৰ চমকপ্ৰদ আৰু সত্যসন্ধানী যাত্ৰাই ঈৰ্ষণীয় ৰূপত মানৱ সভ্যতাক সমৃদ্ধ কৰিছে আৰু মানৱ সভ্যতাইও বিজ্ঞানৰ আৱিষ্কাৰৰ ফলশ্ৰুতিতেই প্ৰতিনিয়ত নতুন দৃষ্টিভংগীৰে সন্মুখলৈ খোজ পোনাবলৈ অগ্ৰসৰ হৈছে।' ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে কালি বজালী জিলা বিজ্ঞান সমিতিৰ উদ্যোগত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ডিজিটেল প্ৰেক্ষাগৃহত জনাকীৰ্ণ পৰিৱেশত অনুষ্ঠিত 'বিজ্ঞান আৰু ভগৱানৰ ইচ্ছা' শীৰ্ষক এক বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰি এইদৰে কয় বজালী জিলাৰ উপায়ুক্ত তথা লেখক ভাৰত ভূষণ দেৱ চৌধুৰীয়ে। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° জ্যোতিষ্ময় বৰাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা মনোজ্ঞ অনুষ্ঠানত দেৱ চৌধুৰীয়ে আৰু কয় যে ভগবানৰ অস্তিত্বৰ সম্পৰ্কত বিজ্ঞানে কৰা আবিষ্কাৰৰ জয়যাত্ৰা আজিও নিৰন্তৰ ৰূপত অব্যাহত আছে, কিন্তু স্পষ্টতঃ ক'বলৈ গ'লে বিজ্ঞানেই ভগবান আৰু ভগবানেই বিজ্ঞান। বজালী বিজ্ঞান সমিতিৰ কাৰ্যকৰী সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ভূপেন্দ্ৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত দেৱ চৌধুৰীয়ে ভাৰতৰ কে'বাগৰাকীও লব্ধপ্ৰতিষ্ঠিত বিজ্ঞানীৰ জীৱন চৰ্যাৰ উদ্ধৃতি দিয়ে। অনুষ্ঠান উদ্বোধন কৰি ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিৰিঞ্চি কুমাৰ দাসে দিৱসৰ তাৎপৰ্য, বিজ্ঞানী চি ভি ৰমণৰ জীৱন আৰু কৰ্মৰ ওপৰত মনোজ্ঞ বিশ্লেষণ আগবঢ়ায়। অনুষ্ঠানত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ সহযোগী অৱসৰপ্ৰাপ্ত অধ্যাপক, ড° দিপালী দেৱীয়ে দিৱসৰ প্ৰসংগত বক্তব্য আগবঢ়ায়। ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানৰ পূৰ্বে আৰম্ভণি গীত আৰু অসম সংগীত পৰিৱেশন কৰা হয়। দিৱসৰ স'তে অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ বঁটাসমূহো আজি প্ৰদান কৰা হয়।

# মুখ্যমন্ত্ৰীৰে বৈঠক কেএলঅ'ৰ প্ৰতিনিধিৰ

*এক পৃষ্ঠাৰ পৰা* উল্লেখ্য যে এই সন্দৰ্ভত ইতিমধ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জীৱন সিংহৰ লগত প্ৰত্যক্ষভাৱে বাৰ্তালাপ কৰিছে। মুখ্যমন্ত্ৰীয়ে উগ্ৰপন্থী নেতাজনক আলোচনাৰ বাবে আহ্বান জনাইছে। জীৱন সিংহই কোন স্থানত আলোচনাত বহিব বিচাৰে সেয়াও জানিব বিচাৰিছে; কিন্তু সিংহই সেই কথা স্পষ্ট কৰা নাই। [illegible]

# পথ দুৰ্ঘটনাত থিতাতে মৃত্যু যুৱক-যুৱতীৰ

*এক পৃষ্ঠাৰ পৰা* চকলাটিঙৰ সমীপত বিয়লি প্ৰায় ৩-৩০ বজাত সংঘটিত হয় এক ভয়াবহ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত বাগদত্তাসহ যুৱকৰ থিতাতে মৃত্যু হয়। [illegible]

# ইউক্ৰেইনত আবদ্ধ অসমৰ ১৪৫ ছাত্ৰ

*এক পৃষ্ঠাৰ পৰা* [illegible]

### পুনৰ ১৩ গৰাকী দিল্লীত উপস্থিত

[illegible]

### চৰকাৰক ধন্যবাদ দীপশিখা দাসৰ

**গুৱালকুছিৰ অগ্ৰদূত বাৰ্তা ঃ** [illegible]

### খাৰকীভত বাংকাৰৰ তলত তামুলপুৰৰ ছাত্ৰ-ছাত্ৰী

**গোৰেশ্বৰৰ অগ্ৰদূত বাৰ্তা ঃ** [illegible]

# গামক জনপ্ৰতিনিধি সজাই জনজাতীয়

*এক পৃষ্ঠাৰ পৰা* [illegible]

# চৰম বিপৰ্যয়! ২৪ ঘণ্টাত শেষ হ'ব ইউক্ৰেইনৰ হাস্পতালত

*এক পৃষ্ঠাৰ পৰা* আক্ৰমণকাৰী [illegible]

### চক্ৰ বেষ্টিত ইউক্ৰেইন

[illegible]

# মৰাণত পিষ্টলেৰে মূৰত

*এক পৃষ্ঠাৰ পৰা* আজি দিনৰ ভাগত এই ঘটনা সংঘটিত হয় মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত [illegible]

# আৰক্ষীৰ নিৰ্দেশ অমান্য কৰি

*এক পৃষ্ঠাৰ পৰা* [illegible]

# অসমত ছমাহলৈ বৃদ্ধি আফস্পাৰ

*এক পৃষ্ঠাৰ পৰা* [illegible]

# ডাইনী কাণ্ডত জড়িত পাঁচ

*এক পৃষ্ঠাৰ পৰা* ২০০৮ৰ ১৭ জুলাইত ডাইনীৰ সন্দেহত শোণিতপুৰ জিলাৰ [illegible]

# দুই বন্ধুৱে হত্যা কৰি পুতি

*এক পৃষ্ঠাৰ পৰা* আজি গাঁতত পুতি থোৱা অৱস্থাত পৰা উদ্ধাৰ হয়। [illegible]

# মা, আমি বোমাবৰ্ষণ কৰিছো

*এক পৃষ্ঠাৰ পৰা* [illegible]

### কিয়েভবাসীক চহৰ খালী কৰিবলৈ ক'লে ৰাছিয়াই

[illegible]

# পত্নীক চোকা অস্ত্ৰৰে ঘপিয়াই হত্যা কৰি

*এক পৃষ্ঠাৰ পৰা* [illegible]

# বোমা আক্ৰমণত মৃত্যু ভাৰতীয় ছাত্ৰৰ

*এক পৃষ্ঠাৰ পৰা* এই খেৰ্টোত ইউক্ৰেইনৰ গৱৰ্ণৰ হাউছৰ একেবাৰে পিছফালে অৱস্থিত। [illegible]

### কছ-ইউক্ৰেইন ৰাষ্ট্ৰদূতক তলব ভাৰতৰ

[illegible]

### ত্ৰিবংগা হাতত ল'বলৈ কৈছিল পিতৃয়ে

[illegible]

### ■ পানীখেতি সীমান্তত উত্তেজনা ■ নগাৰ আগ্ৰাসনত শংকিত অসমৰ বাসিন্দা

# নগাই নিৰ্মাণ কৰা গৃহ উচ্ছেদত ব্যৰ্থ অসম আৰক্ষী

**বিশেষ সংবাদদাতা**

**নগাবাট, ১ মাৰ্চ ঃ** যোৰহাট জিলাৰ পানীখেতিৰ নগালেণ্ড সীমান্তত নগাই দ্বিতীয়বাৰলৈ কৌশলপূৰ্ণভাৱে এটি গৃহ নিৰ্মাণৰ যোজা চলোৱা ঘটনাই পুনৰ শংকিত কৰি তুলিছে সীমান্তৱৰ্তী অসমৰ গঞাক। কিয়নো গোঁজেই গজালি মেলাৰ দৰে অসমৰ ভূ-খণ্ড আগ্ৰাসন কৰি দীৰ্ঘদিনৰ পৰা নগাই সীমান্তৱৰ্তী ৰাইজক হাৰাশাস্তি কৰাৰ অলেখ উদাহৰণ আছে। সম্প্ৰতি নগাৰ গৃহ নিৰ্মাণৰ প্ৰস্তুতিক কেন্দ্ৰ কৰি অঞ্চলটোত উত্তেজনা বিৰাজ কৰিছে। উল্লেখ্য যে প্ৰায় ২০ দিনৰ পূৰ্বে পানীখেতি সীমান্তৰ অসমৰ ভূমিত নগাৰ দ্বাৰা নিৰ্মিত এটি গৃহ অসম আৰক্ষীয়ে ভাঙি জ্বলাই দিছিল। অথচ সেই স্থানতে নগাই পুনৰ এটি গৃহ নিৰ্মাণ কৰিবলৈ যোজা অব্যাহত ৰাখিছে যদিও আজিকোপতি অসম আৰক্ষীয়ে সেই গৃহটি উচ্ছেদ কৰিবলৈ তিলমানো সাহস নকৰাত সীমান্তৱৰ্তী ৰাইজো সম্প্ৰতি শংকিত হৈ পৰিছে। আনহাতে, নগাই নিৰ্মাণ কৰা গৃহটো প্ৰশাসনে প্ৰতিদিনেই পৰিদৰ্শনৰ নামত একপ্ৰকাৰ ভেঁকোভাওনা কৰি অহাৰহে অভিযোগ কৰিছে সীমান্তৰ সচেতন ৰাইজে। ইফালে, আজি ঘটনাৰ সন্দৰ্ভত সংবাদ মাধ্যমত সবিস্তাৰে বাতৰি প্ৰকাশ পোৱাৰ পাছতে পুৱা ঘটনাস্থলীত অসম আৰক্ষীৰ লোক উপস্থিত হয়। আগবেলা তিতাবৰৰ মহকুমাধিপতি, তিতাবৰ মহকুমা আৰক্ষী বিষয়া, বৰহোলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া, পানীখেতি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াসহ আৰক্ষীৰ এটা বৃহৎ দলে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰে। সেইদৰে নগালেণ্ড আৰক্ষীৰো কে'বাজনো বিষয়াই সেই স্থানত আহি একে সময়তে উপস্থিত হয়। সংবাদ মাধ্যমক আঁতৰত ৰাখি দুয়োপক্ষই গৃহ নিৰ্মাণস্থলীতে ক্ষন্তেক আলোচনাত মিলিত হয় যদিও কোনো সিদ্ধান্তৰ কথা এই পৰ্যন্ত আৰক্ষীয়ে সদৰী কৰা নাই। নগাই নিৰ্মাণ কৰা গৃহটো অসম আৰক্ষীয়ে ধ্বংস কৰিবলৈ এই পৰ্যন্ত সাহস নকৰা কাৰ্যই অসম আৰক্ষীৰ ফোঁপোলা স্বৰূপটোহে স্পষ্টকৈ উদঙাই দিছে বুলি ক্ষোভ ব্যক্ত কৰিছে সীমান্তৰ সচেতন ৰাইজে। নগালেণ্ড প্ৰশাসনৰ শক্তিশালী দাবীত অসমৰ প্ৰশাসন থমকি ৰ'বলগীয়া হৈছে নেকি বুলিও সম্প্ৰতি প্ৰশ্ন উত্থাপিত হৈছে। একাংশ স্থানীয় লোকে জনায় যে এনেদৰেই ক্ৰমাৎ সীমান্তৰ বহু ভূমি নগাই বলপূৰ্বক আগ্ৰাসন কৰি আহিছে। এতিয়া সেইবোৰ স্থানত কোনোৰে খেতি কৰিলে নগাই 'কৰ' বিচাৰে। অসমৰ প্ৰশাসনৰ সীমান্ত অঞ্চলসমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত নৰম স্থিতিৰ বাবেই নগাই এনেদৰে আগ্ৰাসী ৰূপ ল'বলৈ সাহস পাইছে বুলিও প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে স্থানীয় লোকসকলে। পানীখেতি সীমান্তৰ অসমৰ ভূমিত নগাই এনেদৰে নিৰ্মাণ কৰা অবৈধ গৃহ শীঘ্ৰে উচ্ছেদ কৰি সীমান্তৱৰ্তী ৰাইজৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ অসম চৰকাৰক স্থানীয় লোকসকলে আহ্বান জনায়।



## মঙলদৈত প্ৰধান শিক্ষক হানিফ উদ্দিন আহমেদক সোণৰ আঙঠিৰে বিদায় সম্বৰ্ধনা

### ■ হাতীত উঠাই ঘৰত থৈ আহিল স্থানীয় ৰাইজে

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১ মাৰ্চ ঃ** মঙলদৈৰ নিকটৱৰ্তী বাঘপৰিত অৱস্থিত আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হানিফ উদ্দিন আহমেদে কালি অৱসৰ গ্ৰহণৰ দিনাই তেওঁক বিদ্যালয় শিক্ষক গোট, বিদ্যালয় পৰিচালনা সমিতি, আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনী, বিদ্যালয়ৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, বাঘপৰি শাখা সাহিত্য সভা আদিয়ে গামোচা, শৰাই, জাপি মানপত্ৰ, গ্ৰন্থৰ টোপোলা, ছাতি আদিৰে সম্বৰ্ধনা জনায়। আনহাতে, তেওঁৰ ভ্ৰাতৃসকলে এই বিদায় সম্বৰ্ধনা অনুষ্ঠানতেই এটা সোণৰ আঙঠিৰে তেওঁক সম্বৰ্ধনা জনায়। ১৯৮৬ত বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰূপে যোগদান কৰি তিনিবছৰ প্ৰধান শিক্ষকৰ দায়িত্ব বহন কৰি পাছত এই গুৰু দায়িত্ব এৰি সহকাৰী শিক্ষকৰূপে শিক্ষকতা আৰম্ভ কৰে। সুদীৰ্ঘ ২৭ বছৰ কাল বিনা বেতনে শিক্ষকতা কৰাৰ পাছত ২০১৩ত তেওঁৰ চাকৰি নিয়মীয়া হোৱাতহে দৰমহা লাভ কৰে। মমৰ দৰে নিজে জ্বলি শেষ হৈ আনক পোহৰ দিয়াৰ দৰে শিক্ষক হানিফ উদ্দিন আহমেদে নিজৰ লগতে পৰিয়ালৰ কথা চিন্তা নকৰি অনগ্ৰসৰ আৰু পিছপৰা চৰ চাপৰি অঞ্চলতক জ্ঞানৰ পোহৰ বিলাই জীৱনৰ মূল্যবান সময় নষ্ট কৰে যদিও ছাত্ৰ-ছাত্ৰীসকলৰ মুখৰ ফালে চাই তাতেই পৰম সন্তুষ্টি লাভ কৰে বুলি কয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আমজেদ আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত বিদ্যালয় ভূমি দাতা আব্দুল জলিল, অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ মজিবৰ ৰহমান, নুৰুল ইছলাম মণ্ডল, বান্দিয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী মাহমুদা বেগম, আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰহমত আলী প্ৰমুখ্যে কে'বাগৰাকী শিক্ষক, প্ৰাক্তন ছাত্ৰ, স্থানীয় লোকে সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হানিফ উদ্দিন আহমেদৰ কৰ্মৰাজিৰ শলাগ লয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা খলিলুৰ ৰহমানে আঁত ধৰা সভাত প্ৰধান শিক্ষকজনৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰি ছৈয়দুল ইছলামৰ সম্পাদনাত প্ৰকাশ কৰা 'চানেকি' নামৰ পুস্তিকাখন উন্মোচন কৰে সাংবাদিক সংগঠন 'আপকু'ৰ সভাপতি আব্দুল খালেকে। উল্লেখ্য যে আজিৰ দিনটোতেই অৱসৰ গ্ৰহণ কৰা বিদ্যালয়খনৰ সহকাৰী শিক্ষক দেবানন্দ দাস আৰু ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰা সহকাৰী শিক্ষয়িত্ৰী জোনেশ্বৰী বনিয়াকো ৰাজহুৱাকৈ বিদায় সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে প্ৰধান শিক্ষক হানিফুদ্দিন আহমেদক হাতীত উঠাই স্থানীয় ৰাইজে ঘৰত থৈ আহে।

## নলবাৰীৰ দৌলগোবিন্দপুৰত তিনিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১ মাৰ্চ ঃ** মহাপ্ৰভু শ্ৰীকৃষ্ণৰ শ্ৰীচৰণত আশিস লোৱাৰ মানসেৰে প্ৰতিবছৰৰ দৰে এইবাৰো নলবাৰীৰ দৌলগোবিন্দপুৰত অহা ১৭, ১৮ আৰু ১৯ মাৰ্চত দৌল উৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে যোৱা ২৭ ফেব্ৰুৱাৰীত দৌলগোবিন্দপুৰৰ দৌলখলা প্ৰাংগণত উৎসৱ উদ্‌যাপন সমিতিৰ এটা কাৰ্যালয় উদ্বোধন কৰা হয়। দৌল উৎসৱৰ কাৰ্যালয় উদ্বোধন কৰি দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা দৌলগোবিন্দপুৰ নাগৰিক সমাজৰ সভাপতি নগেন দত্তই কয় যে এই দৌল উৎসৱ নলবাৰীৰ গৌৰৱ, কাৰণ ঐতিহাসিকভাৱে এই দৌল উৎসৱ প্ৰায় ১৫৩ বছৰ আগতে উলহ-মালহেৰে উদ্‌যাপিত হৈছিল। সমগ্ৰ কামৰূপ জিলাৰ লগতে ভূটানৰ লগতো যুক্ত আছিল এই উৎসৱ। দৌল উৎসৱৰ কাৰ্যকৰী সভাপতি ৰূপিন চন্দ্ৰ কলিতাই বন্তি জ্বলাই ৰাইজৰ কুশল কামনা কৰাৰ পাছত চাৰি নম্বৰ ৱাৰ্ডৰ প্ৰাক্তন ৱাৰ্ড কমিছনাৰ নাৰায়ণ বৰ্মন, দৌলগোবিন্দপুৰ নাগৰিক সমাজৰ কাৰ্যকৰী সভাপতি তথা প্ৰধান শিক্ষক বিশ্বজিৎ চৌধুৰী, সমাজকৰ্মী বীৰেন তালুকদাৰ, উমেশ চন্দ্ৰ দাস, অৰূপজ্যোতি দাস, সত্য কলিতা, প্ৰশান্ত দাস, উপেন কলিতাকে ধৰি বহু ব্যক্তিয়ে অংশগ্ৰহণ কৰে। দৌল উৎসৱ উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক দিলজিৎ বৰ্মনে আঁত ধৰা অনুষ্ঠানত বৰ্তমানলৈকে পঞ্জীয়নভুক্ত ২৮৭ টা আজীৱন সদস্য পৰিয়াল আৰু ৰাইজৰ সহযোগ-বৰঙণিত এই দৌল উৎসৱ সফলতাৰে উদ্‌যাপন কৰা হ'ব বুলি আশা প্ৰকাশ কৰে।

## গোৱালপাৰাৰ বালিজানাত বক্তা প্ৰশিক্ষণ বৰ্গ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১ মাৰ্চ ঃ** গোৱালপাৰা জিলা ৭৫ সংখ্যক স্বৰাজ উদ্‌যাপন সমিতিৰ উদ্যোগত বালিজানা গাঁও পঞ্চায়তৰ সভা কক্ষত যোৱা ২৭ ফেব্ৰুৱাৰীত বক্তা প্ৰশিক্ষণ বৰ্গ সম্পন্ন হয়। প্ৰায় অৰ্ধশতাধিক বিশিষ্ট ব্যক্তি উপস্থিত থকা বক্তা প্ৰশিক্ষণ বৰ্গত পৌৰোহিত্য কৰে দীপকানন্দ চৌধুৰীয়ে। বক্তা প্ৰশিক্ষণ বৰ্গৰ উদ্দেশ্য ব্যাখ্যা কৰি জিলা সংযোজক নৱজ্যোতি বৰ্মনে কয় যে অহা ১৫ আগষ্টত আমাৰ দেশৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে বিভিন্ন কাৰ্যক্ৰমণিকাৰে উদ্‌যাপন কৰা হ'ব। অসমত ৭৫ সংখ্যক স্বৰাজ উদ্‌যাপন সমিতিৰ লগতে গোৱালপাৰা জিলাতো স্বৰাজ উদ্‌যাপন সমিতিৰ দ্বাৰা কিছু কাৰ্যক্ৰম হাতত লোৱাৰ পৰিকল্পনা কৰা হৈছে। বক্তা প্ৰশিক্ষণত বৌদ্ধিকৰূপে বক্তব্য আগবঢ়ায় গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰৱক্তা ড° হেমন্ত কলিতা আৰু নগৰবেৰাৰ বি পি চলিহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নিৰ্মল কুমাৰ কলিতাই। বক্তা প্ৰশিক্ষণত বৰ্গৰ সমল ব্যক্তিৰূপে কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° জ্ঞানেন্দ্ৰ বৰ্মনে কয় যে আমি ১৯৪৭ত অকল ৰাজনৈতিক স্বাধীনতাহে পাইছো অৰ্থনৈতিক স্বাধীনতা পোৱা নাই। ভাৰতীয় সভ্যতা পাঁচ হেজাৰ বছৰতকৈ পুৰণি। নতুন প্ৰজন্মক আমি আমাৰ নজনা ইতিহাস জানিবলৈ দিব লাগিব বুলি দোহাৰে বৰ্মনে।

## আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১ মাৰ্চ ঃ** 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' উপলক্ষে যোৱা ২৮ ফেব্ৰুৱাৰীত আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এটি মনোগ্ৰাহী অনুষ্ঠান আয়োজন কৰা হয়। উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ মুখ্য বিজ্ঞানী ড° দীপাংকৰ নেওগে বিজ্ঞান বিষয়ত দৃশ্য-শ্ৰাব্য মাধ্যমত বক্তৃতা প্ৰদান কৰে। বিদ্যালয়ৰ তৰফৰ পৰা তেওঁক এখন গামোচা আৰু এটি কিতাপৰ টোপোলাৰে আদৰণি জনাই অধ্যক্ষ অমৰজ্যোতি বৰঠাকুৰ আৰু উপাধ্যক্ষ দীপালী শইকীয়া গগৈয়ে। অঞ্চলটোৰ কে'বাগৰাকী ব্যক্তি আৰু কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ৰমণ পৰিঘটনাৰ লগতে গণিতৰ আনন্দ আৰু আশ্চৰ্য প্ৰকাশ কৰা বিজ্ঞানীজনৰ ভাষণৰ অন্তত ছাত্ৰ-ছাত্ৰীৰ স'তে অন্তৰংগ আলাপ সম্পন্ন হয়। ছাত্ৰ-ছাত্ৰীৰ ৮৩ টা মডেল প্ৰদৰ্শন কৰা বিজ্ঞান প্ৰদৰ্শনী উদ্বোধন কৰে শিৱসাগৰ জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমল জ্যোতি গগৈয়ে। ইয়াৰ লগতে তৃতীয় কাৰ্যসূচীৰূপে ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰদৰ্শন কৰা বিজ্ঞান বিষয়ক দৃশ্য-শ্ৰাব্য অনুষ্ঠানে দৰ্শক, ছাত্ৰক বিজ্ঞান চেতনা জাগ্ৰত কৰাত যথেষ্ট সহায় কৰে।

## মঙলদৈত পিৰামল ফাউণ্ডেছনৰ 'এনজিঅ' কনক্লেভ সম্পন্ন

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১ মাৰ্চ ঃ** মঙলদৈৰ পিৰামল ফাউণ্ডেছনৰ উদ্যোগত পিছপৰা জিলাৰূপে চিহ্নিত দৰঙক কিদৰে স্বেচ্ছাসেৱী সংগঠনৰ জৰিয়তে আগবঢ়াই লৈ যাব পাৰি সেই উদ্দেশ্যৰে যোৱা ২৮ ফেব্ৰুৱাৰীত মঙলদৈ হোটেল সিদ্ধাৰ্থ পেলেচত 'এনজিঅ' কনক্লেভ' এখন অনুষ্ঠিত হয়। দৰং জিলাৰ অৰ্ধশতাধিক এনজিঅ'য়ে অংশগ্ৰহণ কৰা সভাখনত জিলাখনৰ কে'বাটাও প্ৰতিষ্ঠিত এনজিঅ'য়ে অংশগ্ৰহণ কৰে। পিৰামল ফাউণ্ডেচ্ছনৰ পৰা কে'বাগৰাকী কৰ্মকৰ্তাই চৰকাৰ, পুঁজিদাতাৰ সহযোগত কেনেকৈ, কিদৰে আগবাঢ়িব পাৰি তাৰ ওপৰত বক্তব্য আগবঢ়ায়।



*আগমনীত অনুষ্ঠিত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ অনুষ্ঠান*

## শিমলাত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ১ মাৰ্চ ঃ** পদাৰ্থ বিজ্ঞানত ন'বেল বঁটা বিজয়ী মহান বিজ্ঞানী চন্দ্ৰশেখৰ ভেংকট ৰমণে 'ৰমন পৰিঘটনা' আৱিষ্কাৰৰ দিনটোক ১৯৮৬ৰ পৰা প্ৰতিবছৰে পালন কৰি অহাৰ দৰে সমগ্ৰ দেশজুৰি কালি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰে। এই উপলক্ষে বাগ্‌সা জিলাৰ শিমলাস্থ ককলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়তো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, জালাহ আৰু অসম বিজ্ঞান সমিতি, শিমলা শাখাৰ উদ্যোগত অনুষ্ঠিত সভাত ককলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিক্ৰম কলিতাই আদৰণি ভাষণ আগবঢ়ায়। অসম বিজ্ঞান সমিতিৰ শিমলা শাখাৰ সভাপতি অনিল কুমাৰ ঠাকুৰীয়াই ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালনৰ তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁ ৰমন পৰিঘটনাৰ সংক্ষিপ্ত ব্যাখ্যা আগবঢ়ায়। ইয়াৰ পাছতে 'বহনক্ষম ভৱিষ্যতৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিৰ সমন্বিত অভিগমন' শীৰ্ষক মূল বিষয়বস্তুৰ ওপৰত ব্যাখ্যা দাঙি ধৰি তেওঁ কয় যে বিজ্ঞান আৰু প্ৰযুক্তি কৌশল পৃথিৱীৰ সমস্ত প্ৰাণীকুল আৰু উদ্ভিদকুলৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে ব্যৱহাৰ হোৱা উচিত। বিজ্ঞান-প্ৰযুক্তিৰ আৱিষ্কাৰ কিম্বা উদ্ভাৱনে যাতে এই সুন্দৰ জীৱজগত বাসোপযোগী কৰি ৰখাত সহায়ক হয়, তাৰ বাবে বিজ্ঞানৰ গৱেষণা আৰু উদ্ভাৱনত নিয়োজিত বৰেণ্য ব্যক্তিসকলৰ লগতে সৰ্বসাধাৰণ ৰাইজ তথা ছাত্ৰ-ছাত্ৰীসকলে এই বিষয়ে সজাগ হ'ব লাগিব। সভাত বিষয়বস্তুৰ ওপৰত সংবাদসেৱী হৰিহৰ দাস আৰু বিজ্ঞান শিক্ষক মনজিৎ বড়োৱে অসমীয়া আৰু বড়ো ভাষাত ভাষণ আগবঢ়ায়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, জালাহৰ সমন্বয়ক ভাস্কৰজ্যোতি চৌধুৰীয়ে সমগ্ৰ কাৰ্যসূচীৰ আঁত ধৰাৰ লগতে সভাত শলাগৰ শৰাই আগবঢ়ায়।

## মৰিগাঁৱৰ এজাৰবাৰীত সমবায় সজাগতা সভা



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১ মাৰ্চ ঃ** ভাৰতীয় ৰাষ্ট্ৰীয় সমবায় সংঘ মৰিগাঁও প্ৰকল্পৰ সৌজন্যত আৰু ভাৰত চৰকাৰৰ সহযোগিতা মন্ত্ৰণালয়ৰ অধীনত 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি কালি মৰিগাঁও এজাৰবাৰী আঞ্চলিক ৰাস মণ্ডপত এখন সজাগতা সভা অনুষ্ঠিত হয়। মৰিগাঁও জিলা সমবায় সংঘৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক উপেন চন্দ্ৰ ডেকাই সমবায় পতাকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰাৰ পাছত দুপৰীয়া অনুষ্ঠিত হয় সজাগতা সভা। ভাৰতীয় ৰাষ্ট্ৰীয় সমবায় সংঘ মৰিগাঁও প্ৰকল্পৰ সভাপতি কিৰণ কাকতিৰ সভাপতিত্বত অনুষ্ঠিত 'সহযোগিতাৰ দ্বাৰা সমৃদ্ধি' শীৰ্ষক আলোচনা সভাত নগাঁও সমবায় সমিতিসমূহৰ উপ-পঞ্জীয়ক বিশ্বজিৎ চক্ৰৱৰ্তী, মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ড° ৰিজুস্মিতা শৰ্মা ডেকা, গুৱাহাটীৰ সমবায় পৰিচালনা প্ৰতিষ্ঠানৰ সঞ্চালক ড° সমৰেন্দ্ৰ সিং, মৰিগাঁও সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়ক বিকাশ শৰ্মা, নগাঁও ভোলাগুৰি সত্ৰ সমবায় সমিতিৰ সচিব জনাৰ্দন ৰাজভৰে কৃষি ক্ষেত্ৰখনত সমবায় সমিতিসমূহৰ ভূমিকাৰ ওপৰত ব্যাখ্যা দাঙি ধৰে। মৰিগাঁও প্ৰকল্প বিষয়া মহেশ শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা আৰু জ্যেষ্ঠ সাংবাদিক উপেন চন্দ্ৰ ডেকা, বঘৰা গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি খগেন বৰদলৈ, মৰিগাঁও জিলা গঁও পঞ্চায়ত সমবায় সমিতি সন্থাৰ সম্পাদক দিলীপ ৰাজকুমাৰ, ভূৰবন্ধা সমবায় সমিতিৰ সভাপতি ক্ষিদ্ধেশ্বৰ বৰাকে আদি কৰি উপস্থিত থকা সভাখনত কৃষি ক্ষেত্ৰখনত সামূহিক ঐক্যবদ্ধতাই কিদৰে স্বাৱলম্বিতা আৰু আত্মনিৰ্ভৰশীল হ'ব পাৰি তাৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে বক্তাসকলে।

## ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰীতামণি ফুকন গগৈৰ বিদায় সম্ভাষণ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১ মাৰ্চ ঃ** মহানগৰীৰ পশ্চিম প্ৰান্তৰ ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰীতামণি ফুকন গগৈক যোৱা ২৮ ফেব্ৰুৱাৰীত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী গোট আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত আয়োজন কৰা বিদায় সভাত বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জয়ন্ত কুমাৰ পাটগিৰিৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত শ শ ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ পোহৰ বিলোৱা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীক বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী গোট তৰফৰ পৰা গামোচা, শৰাই, মানপত্ৰ, জাপিৰে সম্বৰ্ধনা জনায়। আনহাতে ২০১৭-১৮ৰ প্ৰাক্তন ছাত্ৰৰ তৰফৰ পৰা গামোচা, চেলেং, মানপত্ৰ, সফুঁৰা, জাপি, কিতাপৰ টোপোলা আদি প্ৰদানেৰে বিদায় সম্ভাষণ জনায় আৰু বিদ্যালয়খনৰ ছাত্ৰ একতা সভাই ফুলাম গামোচা, জাপি প্ৰদানেৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত বিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পলাশ বৈশ্য, প্ৰাক্তন ছাত্ৰ মকিবুৰ আলী, ৰাকেশ দাস, দীপাংকৰ সাউদ, ইয়াদুল হুছেইন, কংকন দাস, মানসজ্যোতি দাস, হিমাংশু দাসকে ধৰি কে'বাগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰী সকলোৱে বিদায়ী শিক্ষয়িত্ৰীগৰাকীৰ পৰা আৰ্শীবাদ লোৱাৰ উপৰি চৰকাৰীভাৱে বিদায় ল'লেও অনাগত দিনত বিদ্যালয়খনৰ শৈক্ষিক উন্নয়নৰ স্বাৰ্থত বিদ্যালয়খনলৈ মাজে-সময়ে আহি সু-পৰামৰ্শ দিবৰ বাবে মকিবৰ আলীয়ে অনুৰোধ জনায়।

## এপাৰ্টৰ উদ্যোগত পথৰুঘাটত দুগ্ধ উৎপাদকৰ প্ৰশিক্ষণ শিবিৰ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১ মাৰ্চ ঃ** অসম চৰকাৰৰ দুগ্ধ উন্নয়ন বিভাগৰ দৰং জিলা দুগ্ধ উন্নয়ন বিভাগৰ সহযোগত গো-পালকসকলৰ পাঁচদিনীয়া প্ৰশিক্ষণ শিবিৰ যোৱা ২৮ ফেব্ৰুৱাৰীত আৰম্ভ কৰা হয়। দৰং জিলাৰ ঐতিহাসিক পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত নগাঁও আৰু বৰহমপুৰ গাঁৱত অনুষ্ঠিত প্ৰশিক্ষণত পুৰুষ আৰু মহিলাসহ মুঠ ৩০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ শিবিৰত উপস্থিত থাকে দৰং জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ ৰঞ্জন শৰ্মা, দুগ্ধ উন্নয়ন বিভাগৰ জিলা সমন্বয়ক ডাঃ দীনেশ চন্দ্ৰ দাস, ডাঃ হীৰামণি দেৱ। প্ৰশিক্ষণৰ সময়ত সমল ব্যক্তিৰূপে প্ৰশিক্ষণ আগবঢ়াব ডাঃ বাহাৰুল ইছলাম আৰু ডাঃ মফিদুল হকে। কাৰ্যসূচী তদাৰক কৰে দৰং জিলা দুগ্ধ উন্নয়ন বিভাগৰ মহচিনুল আহমেদ বৰাই।

## অসমীয়া উপ-ভাষা জীয়াই থাকিলেহে অসমীয়া মান্যভাষা তিষ্ঠি থাকিব ঃ ড° ভাগৱতী

### ■ কাৰাকুছিৰ ইতিহাস গ্ৰন্থ 'কাল বলুকাত খোজ বিচাৰি' উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**সৰ্থেবাৰী, ১ মাৰ্চ ঃ** 'গাঁৱৰ সৃষ্টি কৰে কৃষকসকলে। কৃষক শ্ৰেণীৰ লোকেই বসতিৰ স্থান নিধাৰণ কৰে। সংস্কৃতিৰ কৃষ্টিৰ পথাৰখন সাৰুৱা কৰে কৃষকে। ছাত্ৰই সংস্কৃতিৰ গুৰি ধৰে। শিক্ষকসকলে সংস্কৃতিৰ মূল ৰূপ দান কৰে। কৃষক ছাত্ৰ শিক্ষকসকল গাঁৱৰ মূল সংস্কৃতিৰ ভেটি নিৰ্মাণ কৰোঁতা। অসমীয়া মান্য ভাষা তিষ্ঠি থাকিব তেতিয়ালৈকে যেতিয়ালৈকে ইয়াৰ উপভাষা জীয়াই থাকিব। অসমীয়া ভাষাৰ বৈচিত্ৰ মনকৰিবলগীয়া। উপ-ভাষাৰ সাংঘাতিক শক্তি আছে আৰু উপ-ভাষাৰ পৰাই মান্য ভাষাই শক্তি লাভ কৰে।' এই মন্তব্য গুৱাহাটীৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতীৰ। মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ পদৰেণু ৰঞ্জিত ঐতিহ্যমণ্ডিত কাৰাকুছি গাঁৱৰ মহান ঐতিহ্যক উত্তৰ পুৰুষৰ বাবে সংৰক্ষণ কৰি ৰখাৰ বাবে কাৰাকুছি ইতিহাস প্ৰণয়ন সমিতিয়ে প্ৰণয়ন কৰা কাৰাকুছি গাঁৱৰ সাতশ বছৰীয়া ঐতিহ্যৰ ইতিহাস সম্বলিত গ্ৰন্থ 'কাল বলুকাত খোজ বিচাৰি' যোৱা ২৭ ফেব্ৰুৱাৰীত উছৱমুখৰ পৰিবেশত উন্মোচন কৰি এইদৰে কয় ড° ভাগৱতীয়ে। কাৰাকুছি বৰগোঁসাই ঘৰৰ বৰচোতালত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত ইতিহাস গ্ৰন্থখন উন্মোচন কৰি তেওঁ কয় যে অসমৰ গাঁৱত সু-সংগঠিত, সু-শংখলিত আৰু আত্মনিয়ন্ত্ৰণৰ সমাজ আছে। গাঁৱতে সঁচা অৰ্থত মানুহৰ মৰম-স্নেহ আৰু আত্মীয়তা আছে। গাঁৱৰ পৰিৱেশ প্ৰদুষণমুক্ত আৰু প্ৰাকৃতিক জীয়াই ৰখাৰ প্ৰচেষ্টা আছে। অতীতৰ প্ৰতি শ্ৰদ্ধাশীল, বৰ্তমানৰ প্ৰতি দায়বদ্ধতা আৰু ভৱিষ্যতৰ সপোন দেখা মানুহে সমাজ আৰু দেশৰ কল্যাণৰ কৰিব পাৰে বুলি উল্লেখ কৰি তেওঁ গ্ৰাম্য ভাষাৰ শব্দবোৰেৰে অসমীয়া মান্যভাষাৰ ভঁৰাল চহকী কৰাত গুৰুত্ব দি তেওঁ কয় যে কাৰাকুছি বাসীৰ নিজ গাঁৱৰ ইতিহাসৰ প্ৰতি থকা শ্ৰদ্ধা অতি মহান। অসমীয়া ভাষা-সংস্কৃতিৰ মাধুৰ্য অসীম বুলি উল্লেখ কৰি অধ্যাপক ড° ভাগৱতীয়ে কয় যে গাঁৱৰ ইতিহাস গ্ৰন্থ প্ৰণয়ন কৰি এক নতুন আদৰ্শ ৰচনা কৰিলে কাৰাকুছি গাঁওবাসীয়ে। কাৰাকুছি ইতিহাস প্ৰণয়ন সমিতিৰ সভাপতি গৰ্গনাৰায়ণ পাঠকৰ সভাপতিত্বত গ্ৰন্থ উন্মোচনী সভাত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দিবাকৰ কুমাৰ ডেকাই কয় যে আমি অসমীয়া সমাজৰ স্বকীয়তা ৰক্ষা কৰাৰ বাবে সাজ-পোছাক, মাত-কথাত নিজেই মৰ্যাদা নিদিলে আনে নিদিয়ে। তেওঁ বক্তৃতাৰ সলনি হাতে-কামে জাতিটোৰ হকে কাম কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে অসমীয়া ভাষা সংস্কৃতি সংকটৰ পৰা মুক্ত কৰি বিশ্ব দৰবাৰলৈ নিয়াৰ চেষ্টা কৰিব লাগিব। সভাত ভবানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মাই কয় যে আমাৰ গাঁৱৰ পথাৰত উৰ্বৰতা নোহোৱা হ'ল। খেতি পথাৰবোৰ সংকুচিত হ'ল আৰু মানুহৰ হৃদয়বোৰৰ গতি স্তবিৰ হ'ল। তেওঁ কয় যে নিজৰ শিপাৰ প্ৰতি জনাৰ সময় নোহোৱা সময়ত কাৰাকুছিবাসীয়ে নিজস্ব চিন্তা চেতনাৰে শিপাৰ সন্ধান কৰি গাঁওখনক পুনৰ উৰ্ব্বৰ কৰি নতুন শক্তিৰে গতি প্ৰদানৰ প্ৰয়াস কৰিছে। সভাত বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰই কয় যে প্ৰত্যেকখন গ্ৰন্থৰ আঁৰত মানুহৰ লগতে এটা জাতি আৰু জাতিৰ সংস্কৃতি থাকে। সভাত বাপুজী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ দাসে সন্মানীয় অতিথিৰ ভাষণ দিয়ে। গ্ৰন্থ উন্মোচনী সভা উদ্বোধন কৰে অসম অসামৰিক সেৱা তথা কাৰাকুছিৰ সু-সন্তান প্ৰফুল্ল চন্দ্ৰ শৰ্মাই। ইতিহাস প্ৰণয়ন সমিতিৰ সম্পাদক গুণজিৎ চৌধুৰীয়ে আদৰণি ভাষণ আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সৰ্থেবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ত্ৰিদীৱ কুমাৰ কোঁৱৰ, নিৰ্বাচনী বিষয়া ময়ুৰাক্ষী দত্ত উপস্থিত থাকে। গাঁওখনৰ ইতিহাস গ্ৰন্থ উন্মোচনী অনুষ্ঠান উপলক্ষে গাঁওখনত এক উখল-মাখল পৰিৱেশ বিৰাজ কৰে। ইতিহাস গ্ৰন্থ উন্মোচনী অনুষ্ঠান উপলক্ষে গাঁওখনৰ ৰাইজ গাঁৱৰ প্ৰৱাসী লোকসকলৰ এক মহামিলন ঘটে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ পুৱা পতাকা উত্তোলন কৰে কাৰাকুছি ইতিহাস প্ৰণয়ন সমিতিৰ সভাপতি গৰ্গনাৰায়ণ পাঠকে। ইয়াৰ পাছতে হৰেকৃষ্ণ তালুকদাৰে স্মৃতিতৰ্পন অনুষ্ঠানত মুখ্য তৰ্পক আৰু গাঁওখনৰ আন আঠগৰাকী বিশিষ্ট ব্যক্তিয়ে তৰ্পকৰূপে অংশগ্ৰহণ কৰে। বৃক্ষৰোপণ কৰে কাৰাকুছি ইতিহাস প্ৰণয়ন সমিতিৰ উপ-সভাপতি হৰগোবিন্দ ডেকাই। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে ঘিলাঝাৰী সত্ৰ ৰহাৰ সত্ৰাধিকাৰ দ্বীপেন্দ্ৰ নাৰায়ণ অধিকাৰীয়ে। পাছত কাৰাকুছি গাঁৱৰ আৱাসী আৰু প্ৰৱাসীসকলৰ মাজত 'অন্তৰংগ আলাপ আৰু সম্বৰ্ধনা অনুষ্ঠান' অনুষ্ঠিত হয়। অনুষ্ঠানৰ আঁত ধৰে সুৰেশ শৰ্মা, নিজৰা তালুকদাৰ আৰু মৃণাল মেধিয়ে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ উপস্থিত থাকে। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছত সন্ধিয়া সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ মুকলি কৰে বিশিষ্ট অভিনেত্ৰী চেতনা দাসে আৰু অনুষ্ঠান উদ্বোধন কৰে বিশিষ্ট শিল্পী মহেশ্বৰ তালুকদাৰে।

## মৰাণত চাহ মজদুৰ ছাত্ৰ-ছাত্ৰীলৈ মজদুৰ সংঘৰ শিক্ষামূলক সাহায্য

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১ মাৰ্চ ঃ** অসম চাহ মজদুৰ সংঘ মৰাণ শাখাৰ তৰফৰ পৰা প্ৰতি বছৰৰ দৰে ২০২১ৰ বাবে আবেদন কৰা চাহ মজদুৰ ছাত্ৰ-ছাত্ৰীলৈ শিক্ষামূলক সাহায্য বিতৰণ কৰা হয়। শাখা সংঘৰ অন্তৰ্ভুক্ত চাহ বাগিচাসমূহৰ ২০২১ত উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিকত আৰু ডিগ্ৰীৰ প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ উপৰি বিশ্ববিদ্যালয়, কাৰিকৰী বিভাগ আৰু জিএনএম নাৰ্ছত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষামূলক সাহায্য বিতৰণ কৰা হয়। ২০২১ত আবেদন কৰা মুঠ ৪৩৪ গৰাকী ছাত্ৰ-ছাত্ৰীৰ প্ৰথম পৰ্যায়ত ৩২৮গৰাকী আৰু দ্বিতীয় পৰ্যায়ত ১০৬গৰাকী চাহ মজদুৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মুঠ ১,৮৩,৩০০ টকা শিক্ষামূলক শিতানত বিতৰণ কৰা হয়। শাখা সংঘৰ সভাগৃহত অনুষ্ঠিত সাহায্য বিতৰণ অনুষ্ঠানত শাখা সংঘৰ জ্যেষ্ঠ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ আগত শ্ৰমিকৰ সমৰ্থন আৰু দান-বৰঙণিৰে চলি থকা অসম চাহ মজদুৰ সংঘৰ বিষয়ে উল্লেখ কৰাৰ উপৰি দান-বৰঙণিৰ এটি অংশ অন্যান্য উন্নয়নমূলক কাম-কাজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাগ্ৰহণত সকাহ দিবলৈ শাখা সংঘই শিক্ষামূলক আঁচনি গ্ৰহণ কৰা বুলি উল্লেখ কৰে। সভাত নিমন্ত্ৰিত অতিথিৰূপে মৰাণ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহযোগী অধ্যাপক ড° ৰাজীৱ হাজৰিকাই শ্ৰমিক সংগঠনৰূপে অসম চাহ মজদুৰ সংঘই শিক্ষা বিস্তাৰৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদগনি দিবলৈ শিক্ষামূলক সাহায্য আগবঢ়োৱাত সন্তুষ্টি প্ৰকাশ কৰে। সভাত মৰাণ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক আত্মাৰাম কুমাৰে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি শিক্ষাৰ প্ৰয়োজনীয়তা, শুদ্ধ চিন্তাৰে অধ্যয়ন কৰা, অধ্যয়নৰ বাবে কঠোৰ পৰিশ্ৰম কৰা দৃঢ়তা, লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। সভাত শাখা সংঘৰ সভাপতি মনোজ তাঁতী, সহকাৰী সম্পাদক প্ৰমোদসিং তাঁতী, হিচাপ ৰক্ষক অজয় মিঞ্জ, সংগঠক ধীৰাজ তাঁতী আৰু কম্পিউটাৰ কৰ্মী দীপিকা দত্তয়ো অংশগ্ৰহণ কৰে।




## অলপ হাঁহো আহা

মাজনিশা এজন দোকানীৰ ঘৰৰ টেলিফোন বাজি উঠিল। দোকানীজনে ফোন ধৰাৰ লগে লগে সিফালৰ পৰা এজন ব্যক্তিৰ মাত ভাহি আহিল।

**ব্যক্তি ঃ** হেল্লো, আপোনাৰ দোকানখন কাইলৈ কিমান সময়ত খুলিব?

দোকানীজনে '১০ বজাৰ আগতে খুলিব' বুলি ফোনটো থৈ দিলে। আধা ঘণ্টামানৰ পাছত পুনৰ ফোন বাজিল। টোপনি ভঙাত সামান্য বিৰক্তিৰে দোকানীয়ে ফোন ধৰিলে।

**দোকানী ঃ** হেল্লো!

**ব্যক্তি ঃ** আপোনাৰ দোকান ঠিক কিমান সময়ত খুলিব বাৰু?

**দোকানী ঃ** পুৱা ঠিক চাৰে নবজাত খুলিব।

কিছু সময়ৰ পাছত ফোনটো পুনৰ বাজিল। এইবাৰ দোকানীজনে খঙত একোনাই হৈ ক'লে—

**দোকানী ঃ** আপুনি বাৰু এই নিশাখন বাৰে বাৰে ফোন কৰি কিয় একেটা কথাই সুধি আছে?

**ব্যক্তি ঃ** আচলতে আপোনাৰ দোকানখন বন্ধ দেখি মই বস্তু দুটামান ল'বলৈ দোকানৰ ভেণ্টিলেটৰেদি ভিতৰ সোমাইছিলো। এতিয়া দোকানৰ পৰা ওলাব নোৱৰা হ'লো।

## হকা-বধাৰ আশীৰ্বাদ



**আমি** ডাঙৰসকলে তোমালোকক ইটো নকৰিবা, সিটো নকৰিবা, এইটো কৰিব নাপায়, সেইটো কৰিব নাপায় বুলি প্ৰায়ে আমনি কৰো। এনে ধৰণৰ কথা শুনি তোমালোকে আমাক বেয়া পাই কেতিয়াবা খঙো কৰা। আমাৰ কথা নুশুনিলে আমিও তোমালোকক খং-ৰাগ কৰো, গালি-শপনি দিওঁ।

এতিয়া আহাচোন ডাঙৰসকলে তোমালোকক কৰা হকা-বধাবোৰৰ কাৰণ কি তোমালোকৰ লগতে আলোচনা কৰো।

তোমালোকে নিশ্চয় জানা যে আমি বাস কৰা সমাজখন কিছুমান নীতি-নিয়মৰ মাজেৰে চলে। সমাজৰ কিছুমান বিশ্বাস আৰু আদৰ্শও আছে। যেনে ভগৱানৰ প্ৰতি থকা ভাব আমাৰ বিশ্বাস আৰু ডাঙৰৰ প্ৰতি থকা ভক্তি আমাৰ আদৰ্শ। সমাজৰ নীতি-নিয়ম মানি আৰু আদৰ্শ ৰক্ষা কৰি চলাকেই নৈতিকতা বুলি কয়। যেতিয়া সমাজৰ নীতি-নিয়ম আৰু আদৰ্শৰ পৰা মানুহ পিছলি পৰে তেতিয়াই নীতি-বিৰোধিতা কৰা হয় বা অনৈতিক কাম কৰা বুজায়। তেনে অৱস্থাত এজন মানুহক সমাজে আদৰি নলয়।


আমি প্ৰত্যেকেই আমাৰ সমাজৰ উন্নতি কামনা কৰো নহয় জানো? সেয়ে আমি কোনোৰে অসামাজিক কাম কৰিব নোৱাৰো। যিহেতু আমি তোমালোকতকৈ ডাঙৰ সেয়ে তোমালোকৰ আচৰণ নিয়ন্ত্ৰণ কৰাটো আমাৰ নৈতিক কৰ্তব্য। তোমালোক এতিয়া সৰু হৈ আছা। ভাল-বেয়া, উচিত-অনুচিত, ন্যায়-অন্যায় ভালকৈ বিচাৰ কৰিব পৰা হোৱাগৈ নাই। সেয়ে অন্ধৰ হাতৰ লাখুটিডালৰ দৰে তোমালোকক আমি পথ দেখুৱাব লাগিব। বৰ্তমান আমাৰ হকা-বধাবোৰেই তোমালোকৰ লাখুটি স্বৰূপ। এইবোৰৰ ওপৰত ভৰ দিহে তোমালোকে ভালকৈ চলিব পাৰিবাহক। ডাঙৰৰ শাসন মানি চলিব পাৰিলেহে তোমালোকে সমাজৰ নীতি-নিয়ম, বিশ্বাস আৰু আদৰ্শৰ কাষ চাপিবলৈ পাৰিবা। সেয়ে আমাৰ হকা-বধা, খং-ৰাগ আৰু গালি-শপনি তোমালোকৰ বাবে আশীৰ্বাদহে। তোমালোক প্ৰত্যেকে আমাৰ আন্তৰিক আশীৰ্বাদ নিবিচৰা জানো?

### কবিতা


## স্বৰবৰ্ণৰ ধেমালি

**দিগন্ত বৈশ্য**

'অ'ই ক'লে অমিতা
খালে পাবা মিঠা,
'আ'ই ক'লে আম মই
ফলৰহে ৰজা।
'ই'য়ে ক'লে ইন্দ্ৰ হেনো
স্বৰ্গৰ অধিপতি,
'ঈ'য়ে ক'লে ঈশান যে
দিশৰহে নাম এটা
'উ'য়ে বোলে উট হেনো
মৰুভূমিত থাকে,
'ঊ'য়ে বোলে ঊলেৰে
চুৰেটাৰ গুঠে।
'ঋ'য়ে বোলে ঋষিয়ে
তপ জপ কৰে,
এয়ে বোলে এলেঙিৰে
মাছহে ধৰে।
'ঐ'য়ে বোলে ঐৰাৱত
ইন্দ্ৰৰ বাহন হয়,
'ও'য়ে বোলে ওলকবি
পাচলিহে হয়।
'ঔ'য়ে বোলে ঔ টেঙা
মাছৰ লগত খায়
অকণিহঁতে অ-ফলা
খৰ খৰকৈ গায়।



*সম্প্ৰীতি শৰ্মা, তৃতীয় শ্ৰেণী, ছেইন্ট ফ্ৰান্সিছ দে ছালেচ উচ্চ বিদ্যালয়।*



*ধৃতিমান বসুমতাৰী, দ্বিতীয় শ্ৰেণী।*

## কণমানি বুলবুলিৰ কাহিনী

**গায়ত্ৰী দেৱী বৰঠাকুৰ**



কণমানি বুলবুলি এইকেইদিন আনন্দতে একেবাৰে পখিলা হৈ উৰি আছে। নহ'ব নো কিয়? কিমান দিনৰ মূৰত যে তাই ককাক- আইতাকক লগ পাইছে। দুবছৰ ধৰি বুলবুলিয়ে ককাক আইতাকক লগ পোৱা নাই। কৰ'নাৰ বাবে গোটেই বিশ্বজুৰি তলাবন্ধ। ওচৰৰ ঠাই হ'লে লগ কৰি আহিবগৈয়ে পাৰি। বুলবুলিৰ পেহীয়েকৰ ছোৱালী পাহিয়ে যোৰহাটৰ পৰা গৈ ককাক- আইতাকক লগ কৰি আহিলে বুলি তাইক ফোনত পাহিয়ে কোৱাৰ পৰা বুলবুলিৰ মনে আৰু নসহা হ'ল। ইমান দিন তাই কোনোমতে মনটো বান্ধি আছিলে। এতিয়া পাহি যোৱাৰ কথা শুনি তাইৰ গাত তৎ নোহোৱা হ'ল। বুলবুলিয়ে মাক- দেউতাকক কুটুৰিবলৈ ধৰিলে, 'মা, শুনিছা । কিমান দিন আৰু এনেকৈ ককাক- আইতাক লগ নকৰাকৈ থাকিম কোৱাচোন? এতিয়া মোৰ পৰীক্ষাও শেষ হ'ল। দেউতা, লৈ ব'লাচোন আমাক ঘৰলৈ। বৰ মন গৈছে দেউতা। ভিডিঅ' কলত সকলোকে দেখি থাকো যদিও লগ পালেহে ভাল লাগে মা। যাম দেই আমিও ককা- আইতাৰ ঘৰলৈ।'

বুলবুলিয়ে এনেদৰে বহুদিন মাক - দেউতাকক কুটুৰি থাকিল। আচলতে মাক-দেউতাকৰো যাবলৈ মন আপোন ঘৰখনলৈ। পাৰ হৈ যোৱা দুবছৰত তেওঁলোকে কৰ'নাৰ বাবে ঘৰৰ পৰাই কাম কৰিলে, এতিয়া অফিচবোৰ খুলিছে। সহজতে ছুটী পোৱাটো টান। তাৰ উপৰি বুলবুলিৰ স্কুলো খুলিছে। অৱশ্যে তাইৰ পৰীক্ষা হৈ গৈছে। তথাপি। কিন্তু সাতবছৰীয়া বুলিবুলিয়ে এইবোৰ বুজে ক'ত এতিয়া। মাক-দেউতাকে কোনোমতে অফিচৰ পৰা দুসপ্তাহৰ ছুটী ল'লে আৰু তিনিও আহি পালেহি আপোন চহৰ তেজপুৰলৈ, সুদূৰ অষ্ট্ৰেলিয়াৰ পৰা।

ককাকৰ ঘৰ আহি পোৱাৰে পৰা বুলবুলিৰ আৰু তৰণি নাই। ইমান দিনৰ মূৰত লগ পাইছে ককাক-আইতাকক। প্ৰাণ খুলি কথা পাতিছে আৰু । মনৰ সকলো কথা কৈছে ককাক- আইতাকক। এনেয়ে ফোনত কথাবোৰ কৈ থাকে যদিও মুখামুখিকৈ কথা পতাৰ আমেজেই বেলেগ। বুলবুলি যেতিয়া তাইৰ পাঁচ বছৰত তেজপুৰলৈ আহিছিল তেতিয়া তেজপুৰৰ বিভিন্ন ঠাই ফুৰাৰ কথা তাইৰ অলপ-অলপ মনত আছে । এতিয়া তাই সকলোকে কৈ আছে তাইক তেজপুৰখন আকৌ দেখুৱাব লাগে। বুলবুলিৰ কথাত সকলো সন্মত হ'ল। তাতে বুলবুলিহঁত অহাৰ বাবে পাহিহঁতো আহিব যোৰহাটৰ পৰা । গতিকে কোনে পায় আৰু বুলবুলিক। এইকেইদিন ককাক- আইতাক নাইবা মাক-দেউতাকৰ লগতে তেজপুৰৰ বিভিন্ন ঠাই ফুৰিছে, আত্মীয়- স্বজনৰ ঘৰলৈ গৈছে। পিছে আপোন মানুহৰ ঘৰত ফুৰিবলৈ গ'লে বুলবুলিৰ এটা সমস্যা হৈছে । এই সমস্যাটো হ'ব বুলি বুলবুলিয়ে একেবাৰে ভবাই নাছিলে। এতিয়া এই সমস্যাটো কেনেকৈ সমাধান কৰা যায় তাক লৈহে চিন্তা কণমানি বুলবুলি। আচলতে বুলবুলিহঁত অষ্ট্ৰেলিয়াত থাকে বুলি জনা আপোন মানুহবোৰে ভাবি লৈছে কণমানি বুলবুলিয়ে নো ক'ত অসমীয়া কব পাৰিব? বুলবুলিক দেখাৰ লগে লগে ইংৰাজী বা হিন্দী ক'ব পৰা সকলে তাইক ইংৰাজী নাইবা হিন্দীতে কথাবোৰ সুধিছে। এই দুটা ভাষা নজনাসকলে বয়োজেষ্ঠসকলে তাইৰ ফালে চাই হাঁহে আৰু কথা পাতে মাক- দেউতাক নাইবা ককাক-আইতাকৰ লগতহে । কণমানি বুলবুলিৰ খঙ উঠে। তাই পাহি বাক তাই ফোনত সুধিলে, 'তোমাৰ লগত আলহীৰ ঘৰত মানুহে কি ভাষাত কথা পাতে পাহি বা?' 'অসমীয়াত আকৌ । তোমাক কি ভাষাত সুধিছে নো?' 'এহ, নকবা আৰু পাহি বা আমি বাহিৰত থাকো বাবে মই অসমীয়া নাজানো বুলিয়েই ধৰি লৈছে জনা সকলোৱে। কি যে হ'ব আৰু? মোৰ পিছে খঙেই উঠিছে তোমাক সোধে অসমীয়াত আৰু মোক সোধে ইংৰাজী বা হিন্দীত।' 'অ' বুজিছো বুলবুলি, তুমি যে ইমান সলসলীয়াকৈ অসমীয়া ক'ব পাৰা, মানুহবোৰেনো এই কথা কেনেকৈ জানিব বাৰু । তাতে তুমি এতিয়া অসমীয়া বৰ্ণমালাও শিকি আছা।

একো নহয় বুলবুলি। মন বেয়া নকৰিবা দেই। কালিলৈৰ পৰা তুমি অসমীয়াতে কথা পাতিবা দেই আলহীৰ ঘৰত। দুদিনমান বুলবুলিয়ে বাধ্যত পৰি ইংৰাজীতে আলহীৰ ঘৰত কথা পাতিছিলে যদিও পাছদিনা পাহি বাৰ কথামতে ওচৰৰ এঘৰত ফুৰিবলৈ যাওঁতে তাই যেতিয়া এই সমস্যাৰ সন্মুখীন হ'ল তাই আৰু ৰৈ থাকিব নোৱাৰিলে। কণমানি বুলবুলিয়ে কৈয়ে দিলে, 'খুৰী , মই অসমীয়াতে কওঁ দেই।'

'বাঃ , বুলবুলি, তুমি অসমীয়া জানা নেকি? মই আকৌ তুমি অসমীয়া নাজানা বুলিয়েই ভাবিলো। আমাৰ ইয়াৰ ল'ৰা-ছোৱালীয়েই চোন অসমীয়া নকয় আজিকালি। তুমি বাহিৰত থাকিও কিন্তু বৰ ভাল কাম কৰিছা দেই। বৰ ভাল কাম।' 'অ' খুৰী। মোক অসমীয়া মা- দেউতাক, ককা- আইতা, পেহী-পেহা আৰু পাহী বায়েই শিকাইছে। পাহীবাৰ লগত মই কবিতাৰ আবৃত্তিৰ শিকিছো। অনলাইন। মই ভাল পাওঁ আমাৰ ভাষাটো। ইমান সুৰীয়া, ইমান শুৱলা। আমাৰ ৰসৰাজে কোৱাৰ দৰে, 'অমাতৰ মাত', যেন। আৰু এইকেইদিন মই অসমীয়া ভাষাৰ বহুত কথা শিকিলো, খুৰী । জানে খুৰী, আজি 'বিশ্ব মাতৃভাষা দিৱস' বুলি মই এটা কবিতা লিখিলো। অসমীয়াতে। মোৰ মাতৃ মানে মাৰ ভাষা অসমীয়া। মই বাৰু নিশিকাকৈ কেনেকৈ থাকিম খুৰী? ১৯৯৯ ৰ ১৭ নৱেম্বৰত ইউনেস্ক'ই এই দিৱসৰ কথা ঘোষণা কৰে। বিশ্বৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাতৃভাষাৰ সুৰক্ষাৰ প্ৰতি সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়, খুৰী।' 'বাঃ , আমাৰ বুলবুলি চোন বৰ ভাল ছোৱালী। ইমান কথা জানে। বাৰু তুমি লিখা কবিতাটো মোক গাই শুনাবা নেকি বাৰু।' 'অ' খুৰী, আপুনি ইমান ভাল। মোক ইমান মৰম কৰিছে। ৰ'বদেই খুৰী, মই মনত পেলাই লওঁ। এনেতে খুৰীয়েকৰ ৰুমটোলৈ বাকী সকলো মানুহো সোমাই আহিল। সকলোকে নমস্কাৰ জনাই বুলবুলিয়ে 'বিশ্ব মাতৃভাষা দিৱস' উপলক্ষে তাই লিখা কবিতাটো গাবলৈ আৰম্ভ কৰিলে—

'মোৰ নাম বুলবুলি।
ভাল লাগে নাচি-বাগি
নীলা আকাশত ।
নামি আহো পৃথিৱীলৈ
আপোনমনে উলাহত।
গাওঁ মই সুৰীয়া গান।
ভালপাওঁ মোৰ ভাষা সুৰীয়া ইমান।
আপোন ভাষাত পাতো মই প্ৰাণৰ কথা।
সকলোৱে ভালপায় জানা নিজৰ মাতৃভাষা।
মোৰ নাম বুলবুলি
নাচি আৰু কবিতা লিখি।'

বুলবুলিৰ কবিতা শুনি সকলো আনন্দিত হ'ল। খুৰীয়েকেও বুলবুলিয়ে ভালপোৱা পিঠা বনাই খুৱালে তাইক। আহিবৰ সময়ত তাইক এটা সুন্দৰ কলম উপহাৰ দি খুৰীয়েকে ক'লে, 'আজি বিশ্ব মাতৃভাষা দিৱস'ৰ দিনা ইমান ধুনীয়া কবিতা এটা শুনালা আমাক। এইটো লোৱা। আৰু ধুনীয়া-ধুনীয়া কবিতা লিখিবা। আৰু আকৌ অসমলৈ আহিলে আমাৰ ঘৰলৈ আহিবা দেই । মোলৈ ফোন কৰিবা দেই বুলবুলি।' খুৰীয়েকৰ পৰা ইমান ধুনীয়া এটা উপহাৰ লাভ কৰি বুলবুলি বৰ সুখী হ'ল। আজিৰ দিনটো তাইৰ মনত ৰাখিবৰ বাবে তাই ডায়েৰীত লিখি থ'ব বুলি ভাবিলে আৰু খুৰীয়েকক ধন্যবাদ জনাই ফোন কৰিব বুলি কৈ বিদায় ল'লে। আহিবৰ পৰত খুৰীয়েক গৰাকীক চুমা এটা দি ক'লে, 'খুৰী, চুমাটো অসমীয়াতে দিছো দেই। মিঠা মিঠা লাগিছেনে।'


বুলবুলিৰ কথাত সকলোৱে খুব হাঁহি উঠিল । সকলোৱে বুলবুলিক আশীৰ্বাদ দিলে। এনেতে পাহিবাহঁত আহি পালেহি বুলি আইতাকে ফোন কৰিলে।

বুলবুলিক আৰু কোনে পায়। ইমান দিনৰ মূৰত পাহিবাক লগ পাব। বহুত কথা আছে তাইৰ পাহিবাৰ স'তে পাতিবলৈ। তাতে আজিৰ কথাখিনিৰ লগতে কবিতাটো পাহিবাক গাই শুনাবলৈ আছে। কণমানি বুলবুলিয়ে একে দৌৰে আহি গাড়ীত বহিলেহি। দেউতাকক ক'লে, 'ব'লা দেউতা। ব'লা। বহুত কথা আছে মোৰ পাহিবাৰ লগত।' কণমানি বুলবুলি আকৌ উৰিলে পাখিলাহি পখিলা হৈ, আপোন মনে, নীল আকাশত।

## শীতকালীন ত্ৰিভুজ আৰু ষষ্ঠভুজক চিনি থওঁ

**ড° ইন্দিৰা বৰদলৈ**

**আমি** আটায়ে ফৰকাল আকাশত জিলিকি থকা গ্ৰহ-নক্ষত্ৰ চাই বৰ ৰং পাওঁ। খালী চকুৰে দেখা পোৱা প্ৰায় ন হেজাৰ তৰাৰ কেইটামান বেচ উজ্জ্বল। অলপ মন কৰিলেই শীতকালত উত্তৰ গোলাৰ্দ্ধত ডিচেম্বৰৰ পৰা মাৰ্চলৈকে সন্ধ্যা সময়ত দক্ষিণ-পূব দিশত এডাল লাইনত ওচৰা-উচৰিকৈ থকা, কিছু উজ্জ্বল তিনিটা সৰু সৰু তৰা স্পষ্টকৈ দেখা পোৱা যায়। সেই কেইটাক অৰায়ণ পেটি বোলা হয়। অৰায়ন পেটিৰ কাষৰতে থকা তিনিটা বেচ উজ্জ্বল নক্ষত্ৰক লৈ গঠিত শীতকালীন ত্ৰিভুজ নক্ষত্ৰপুঞ্জ। নক্ষত্ৰ তিনিটাৰ নাম চিৰিয়াচ, বেটেলগুজ আৰু প্ৰচায়ন; এটা যেন সমবাহু ত্ৰিভুজৰ তিনিটা কোণত অৱস্থিত। এই তিনিটা নক্ষত্ৰক চিনি উলিয়াবলৈ হ'লে, অৰায়ন পেটি ডালৰ পোনে পোনে ঠিক দক্ষিণ-পূব দিশত দেখা উজ্জ্বল তৰাটোৰেই চিৰিয়াচ। চিৰিয়াচৰ বাওঁফালে কিছু ওপৰত দেখা উজ্জ্বল তৰাটো হৈছে প্ৰচায়ন, বেটেলগুজ থাকে অৰায়ন পেটিৰ আটাইতকৈ পূবফালে থকা তৰাটোৰ ঠিক ওপৰ ফাললৈ।



চিৰিয়াচ নক্ষত্ৰটো, আকাশত আমি যিমান তৰা দেখো তাৰ ভিতৰত আটাইতকৈ উজ্জ্বল। ইয়াৰ ৰং নীলাভ বগা। ফৰকাল আকাশত ই জিলিকি থাকে। প্ৰচায়ন হৈছে উজ্জ্বলতাৰ ফালৰ পৰা অষ্টম স্থানত। ইয়াৰ ৰং হালধীয়া-বগা। বেটেলগুজ হৈছে উজ্জ্বলতাৰ ফালৰ পৰা দশম স্থানত। ইয়াৰ ৰং ৰঙচুৱা। বিভিন্ন নক্ষত্ৰৰ উপৰি ভাগৰ উষ্ণতাৰ ওপৰত নিৰ্ভৰ কৰি সিহঁতৰ ৰং বেলেগ বেলেগ হয়। ৰঙা নক্ষত্ৰবিলাকৰ উষ্ণতা কম আৰু যিমানেই বগা-নীলাভ হৈ পৰে, সিহঁতৰ উষ্ণতা অধিক হয়।

চিৰিয়াচ, বেটেলগুজ আৰু প্ৰচায়ন যদিও আমাৰ পৰা বিভিন্ন দূৰত্বত থাকে, সিহঁতৰ স্থিতি এনে দিশত যে সিহঁতক একেখন সমতলতে থকা এটা সমবাহু ত্ৰিভুজৰ তিনিটা কোণত অৱস্থিত যেন বোধ হয়। সেয়ে একেলগে এই নক্ষত্ৰপুঞ্জক শীতকালীন ত্ৰিভুজ বোলা হয়।

শীতকালত দক্ষিণ-পূব আকাশত আমি আঠোটা তৰাৰে গঠিত শীতকালীন ষষ্ঠভুজো দেখা পাওঁ। ষষ্ঠভুজক কাল্পনিক ছয়ডাল বাহুৰ ছটা কোণত বেচ উজ্জ্বল ছটা তৰাৰ অৱস্থান কৰে। শীতকালীন ত্ৰিভুজৰ চিৰিয়াচ আৰু প্ৰচায়ন ষষ্ঠভুজৰ দুটা কোণত আৰু বেটেলগুজ ষষ্ঠভুজৰ প্ৰায় কেন্দ্ৰত অৱস্থিত। আন পাঁচটা উজ্জ্বল নক্ষত্ৰ ৰিগেল, এলডিকৰান, কেপেলা, পলাক্স, কেষ্টৰক চিনাক্ত কৰিবলৈ হ'লে পুনৰ অৰায়ন পেটিৰ সহায় ল'ব লাগিব। পেটিডালৰ যিফালে ৰঙা বেটেলগুজ থাকে, তাৰ ঠিক বিপৰীত দিশত চালে উজ্জ্বল ৰিগেলক দেখা যায়। নীলাভ-বগা ৰঙৰ ৰিগেল উজ্জ্বলতাৰ ফালৰ পৰা সপ্তম স্থানত। অৰায়ন পেটিডালক সোঁফাললৈ কাল্পনিকভাৱে টানি নিলে যিটো উজ্জ্বল ৰঙচুৱা-কমলা ৰঙৰ তৰা জিলিকি থাকে, সেইটোৱেই হৈছে এলডিবাৰাণ। উজ্জ্বলতাৰ ফালৰ পৰা ই চতুৰ্থ-দশম স্থানত। এলডিবাৰানৰ পূব দিশৰ ওপৰফাললৈ আছে ষষ্ঠতম উজ্জ্বল নক্ষত্ৰ হালধীয়া ৰঙৰ কেপেলা।

শীতকালীন ষষ্ঠভুজৰ বাকী দুটা পলাক্স আৰু কেষ্টৰ প্ৰচায়নৰ ওপৰলৈ থাকে। পলাক্স আৰু কেষ্টৰক যমজ নক্ষত্ৰ হিচাপে গণ্য কৰা হয়। কিয়নো যদিও সিহঁত দুটাৰ মাজৰ দূৰত্ব প্ৰকৃততে বহু বেছি, দুয়োটা তৰাৰ দিশৰ বাবে সিহঁতক ওচৰা-উচৰিকৈ জিলিকি থকা দেখা যায়। উজ্জ্বলতাৰ ফালৰ পৰা পলাক্স সোতৰতম আৰু কেষ্টৰ ২৪তম্ স্থানত। পলাক্স কমলা ৰঙৰ আৰু কেষ্টৰৰ ৰং বগা। এনেকৈয়ে আমি উজ্জ্বল তৰাৰে গঠিত শীতকালীন ত্ৰিভুজ আৰু শীতকালীন ষষ্ঠভুজ চিনাক্ত কৰি আকাশৰ এখন ৰঙীন ছবি চাই আনন্দ লভিব পাৰো।

*ফোন ঃ ৯৮৬৪০১৮৩০৪*

## শুকান মৰম

**বিখ্যাত** গুৱাহাটী মহানগৰীৰ এটা পৰিয়াল। স্বামী-স্ত্ৰী এখন নাৰ্চিংহোমত চিকিৎসক। এটা সু-উচ্চ অট্টালিকাত সিহঁত বাস কৰে। জীৱনত অভাৱ কি বস্তু সিহঁতে দেখা নাই। ল'ৰা-ছোৱালী বুলিবলৈ সিহঁতৰ ভাগত দুটা অৰ্থাৎ এজন ল'ৰা আৰু এজনী ছোৱালী। ল'ৰা দীপ ডাঙৰ আৰু ছোৱালী দীপা সৰু। ল'ৰা-ছোৱালীহালক দেখ-লেখ কৰিবলৈ মাক-দেউতাকহালৰ সময় নাই। দিনৰ দিনটো টকা উপাৰ্জনত ব্যস্ত। বহুত ৰাতি হয় সিহঁতৰ ঘৰ সোমাওতে। কেতিয়াবা ১০-১১ বাজে। গাঁৱৰ পৰা এজনী ছোৱালী সিহঁতৰ ঘৰলৈ আমদানি কৰা হৈছিল। সিহঁত যেতিয়া সন্তান প্ৰতিপালনত একেবাৰে ব্যৰ্থ, তেতিয়াই সেই ছোৱালীজনী কাৰোবাৰ বুকুৰ মাজৰ পৰা আহি সিহঁতৰ ঘৰ সোমায়। সেইদিনা তাই বহুত কান্দিছিল কাৰণ আপোন পিতৃ-মাতৃহালক এৰি অহা দুখ, ভাই-ভনীৰ বিচ্ছেদৰ বেজাৰ। কেইটামান পইচাৰ বাবে তাইক চহৰত ৰাখিছে। এহাল ডাক্তৰ-ডাক্তৰণীৰ ঘৰত। যিটো সময়ত তাই নিজৰ নাকটো চাফা ৰাখিব নাজানে, সেই সময়ত তাই অইনৰ ল'ৰা-ছোৱালীৰ যত্ন ল'ব! তথাপি সময়ৰ আহ্বান মানিবই লাগিব। লাহে লাহে ডাক্তৰৰ ল'ৰা-ছোৱালীহাল পূৰঠ হ'বলৈ ধৰিছিল। সিহঁতে বুজিছিল, মৰম কি বস্তু, মৰম কিয় লাগে। সিহঁতে পিতৃ-মাতৃৰ অভাৱ অনুভৱ কৰিবলৈ শিকিছিল। বহুদিন সিহঁতে মাক-দেউতাকে আলফুলকৈ তুলি দিয়া মিঠাইটো, দামী, মৰ্টনটো দলিয়াই দিছিল। কাৰণ সেই বোৰেৰে মনৰ ভোক দূৰ কৰিব নোৱাৰি। কোনো দিনেই ভাল বস্তু খাই নোপোৱা ৰাণুই অৰ্থাৎ ডাক্তৰৰ ঘৰৰ লগুৱাজনীয়ে কিন্তু দলিয়াই দিলে বেয়া পাইছিল। কাৰণ তাই সেইবোৰ কথাৰ অৰ্থ বুজি নাপায় এদিন সন্ধিয়া পৰত এজন লেটেৰা-পেটেৰা মলিয়ন বস্ত্ৰ পিন্ধা দেখিবলৈ বয়সীয়াল যেন লগা মানুহ এজন সিহঁতৰ ঘৰলৈ আহিল। ডাক্তৰৰ ল'ৰা-ছোৱালী হালে মানুহজনক চিনি নাপায়। সিহঁতে ইমান লেতেৰা মানুহ আগতে দেখা নাই। ডাক্তৰৰ ঘৰৰ ছোৱালীজনীয়ে দৌৰি গৈ মাত লগালে, বহিবলৈ এখন আসনো আগবঢ়াই দিলে। অৱশেষত মানুহজনৰ পৰিচয়টো পোহৰলৈ আহিল। মানুহজনৰ মৰম কৰা ষ্টাইলবোৰ ডাক্তৰৰ জীয়েক-পুতেক হালৰ ভাল নালাগিছিল। সি যেন জীয়েকৰ খবৰ ল'বলৈ তাত অহা নাই। নিশাটো তাত কটায় ৰাতিপুৱা যাবলৈ ওলাল। ডাক্তৰে আহি কেইটামান টকা তাৰ হাতত গুজি দিলে। মানুহজনে ক্ষুধাতুৰ বাঘৰ দৰে টকা কেইটা থপিয়াই নিলে। বিদায় বেলিকা জীয়েকক মাত লগাবলৈ সি পাহৰিয়ে গ'ল। বেচেৰি ৰাণুই হুক-হুকাই কান্দি দিলে। বহুত সময় ধৰি তাই থোলা খিৰিকীখনেৰে দেউতাকক চাই থাকিল।




ডাক্তৰৰ জীয়েক দীপাই তাইক ভিতৰলৈ টানি লৈ গ'ল আৰু নাকান্দিবলৈ ক'লে। তাই শিক্ষা-দীক্ষা থকা ছোৱালী বাবে সকলো ভাল-বেয়া, উচিত-অনুচিত বুজি পায়। তাই ৰাণুক বুজালে যে তেনেকুৱা দেউতাক থকা আৰু নথকাৰ মাজত পাৰ্থক্য নাই। সিহঁতৰ কাৰণে দুখ কৰি লাভ নাই। কাৰণ সিহঁতৰ মৰমবোৰ ৰস নথকা ফলৰ দৰে শুকান। শুকান জীপ নথকা মৰমৰ মূল্য নাই। সিহঁতে নিজৰ পত্নী, পুত্ৰ আৰু পুত্ৰীহঁতক ইঞ্জিন বুলি গণ্য কৰে। যেন সিহঁত একো-একোটা যন্ত্ৰ। ডাক্তৰৰ জীয়েক দীপাই নিজৰ দেউতাক-মাকৰ মৰমবোৰকো শুকান মৰম বুলি ক'লে। তাইৰ মতে তেনে পিতৃ-মাতৃবোৰ পিতৃ-মাতৃৰ বাবে উপযুক্ত নহয়। সঁচা সমাজত তেনে বহুত নকল পিতৃ-মাতৃ আছে যিসকলে বাধ্য হৈ সন্তান জন্ম দিয়ে। সিহঁতৰ মৰমবোৰ শুকান।

# প্ৰাণী জগতৰ বিচিত্ৰ নিদ্ৰা

## মাছৰ নিদ্ৰা

**প্ৰশান্ত বৰা**



*(যোৱা সংখ্যাৰ পাছৰ পৰা)*

মাছ এটাই যেতিয়া শোৱে, তেতিয়া মাছটোক এজন মানুহে দিবাস্বপ্ন দেখোতে দেখাৰ দৰে লাগে।মাছটোক তেতিয়া একেবাৰে স্পন্দনহীন অৱস্থাত জলাধাৰৰ তলত পৰি থকা দেখা যায়। অৱশ্যে কিছুক্ষণৰ অন্তৰালত মাছটোৱে পাখি-ফিছা আদি লৰায়, যাতে সি পানীত স্থিৰ আৰু ভাসমান অৱস্থাত থাকিব পাৰে। মাছৰ নিদ্ৰা সিহঁতৰ পৰিৱেশ আৰু কামৰ পৰিমাণৰ ওপৰত অতি বেছি নিৰ্ভৰশীল। যেনে, একুৱেৰিয়ামত থকা মাছে সেই ঘৰ বা কোঠাটোৰ পোহৰ জ্বলা-নুমুৱাৰ ওপৰত ভিত্তি কৰি নিজৰ নিদ্ৰাচক্ৰক সজাই লয়। আনহাতে, হাংগৰে সকলো সময়তে নিজৰ হাওঁফাওঁত অবাধে বায়ু চলাচলৰ ব্যৱস্থা ৰাখিব লাগে। সেয়ে নিদ্ৰাৰত অৱস্থাতো হাংগৰে সাঁতুৰি থাকিবলৈ বাধ্য হয়। ইয়াৰ বাবে হাংগৰে নিদ্ৰাৰত অৱস্থাতো চকু বন্ধ নকৰে বা আৰইএম নিদ্ৰাত প্ৰৱেশ নকৰে।

আকৌ জেব্ৰা মাছৰ ক্ষেত্ৰত এক অত্যন্ত কৌতুহলোদ্দীপক তথ্য আৱিষ্কাৰ হৈছে। এই অদ্ভুত ধৰণৰ মাছবিধে প্ৰায়েই ঠিক মানুহৰ দৰেই ইনছোম'নিয়াত ভোগে। বিজ্ঞানীসকলে কিছুমান মাছক কমাই শুবলৈ বাধ্য কৰাইছিল আৰু তাতেই দেখা গ'ল যে ইনছোম'নিয়া ৰোগীৰ দৰে এই মাছবোৰৰো দৈনন্দিন নিদ্ৰাৰ পৰিমাণ হ্ৰাস পাইছে। আকৌ পেৰটফিছ নামৰ এবিধ মাছৰ ক্ষেত্ৰত দেখা গৈছে যে নিদ্ৰাৰত অৱস্থাত সিহঁতৰ শৰীৰৰ পৰা জেলীৰ দৰে তৰল পদাৰ্থ নিঃসৰণ হয়, যিবোৰে মাছটোক সুৰক্ষিত কৰি ৰাখে। (আগলৈ)


## সৌন্দৰ্য আকৰ ডালিয়া ফুল



**মানুহৰ** ঘৰৰ ফুলনি বা ডাঙৰ বাগিচাত নানা ৰঙৰ পোহাৰ মেলি সৌন্দৰ্য বিয়পোৱা এবিধ ফুল হৈছে ডালিয়া ফুল। এইবিধ ফুল সূৰ্যমুখী গোষ্ঠীৰ তথা ছিদলি শ্ৰেণীৰ ফুল। সূৰ্যমুখী গোষ্ঠীৰ হোৱাৰ বাবেই ডালিয়া ফুলক বহুতে সূৰ্যমুখী ফুল বুলি ক'ব বিচাৰে। এইবিধ ফুলৰ বিস্তাৰ ক্ষেত্ৰ হৈছে মেক্সিকো আৰু মধ্য আমেৰিকা। ডালিয়া হৈছে ডাঙৰ আকাৰৰ ফুল। এই আকৰ্ষণী ফুলবিধ অসংখ্য ৰং আৰু আকাৰত পোৱা যায়। নীলা ৰঙক বাদ দি প্ৰায় সকলো ৰং তথা ৰূপত বিশ্বত প্ৰায় ৫০ হেজাৰৰো অধিক ডালিয়া ফুলৰ প্ৰজাতি আছে। ৰং-বিৰঙৰ ফুল হোৱাৰ বাবেই ডালিয়া ফুলৰ গছে বাগিচাত শোভা পায়। ছুইডেনৰ বিশিষ্ট বৃক্ষ বিশেষজ্ঞ ডালৰ স্মৃতিতে এইবিধ ফুলৰ নাম ডালিয়া ৰখা হৈছে। ইয়াৰ গছ সচৰাচৰ দুই-আঢ়ৈ মিটাৰ পৰ্যন্ত ওখ হয়। অৱশ্যে কিছুমান আধা মিটাৰ উচ্চতাৰ প্ৰজাতিও আছে। ডালিয়া ফুল দেখিবলৈ প্ৰায় সূৰ্যমুখী ফুলৰ দৰেই। কিছুমান প্ৰজাতিৰ ফুলবোৰ বলৰ দৰে গোলাকাৰ তথা বহুৰঙী হয়। ডালিয়া শীতকালৰ ফুল যদিও বতৰ বেছি ঠাণ্ডা হ'লে ফুলবোৰ মৰি যায়। এইবিধ ফুলৰ খেতিৰ বাবে গৰম জলবায়ু ভাল নহয়।

## জানানে

১। গুপ্ত সাম্ৰাজ্যৰ প্ৰতিষ্ঠাপক কোন ?
**উত্তৰ ঃ প্ৰথম চন্দ্ৰগুপ্ত।**
২। গুপ্ত সাম্ৰাজ্যৰ আৰম্ভণি কেতিয়া হৈছিল ?
**উত্তৰ ঃ খ্ৰীষ্টপূৰ্ব ৩২০ত।**
৩। গুপ্তবংশত সৰ্বশ্ৰেষ্ঠ সম্ৰাট কোন আছিল ?
**উত্তৰ ঃ** সমুদ্ৰগুপ্ত ।
৪। সিংহবিক্ৰম উপাধি কাৰ আছিল ?
**উত্তৰ ঃ** দ্বিতীয় চন্দ্ৰগুপ্তৰ।



৫। অজন্তাৰ গুহাচিত্ৰ কোন যুগৰ সৃষ্টি ?
**উত্তৰ ঃ** গুপ্তযুগৰ।
৬। গুপ্তবংশৰ কোনজন সম্ৰাটক ভাৰতীয় নেপোলিয়ন বুলি কোৱা হয়?
**উত্তৰ ঃ** সমুদ্ৰগুপ্তক।
৭। কোন চীনা পৰিব্ৰাজকে প্ৰথমে ভাৰতলৈ আহিছিল?
**উত্তৰ ঃ** ফা-হিয়েন।
৮। ফা-হিয়েন কাৰ ৰাজত্বকালত ভাৰতলৈ আহিছিল ?
**উত্তৰ ঃ** দ্বিতীয় চন্দ্ৰগুপ্ত ।
৯। ফা-হিয়েনে ভাৰত ভ্ৰমণ কৰাৰ উদ্দেশ্য কি আছিল?
উত্তৰ ঃ বৌদ্ধ ধৰ্মপুস্তিকা 'বিনায়াপিটক'ৰ মূল ৰচনা সংগ্ৰহ কৰা।
১০। কেতিয়া গুপ্ত সাম্ৰাজ্যৰ পতন ঘটে?
**উত্তৰ ঃ** সম্ৰাট স্কন্দগুপ্ত বিক্ৰমাদিত্যৰ মৃত্যুত।






## ইউৰোপৰ সকলো ফুটবল প্ৰতিযোগিতাৰ পৰাও বাহিৰ কৰা হ'ল ৰাছিয়াৰ ক্লাবক

# কাটাৰ বিশ্বকাপৰ পৰা ৰাছিয়াক নিলম্বন ফিফাৰ



**পেৰিছ, ২ মাৰ্চ ঃ** চলিত বৰ্ষত কাটাৰত হ'বলগা ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত অংশ ল'ব নোৱাৰিব ৰাছিয়া দলে। উল্লেখ্য যে ফিফাই বিশ্বকাপ ফুটবলত ৰাছিয়াক অংশ লোৱাৰ পৰা আঁতৰাই ৰখাৰ কঠোৰ সিদ্ধান্ত লৈছে। কেবল বিশ্বকাপে নহয় কোনো আন্তৰ্জাতিক মেচতো ৰাছিয়াৰ ফুটবল দল আৰু দেশৰ ফুটবল ক্লাবে অংশ ল'ব নোৱাৰে বুলি ঘোষণা কৰিছে ফিফাই। সেই অনুসৰি ৰাছিয়াৰ পুৰুষ আৰু মহিলা দলে ফিফাৰ স্বীকৃত মেচত খেলিব নোৱাৰে। আনহাতে, ইয়েফাই ৰাছিয়াৰ ফুটবল ক্লাবক সকলো মেচৰ পৰা বাহিৰ কৰিছে। ইয়াৰপূৰ্বে ফিফাই আন্তৰ্জাতিক পৰ্যায়ৰ সকলো মেচৰ পৰাই ষ্টেডিয়ামত থকা ৰাছিয়াৰ পতাকা আঁতৰাই দিবলৈ দেশ তথা ক্লাবলৈ নিৰ্দেশ দিছিল। ৰাছিয়াই ইউক্ৰেইনক কৰা আক্ৰমনৰ বাবে এনে সিদ্ধান্ত লৈছে ফিফাই। উল্লেখ্য যে ইউক্ৰেইনক কৰা আক্ৰমনৰ বাবে বিশ্ববাসীয়ে গৰিহনা দিছে ৰাছিয়াক। ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ মানবতা বিৰোধী স্থিতিৰ বাবে ইউৰোপৰ দেশৰ লগতে আমেৰিকাসহ কেবাখনো ৰাষ্ট্ৰই ৰাছিয়াৰ লগত থকা সকলোধৰণৰ সম্পৰ্ক ছেদ কৰাৰ দৃঢ় পদক্ষেপো হাতত লৈছে। তাৰমাজতে ক্ৰীড়া বিশ্বয়ো ৰাছিয়া তথা পুটিনক এঘৰীয়া কৰাৰ কঠোৰ সিদ্ধান্ত লৈছে। ৰাছিয়াৰ ছেইণ্ট পীটাৰ্ছবাৰ্গত অহা 28 মে'ত হ'বলগা চেম্পিয়নছ লীগৰ ফাইনেলো বাতিল কৰিছে ইয়েফাই। এতিয়া পেৰিছত হ'ব চলিত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচ। ইয়াৰপূৰ্বে কাটাৰ ফিফা বিশ্বকাপৰ মেচ ৰাছিয়াৰ বিৰুদ্ধে নেখেলাৰ সিদ্ধান্ত লৈছে পোলেণ্ড আৰু ছুইডেনে। যুদ্ধ কৰাৰ দেশৰ লগত ফুটবল নহয় বুলি ফিফাক ইতিমধ্যে জনাই দিছে দেশ দুখনে। পোলেণ্ড আৰু ৰাছিয়াৰ মেচখন অহা 24 মাৰ্চত হোৱাৰ কথা আছিল। উল্লেখ্য যে ৰাছিয়াই আয়োজন কৰিছিল বিগত বৰ্ষৰ ফিফা বিশ্বাকাপ।



## এ চি এৰ মহিলা টি-২০ চেলেঞ্জাৰ্ছ ট্ৰফী ক্ৰিকেট

**গুৱাহাটী, ১ মাৰ্চ ঃ** দিখৌ টাইগ্ৰেছ দলে এ চি এৰ মহিলাৰ টি-20 চেলেঞ্জাৰ্ছ ট্ৰফী ক্ৰিকেটৰ আজি অনুষ্ঠিত হোৱা প্ৰথম মেচত জয়লাভ কৰিছে । আমিনগাঁও ষ্টেডিয়ামত হোৱা মেচত দলটোৱে 25 ৰাণত পৰাভূত কৰে বৰাক কুইন্সক ।দিখৌ দলে প্ৰথমে বেটিং কৰি পাঁচ উইকেটত সংগ্ৰহ কৰে 99 ৰাণ । দলৰ হেমলতা পায়েঙে 25 আৰু হিৰামণি শইকীয়াই 23 ৰাণ কৰে ।বলিঙত প্ৰতিপক্ষৰ পাপৰি গগৈয়ে দুটা উইকেট পায় ।প্ৰত্যুত্তৰত বৰাকে ন উইকেটত মাত্ৰ 74 ৰাণ কৰে। দলৰ পাপৰি গগৈয়েþ 35 ৰাণ কৰাৰ বিপৰীতে বিজয়ী দলৰ মাইনী পাইঙে তিনিটা উইকেট দখল কৰে ।দ্বিতীয় মেচত ডিগাৰু বীৰাংগনাই ধনশিৰি ডেছাৰ্ছৰ বিৰুদ্ধে 60 ৰাণত বিজয়ী হয় ।ডিগাৰুৰে মনিষা দাসৰ অপৰাজিত শতকৰ সহায়ত তিনি উইকেটত কৰে 144 ৰাণ ।মণিষাই 60 টা বলত 101 ৰাণত অপৰাজিত হৈ ৰয়।ইয়াৰ বিপৰীতে ধনশিৰিয়ে 18 অভাৰত 84 ৰাণতে ইনিংছ সামৰে । দলৰ দেৱশ্ৰী কোঁৱৰে 32 ৰাণৰ বৰঙণি যোগায় । বিজয়ী দলৰ মল্লিকা বড়ো আৰু পাৰবিন চুলতানাই দুটাকৈ উইকেট দখল কৰে।



## কিড'ৱাই ট্ৰফী ক্ৰিকেটত বঢ়মপুৰ স্প'ৰ্টছ ক্লাবৰ জয়

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১ মাৰ্চ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা এ.এন.কিড'ৱাই ট্ৰফী আন্তঃক্লাব ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত বঢ়মপুৰ স্পৰ্টছ ক্লাবে পলাইট ক্লাবক 72 ৰাণত সহজেই পৰাজিত কৰে। খেলখনত বঢ়মপুৰ স্পৰ্টছ ক্লাবে টছত জিকি পোনতে বেট ধৰি মনোজ পাটৰৰ 45, আৰ্চিক ডেকাৰ 18 ৰাণৰ উল্লেখনীয় অৱদানৰে সকলোকেইটা উইকেটৰ বিনিময়ত 141 ৰাণ সংগ্ৰহ কৰে। বলিঙত পলাইট ক্লাবৰ হৈ সুৰজিত আইচে পাঁচটা, কানহাইয়ালালে দুটা উইকেট পায়।প্ৰত্যুত্তৰত পলাইট ক্লাবে সকলোকেইটা উইকেট হেৰুৱাই 69 ৰাণহে কৰিবলৈ সক্ষম হয়।বলিঙত বঞ্জমপুৰ স্পৰ্ক্সৰ্টছ ক্লাবৰহৈ সঞ্জয় ৰয়,চাণক্য দত্ত,আকাশ বৰা,ৰাজদ্বীপ বি. আৰু কমল সিংহই দুটাকৈ উইকেট দখল কৰে। খেলখনত দুলাল আহমেদ আৰু ইয়াচিনুল হক আম্পায়াৰৰূপে আছিল।

## পুটিনে হেৰুৱালে টাইকোৱান-ড'ৰ ব্লেক বেল্ট

**পেৰিছ, ১ মাৰ্চ ঃ** বিগত ছদিন ধৰি ইউক্ৰেইনক কৰি অহা নিৰবিচ্ছিন্ন আক্ৰমনৰ বাবে বিশ্ববাসীয়ে একে মুখে গৰিহনা দিছে ৰাছিয়াক। ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ মানবতা বিৰোধী স্থিতিৰ বাবে ইউৰোপৰ দেশৰ লগতে আমেৰিকাসহ কেবাখনো ৰাষ্ট্ৰই ৰাছিয়াৰ লগত থকা সকলোধৰণৰ সম্পৰ্ক ছেদ কৰাৰ দৃঢ় পদক্ষেপো হাতত লৈছে। তাৰমাজতে ক্ৰীড়া বিশ্বয়ো ৰাছিয়া তথা পুটিনক এঘৰীয়া কৰাৰ কঠোৰ সিদ্ধান্ত লৈছে। উল্লেখ্য যে টাইকোৱান-ড' সন্থাই ৰুছ ৰাষ্ট্ৰপতি পুটিনক ব্লেক বেল্ট প্ৰদান কৰি যি সন্মান দিছিল এতিয়া সেয়া কাঢ়ি লোৱাৰ সিদ্ধান্ত লৈছে। ইয়াৰপূৰ্বে আন্তৰ্জাতিক জুডো ফেডাৰেছনে পুটিনক সন্মানীয় সভাপতি পদৰ পৰা নিলম্বিত কৰাৰ সিদ্ধান্ত লৈছিল। ইউক্ৰেইনক কৰা আক্ৰমনৰ বাবেই ৰুছ ৰাষ্ট্ৰপতি পুটিনৰ বিৰুদ্ধে এই সিদ্ধান্ত গ্ৰহণ কৰে আন্তৰ্জাতিক জুডো ফেডাৰেছনে। উল্লেখ্য যে পুটিন এজন জুডোকা হোৱাৰ লগতে টাইকোৱান-ড'ৰ খেলুৱৈও আছিল। আন্তৰ্জাতিক জুডো ফেডাৰেছনে তেওঁক 2008 ৰ পৰাই সভাপতি হিচাপে নিৰ্বাচন কৰি আহিছে। কিন্তু এতিয়া তেওঁক পদৰ পৰা আঁতৰোৱা হৈছে।



**চাৰি মাৰ্চৰ পৰা ভাৰত-শ্ৰীলংকাৰ প্ৰথম টেষ্ট**

## কেৰিয়াৰৰ শততম টেষ্ট খেলাৰ বাবে সাজু বিৰাট

**মোহালী, ১ মাৰ্চ ঃ** ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ৰ ব্যৱধানৰে দখল কৰাৰ পাছত এতিয়া দুখনীয়া টেষ্ট শৃংখলা খেলিব। দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন মেচ অহা চাৰিৰ পৰা আঠ মাৰ্চলৈ মোহালীত অনুষ্ঠিত হ'ব। আনহাতে, দ্বিতীয় টেষ্ট বাংগালুৰুত হ'ব 12-16 মাৰ্চত। দিবা-নৈশ হ'ব দ্বিতীয় টেষ্ট। উল্লেখ্য যে ভাৰত-শ্ৰীলংকাৰ দুখনীয়া টেষ্ট শৃংখলা আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ। প্ৰথমখন টেষ্ট টীম ইণ্ডিয়াৰ প্ৰাক্তন অধিনায়ক বিৰাট কোহলিৰ বাবে কেৰিয়াৰৰ শততম টেষ্ট হ'ব। তিনিখনীয়া টি-20 শৃংখলাত অংশ নলোৱা বিৰাটে ইতিমধ্যে মোহালীত অনুশীলন আৰম্ভ কৰিছে। উল্লেখ্য যে ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ৰ ব্যৱধানৰে দখল কৰি এক নতুন বিশ্ব অভিলেখ গঢ়িছে। উল্লেখ্য যে শৃংখলাৰ তৃতীয় তথা অন্তিম মেচত ভাৰতে ছয় উইকেটত জয়ী শ্ৰীলংকাক হোৱাইটৱাশ্ব কৰে। এয়া আছিল ভাৰতীয় দলৰ ক্ৰমাগত 12 নম্বৰ টি-20 মেচত জয়লাভ। ক্ৰমাগত 12 নম্বৰ টি-20 মেচত জয়লাভ কৰি টীম ইণ্ডিয়াই আফগানিস্তানে ইতিপূৰ্বে গঢ়া বিশ্ব অভিলেখৰ সমতা স্থাপন কৰিছে। টেষ্ট খেলা দেশ হিচাপে ভাৰত আৰু আফগানিস্তানে ক্ৰমাগত 12 নম্বৰ টি-20 মেচত জয়লাভ কৰিছে।

## ৰাজস্থান ৰয়েলছত অসমৰ ট্ৰেইনাৰ ভাস্কৰ



**গুৱাহাটী, ১ মাৰ্চ ঃ** আসন্ন আই পি এলত প্ৰায় চাৰি কৌটি টকা মূল্যত ৰিয়ান পৰাগক ৰাজস্থান ৰয়েলছে ক্ৰয় কৰাৰ পাছত আৰু এজন অসম সন্তান দলটোৰ লগত যুক্ত হৈছে । তেওঁ হ'ল ভাস্কৰ বৰা । এই ছিজনৰ আই পি এলত ৰাজস্থান ৰয়েলছ দলৰ 'ষ্ট্ৰেংথ এণ্ড কণ্ডিছনিং কোচ' হিচাপে নিযুক্তি লাভ কৰিছে ভাস্কৰে । সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবলত অসমৰ প্ৰাক্তন গ'লৰক্ষক ৰবীন বৰাৰ পুত্ৰ ভাস্কৰে বিগত তিনি বছৰ ধৰি অসম ৰঞ্জী দলৰ ট্ৰেইনাৰ হিচাপে আছে । বৰ্তমান অসম ৰঞ্জী দলৰ লগত হাৰিয়ানাত থকা ভাস্কৰ বৰাই দিছপুৰ পেৰেড গ্ৰাউণ্ডত গুৱাহাটী চিটি ক্ৰিকেট ক'চিং চেণ্টাৰত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল ।বাওঁহতীয়া পেচ বলাৰ ভাস্কৰে 19 আৰু 22 বছৰ অনূৰ্ধ্ব অসম ক্ৰিকেট দলত খেলিছে ।পাছলৈ অসমৰ সুদক্ষ ট্ৰেইনাৰ নিশান্ত বৰদলৈৰ অধীনত কিছুদিন প্ৰশিক্ষণ লোৱাৰ অন্তত অষ্ট্ৰেলিয়াত অনুষ্ঠিত উচ্চ পৰ্যায়ৰ অনলাইন ট্ৰেইনাৰ পাঠ্যক্ৰমত সুখ্যাতিৰে উত্তীৰ্ণ হয় । সেইবাৰ ভাস্কৰৰ সৈতে উত্তীৰ্ণ হৈছিল প্ৰাক্তন ৰঞ্জী ক্ৰিকেটাৰ তথা সাংবাদিক তৌহিদ আলী তালুকদাৰো ।উল্লেখ্য যে ভাস্কৰকে ধৰি ৰাজস্থান দলত যুক্ত হ'ল তিনি গৰাকী অসম সন্তান। উল্লেখ্য যে দলৰ মুখ্য কাৰ্যবাহী ৰঞ্জিত বৰঠাকুৰ, ক্ৰিকেটাৰ ৰিয়ান পৰাগ আৰু শেহতীয়াকৈ ট্ৰেইনাৰ ভাস্কৰ বৰা।

## আমি টি-২০ বিশ্বকাপৰ প্ৰস্তুতি ইতিমধ্যে আৰম্ভ কৰিছো ঃ শ্ৰেয়াছ



**নতুন দিল্লী, ১ মাৰ্চ ঃ** 'আমাৰ এতিয়া মূল লক্ষ্য আসন্ন টি-20 বিশ্বকাপ। ইতিমধ্যে আমি এই প্ৰতিযোগিতাৰ বাবেই প্ৰস্তুতি আৰম্ভ কৰিছো।' এই মন্তব্য টীম ইণ্ডিয়াৰ নৱাগত ক্ৰিকেটাৰ শ্ৰেয়াছ আয়াৰৰ। উল্লেখ্য যে ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ৰ ব্যৱধানৰে দখল কৰিছে। টীম ইণ্ডিয়াৰ এই সফলতাত শ্ৰেয়াছৰ ভূমিকা অনন্য। ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথমখন মেচত 62 ৰাণত জয়ী হৈছিল। লক্ষ্ণৌত অনুষ্ঠিত হোৱা মেচত টছত হাৰি বেটিং কৰা ভাৰতে 20 অভাৰত দুই উইকেটৰ বিনিময়ত 199 ৰাণ কৰে। ভাৰতৰ হৈ শ্ৰেয়াছ আয়াৰে কৰে 57 ৰাণ। প্ৰত্যুত্তৰত শ্ৰীলংকাই 137-6 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, ভাৰতে দ্বিতীয়খন মেচত সাত উইকেটত জয়লাভ কৰিছিল। ধৰমশালত অনুষ্ঠিত হোৱা মেচত পোনতে বেটিং কৰি শ্ৰীলংকাই 183 ৰাণ কৰিছিল যদিও ভাৰতে 17 টা বল বাকী থাকোতেই তিনি উইকেট হেৰুৱাই 186 ৰাণ কৰি জয় তথা শৃংখলা দখল কৰে। ভাৰতৰ হৈ পুনৰ শ্ৰেয়াছ আয়াৰে 74 ৰাণ কৰে। তৃতীয় মেচখনত শ্ৰীলংকাই দিয়া 147 ৰাণৰ লক্ষ্য লৈ বেটিং কৰা ভাৰতে 16.5 অভাৰতে চাৰি উইকেট হেৰুৱাই 148 ৰাণ কৰি সহজ জয় অৰ্জন কৰে। ভাৰতৰ বিজয় নায়ক শ্ৰেয়াছ আয়াৰে 73 ৰানত অপৰাজিত থাকে।

**আন্তৰ্জাতিক অলিম্পিক কমিটীৰ নিৰ্দেশ মানিলে বিশ্বৰ ক্ৰীড়া সন্থাই**

## ৰাছিয়া-বেলাৰুছৰ খেলুৱৈক নিষিদ্ধ কৰিলে বেডমিণ্টন, হকী, বক্সিং, সাঁতোৰ, ৰাগবিয়ে



**পেৰিছ, ১ মাৰ্চ ঃ** আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে ৰাছিয়াৰ লগতে বেলাৰুছৰ খেলুৱৈকো সকলোধৰণৰ ক্ৰীড়া প্ৰতিযোগিতাৰ পৰা তাৎক্ষনিকভাবে নিধিদ্ধ ঘোষণা কৰাৰ পাছতে এই দিশত আই অ' চিৰ নিৰ্দেশনা পালন কৰিছে বেডমিণ্টন, হকী, বক্সিং, সাঁতোৰ, ৰাগবি আদিৰ বিশ্ব ক্ৰীড়াৰ ফেডাৰেছনসমুহে। আন্তৰ্জাতিক ক্ৰীড়া ফেডাৰেছনসমুহে সভা আয়োজন কৰি ৰাছিয়াৰ লগতে বেলাৰুছৰ খেলুৱৈকো নিজৰ নিজৰ প্ৰতিযোগিতাৰ পৰা নিধিদ্ধ কৰাৰ সিদ্ধান্ত লৈছে। উল্লেখ্য যে আন্তৰ্জাতিক অলিম্পিক কমিটীৰ সিদ্ধান্ত অনুসৰি আই অ' চিৰ নিজা ক্ৰীড়া প্ৰতিযোগিতাৰ লগতে আই অ' চিৰ পঞ্জীয়ন থকা অন্য ক্ৰীড়া ফেডাৰেছনৰ খেলতো এতিয়াৰে পৰা অংশ ল'ব নোৱাৰিব ৰাছিয়া আৰু বেলাৰুছৰ খেলুৱৈয়ে। ৰাছিয়াই ইউক্ৰেইনক কৰা আক্ৰমনৰ বাবে এনে সিদ্ধান্ত লৈছে আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে। আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে ৰাছিয়াত কোনো ধৰণৰ আন্তৰ্জাতিক ক্ৰীড়া প্ৰতিযোগিতা আয়োজন নকৰিবলৈ সকলো আন্তৰ্জাতিক ক্ৰীড়া ফেডাৰেছনক নিৰ্দেশনা দিছে। ইতিমধ্যে বাতিল হৈছে মস্কোত হ'ব লগা জুনিয়ৰ বিশ্ব সাঁতোৰ আৰু বিশ্ব ভলীবল প্ৰতিযোগিতা। আন্তৰ্জাতিক বেডমিণ্টন ফেডাৰেছনে ৰাছিয়া-বেলাৰুছত হ'বলগা প্ৰতিযোগিতা বন্ধ ৰাখিছে লগতে স্থান পৰিবৰ্তন কৰাৰ বিষয়ে অৱগত কৰিছে। বিশ্ব জুনিয়ৰ হকীৰ পৰা ৰাছিয়াৰ নাম কৰ্তন কৰা হৈছে।



বিশ্বকাপ শ্যুটিঙত সোণ লাভ ভাৰতৰ সৌৰভ চৌধুৰীৰ

## নগাঁও জিলা ৰেষ্টলিঙৰ সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১ মাৰ্চ ঃ** নগাঁও জিলা ৰেষ্টলিং সন্থাৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা জ্যোতি নাৰায়ণ শইকীয়াৰ সভাপতিত্বত অলপতে অনুষ্ঠিত সাধাৰণ সভাত আগন্তুক কাৰ্যকালৰ বাবে নগাঁও জিলা ৰেষ্টলিং সন্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতখন গঠন কৰা হৈছে। ক্ৰীড়া সংগঠক উৎজ্জল বৰুৱাক সভাপতি, আদিলুৰ ৰহমান, সমীৰ হাজৰিকা, গৌতম বৰুৱা, মৌচম দাসক উপ সভাপতি, গৌৰাংগ ৰয়ক সাধাৰন সম্পাদক, তাপস ভাৱালক কোষাধ্যক্ষ, নৱজ্যোতি বৰুৱা, জোনমণি দাস, অজয় কুমাৰ সিং, বিপ্লৱ কোঁৱৰক যুটীয়া সম্পাদক, ৰামনাৰয়ণ প্ৰসাদ, দীপক সাহা, মৃনাল কুমাৰ হাজৰিকা আৰু বিষ্ণু বৰাক কাৰ্যকৰী সদস্যৰূপে লৈ ৰেষ্টলিঙৰ জিলা কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। আনহাতে, প্ৰবীন ক্ৰীড়া সংগঠক ৰাজেন বৰকাকতিক মুখ্য উপদেষ্টা, বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰদীপ কুমাৰ হাজৰিকা, সুন্দৰ নেওগ, মানসপ্ৰতিম দাস আৰু জ্যোতিনাৰায়ণ শইকীয়াক উপদেষ্টাৰূপে সভাই মনোনীত কৰে।উল্লেখ্য যে, সভাখনত অসম ৰেষ্টলিং সন্থাৰ প্ৰতিষ্ঠাপক সম্পাদক সুন্দৰ নেওগ, ক্ৰীড়া সংগঠক প্ৰদীপ কুমাৰ হাজৰিকা, অসম ৰেষ্টলিং সন্থাৰ কাৰ্যকৰী সভাপতি উৎজ্বল বৰুৱা, নগাঁও জিলা ক্ৰীড়া বিষয়া মানসপ্ৰতিম দাস, ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, আদিলুৰ ৰহমান, গৌৰাংগ ৰয়, জোনমণি দাস, ফিজেছ আহমেদ, ৰিংকুমনি বৰা, দিগন্ত বৰা, প্ৰান্তৰ ভট্টাচাৰ্য, গৌতম বৰুৱা আদিয়ে জিলাখনত ৰেষ্টলিং খেলবিধৰ প্ৰসাৰতাৰ ওপৰত বিস্তাৰিত আলোকপাতৰে বক্তব্য ৰাখে। উক্ত সভাখনতে কাছমাৰী অঞ্চলৰ বিপ্লৱ কোঁৱৰ আৰু ৰহাৰ জোনমণি দাস আদিক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে আগন্তুক অসম ৰেষ্টলিং সন্থাৰ সাধাৰন সভাখন নগাঁৱত আয়োজন কৰিবলৈ অনুৰোধ জনোৱাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে। তদুপৰি জিলাখনৰ গ্ৰামাঞ্চলসমূহত শীঘ্ৰে প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰিবৰ বাবে নতুন সমিতিখনক পদক্ষেপ ল'বলৈ আহ্বান জনায়।




## দ্বিতীয় টেষ্টত নিউজিলেণ্ডৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ জয়



**ক্ৰিছচাৰ্ছ, ১ মাৰ্চ ঃ** দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ডৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাটো 1-1 ৰ ব্যৱধানৰে সমাপ্ত হৈছে। উল্লেখ্য যে প্ৰথম টেষ্টত নিউজিলেণ্ডে জয়লাভ কৰিছিল যদিও আজি সমাপ্ত হোৱা দ্বিতীয় টেষ্টত দক্ষিণ আফ্ৰিকাই 198 ৰাণত জয়ী হৈ শৃংখলাত সমতা স্থাপন কৰিবলৈ সক্ষম হয়। দক্ষিণ আফ্ৰিকাই দ্বিতীয়খন টেষ্টত নিউজিলেণ্ডৰ সন্মুখত 426 ৰাণৰ বিজয়লক্ষ্য দিছিল। এই ৰাণ অনুসৰণ কৰি দ্বিতীয় ইনিংছ আৰম্ভ কৰা নিউজিলেণ্ডে কালিয়ে 94 ৰাণত চাৰিটা উইকেট হেৰুৱাই বিপদত পৰি পৰাজয়ৰ ক্ষণ গনিছিল। 332 ৰাণত পিছ পৰি থকা নিউজিলেণ্ডে আজি 227 ৰাণত অলআউট হয়। উল্লেখ্য যে টেষ্টখনত দক্ষিণ আফ্ৰিকাৰ প্ৰথম ইনিংছৰ 364 ৰাণৰ প্ৰত্যুত্তৰত নিউজিলেণ্ডে প্ৰথম ইনিংছ সামৰে 293 ৰাণত। ঘৰুৱা দলৰ হৈ গ্ৰেনধ'মে 120 ৰাণৰ শতকীয় ইনিংছ খেলে। ৰাবাডাই পাঁচটা উইকেট দখল কৰাৰ বাবেই দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। ইফালে, দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছ আৰম্ভ কৰি 354-9 ৰাণত ইনিংছ ঘোষণা কৰে আৰু নিউজিলেণ্ডৰ সন্মুখত 426 ৰাণৰ বিজয়লক্ষ্য দিয়ে। আজি দক্ষিণ আফ্ৰিকাৰ বিজয়ৰ পুনৰ গুৰুত্বপূৰ্ণ ভূমিকা লয় তিনিটা উইকেট লোৱা ৰাবাডাই। মেচৰ শ্ৰেষ্ঠ হয় ৰাবাডা। উল্লেখ্য যে নিউজিলেণ্ডে টেষ্ট শৃংখলাৰ প্ৰথম মেচত চমকপ্ৰদ প্ৰদৰ্শন কৰিছিল। তিনিদিনতে সমাপ্ত হোৱা মেচখনত নিউজিলেণ্ডে এক ইনিংছ আৰু 276 ৰাণৰ বিশাল ব্যৱধানত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাক। উল্লেখ্য যে প্ৰথম টেষ্টৰ প্ৰথমদিনা পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই মাত্ৰ 95 ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত নিউজিলেণ্ডে প্ৰথম ইনিংছত 482 ৰাণত অলআউট হয়। ইফালে, দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছতো বেটিঙত ব্যৰ্থ হৈ 111 ৰাণত অলআউট হয় আৰু পৰাজয় স্বীকাৰ কৰে। শৃংখলাৰ শ্ৰেষ্ঠ হয় নিউজিলেণ্ডৰ মাট হেনৰী।

## বিলাসনন্দন চ'ৰা



## বেচা-কিনাৰ চুক্তি

ঃ হেৰা, কি হ'বহে?
ঃ কি হ'ব মানে?
ঃ যুদ্ধৰ কথা সুধিছোহে!
ঃ যুদ্ধ! আজি বজাৰ কৰিবলৈ ওলাই ময়ো যুদ্ধৰ কথাকে ভাবি আছো।
ঃ কি ভাবিছা?
ঃ ভাবিছো—যুদ্ধলৈ আমাৰ শ্ৰীমতীকো পঠিয়াই দিব পৰা হ'লে।
ঃ কিয়?
ঃ পুৰা শুই উঠাৰে পৰা যি হাৰত মোৰ লগত যুঁজি থাকে, মই বোলো ঘৰৰ চাৰিবেৰৰ মাজত টেলেণ্ট দেখুৱাই থকাতকৈ ইউক্ৰেইনলৈ গুচি যোৱা। যিমান মন যায় তাতে যুঁজি থাকা।
ঃ পঠিয়াই দিব পাৰা। আমাৰ ইয়াৰ পৰা বিমান গৈ আছেতো!
ঃ কিয়?
ঃ তাত আমাৰ বহু ষ্টুডেণ্ট ফচি আছে নহয়। সিহঁতক আনিবলৈ গৈছে। দুই-একক আনিছেও।
ঃ তেন্তে এটা কাম নকৰে কিয় দিল্লীয়ে?
ঃ কি?
ঃ আৰু কেইখনমান বিমান পঠিয়াই দিয়ক ফৰেইনলৈ।
ঃ কিয়?
ঃ বিজয় মালিয়া, নীৰৱ মোদীক আনিবলৈ।
ঃ সিহঁতক আনিব পৰা নাযায়।
ঃ কিয় নাযাব? ইউক্ৰেইনলৈ পঢ়িবলৈ যোৱাবোৰক যদি আনিব পাৰে, সিহঁতক কিয় নোৱাৰে?
ঃ আৰে বাবা, ইউক্ৰেইনলৈ ছাত্ৰ-ছাত্ৰীবোৰ পঢ়িবলৈ গৈছে। কিন্তু বিজয় মালিয়াহঁতেতো দিল্লীক পঢ়ুৱাই থৈ গৈছে—মডাৰ্ণ ষ্টাইলত কেনেকৈ ডকাইতি কৰিব লাগে।
ঃ সেইটো পিছে ঠিক কথাই কৈছা। এই পুটিনটোৱে যে এই অন্যায়খন কৰিলে, তাৰ কিবা শাস্তি হ'বনে?
ঃ কিয় শাস্তি হ'ব লাগে?
ঃ নহয় মানে সি হিটলাৰৰ দৰে কাম কৰিছেতো!
ঃ আমাৰ লোকেল হিটলাৰবোৰৰ কিবা শাস্তি হৈছে জানো?
ঃ নাই হোৱা। বিন্দাচ আছে।
ঃ তেন্তে পুটিনৰ কিয় হ'ব? সিও বিন্দাচ থাকিব।
ঃ আমেৰিকাই একো কৰা নাই কিয়? ঘেৰি ধৰিব লাগিছিল ৰাছিয়াক!
ঃ কাৰণ আছে!
ঃ কি কাৰণ?
ঃ আজিলৈকে চোৰে চোৰক, ডকাইতে ডকাইতক ধৰা দেখিছা?
ঃ নাই দেখা।
ঃ তেন্তে আমেৰিকাই ৰাছিয়াক কেনেকৈ ধৰিব? ইৰাকত কমখন কৰিছিল নেকি আমেৰিকাই?
ঃ ৰাষ্ট্ৰসংঘই একো কৰা নাই কিয়?
ঃ গাঁৱত মোৰ এটা সৰু ভাই থাকে। আপদে বিপদে ময়ে তাক পইচা পাতি দি চলাই থাকো। সি বহু কষ্ট কৰি তাৰ মাটিত খেতি কৰে। হঠাতে গৈ মই তাৰ মাটিৰ লাও-বেঙেনা-কবি সৱ তুলি লৈ আহো। সি একো মাতিব নোৱাৰে। কাৰণ মইহে পইচা দি তাক চলাই থাকো।
ঃ ৰাষ্ট্ৰসংঘৰ অৱস্থাও মোৰ ভাইটোৰ দৰেই হৈছে বুজিছা।
ঃ এটা কথা কোৱাচোন।
ঃ কি?
ঃ ৰাছিয়াক সৱ দেশেই ইমান ভয় কৰিছে কিয়? পুটিনক বাধা দিবলৈ কোনেও আগুৱাই অহা নাই যে!
ঃ সৱৰে পেণ্টত লেতেৰা লাগি আছে! কোনে কাক চাফা কৰিব?
ঃ চাইনা ৰাছিয়াৰ সমানেই পাৱাৰফুল নে?
ঃ তাতকৈও বেছি বুলি কয়।
ঃ চাইনাই যদি ৰাছিয়াৰ দৰে আমাৰ দেশতো এটেক কৰে, তেতিয়া কি হ'ব?



ঃ বৰ বিশেষ একো নহয়।
ঃ যুদ্ধতো হ'বই।
ঃ নহয়।
ঃ চাৰ্জিকেল ষ্ট্ৰাইকতো হ'ব।
ঃ নহয়।
ঃ তেন্তে কি হ'ব?
ঃ চুক্তি হ'ব।
ঃ শান্তি চুক্তি?
ঃ নহয়! বেচা-কিনাৰ চুক্তি?
ঃ মানে?
ঃ আমাৰজনে দেশখন বেচি দিব আৰু চাইনাই কিনি ল'ব!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# তেজপুৰৰ হলেশ্বৰ-কেতেকেশ্বৰ-মহাভৈৰৱ শিৱমন্দিৰত শিৱৰাত্ৰি উপলক্ষে ভক্তৰ দীঘলীয়া শাৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১ মাৰ্চ ঃ** মহাশিৱৰাত্ৰি উপলক্ষে আজি তেজপুৰৰ শিৱ মন্দিৰসমূহত বহুসংখ্যক ভক্তৰ সমাগম হয়। তেজপুৰৰ হলেশ্বৰ শিৱ মন্দিৰত পুৱাৰে পৰাই ভক্তৰ সোঁত বয়। সহস্ৰাধিক ভক্তই পুৱাৰে পৰাই দীঘলীয়া শাৰীপাতি দেৱাদীদেৱৰ দৰ্শনৰ বাবে অপেক্ষা কৰে। তেজপুৰৰ এখন অন্যতম ঐতিহাসিক শিৱ থানৰূপে পৰিচিত হলেশ্বৰ দেৱালয়ৰ এক বৈশিষ্ট্য হৈছে এই দেৱালয়ত শৈৱ আৰু বৈষ্ণৱ পন্থাৰ ভক্তই একেটা চৌহতে আৰধনা কৰা হয়। মেলাবিহীনভাবে শিৱৰাত্ৰি অনুষ্ঠিত হৈ থকা হলেশ্বৰ দেৱালয়ত শিৱৰাত্ৰিৰ পবিত্ৰ দিনটোত সৰ্পবান্ধৱ সৌৰভ বৰকটকীয়ে এটা দুস্প্ৰাপ্য নাগচম্পা পুলি ৰোপণ কৰা হয়। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি জিতেন বৰঠাকুৰ, জ্যেষ্ঠ ব্যক্তি পদুম নাথ, তোলন বৰা, সম্পাদ গীৰিন্দ্ৰ হাজৰিকা, হলেশ্বৰ আঞ্চলিক সদস্য তুলসী বড়ো, শালনিবাৰী আৰক্ষী বিষয়া শংকৰ দয়াল আদিসকলৰ লগতে মন্দিৰ পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে। উল্লেখ্য যে হাৰুপেশ্বৰ নামৰ পৰাই হলেশ্বৰৰূপে পৰিচিত হোৱা বুলিও একাংশ পণ্ডিতে প্ৰকাশ কৰা হলেশ্বৰ দেৱালয়ৰ মন্দিৰৰ উচ্চতা ৬৫ ফুট। পৰিচালনা সমিতিৰ দ্বাৰা শৃংখলাবদ্ধভাবে পৰিচালিত এই মন্দিৰত গণেশ, হনুমান, শনিৰো পৃথকে উপাসনাস্থলী আছে। কংক্ৰিটৰ এক বৃহৎ শিৱমূৰ্তি মাজত থকা তথা তেজপুৰৰ প্ৰাক্তন বিধায়ক প্ৰয়াত ৰাজেন বৰঠাকুৰৰ তৎপৰতাত নতুনকৈ সজাই তোলা পুখুৰীত মাছ আৰু কাছৰ উপৰি এই মন্দিৰত আছে ডেৰশ ৰাজহাঁহ। আজি পুৱাৰে পৰাই বিৰদি বাট নোহোৱা পৰিৱেশৰ সৃষ্টি হোৱা হলেশ্বৰ মন্দিৰৰ লগতে তেজপুৰৰ আনএখন ঐতিহ্যমণ্ডিত শিৱ থান কেতেকেশ্বৰ দেৱালয়তো শিৱৰাত্ৰিৰ দিনটোত যথেষ্ট সংখ্যক দৰ্শনাৰ্থীৰ আগমন ঘটে। শিৱ ভক্ত বান ৰজাৰ কাহিনীৰে সংপৃক্ত এই মন্দিৰৰ মূলস্থলীৰ সমীপত এক প্ৰস্তৰৰ বৃহৎ আকৃতিৰ যোনিপীঠো আছে। বহু সংখ্যক বৰ বাদুলিৰ আশ্ৰয়স্থল এজোপা বিশাল জৰীগছৰ তলত থকা কেতেকীবাৰীৰ কেতেকেশ্বৰ দেৱালয় শিৱৰাত্ৰি উপলক্ষে সজাই-পৰাই তোলা হৈছে। আনহাতে, আজি মহা শিৱৰাত্ৰি। আনহাতে, তেজপুৰৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীমহাভৈৰৱ মন্দিৰ আৰু হেঙ্গুলেশ্বৰ মন্দিৰকে ধৰি তেজপুৰৰ সকলো শিৱ মন্দিৰত পুৱাৰে পৰা ভক্তসকলে ধূপ-চাকি আৰু শৰাই আগবঢ়াই শ্ৰীশ্ৰীমহাদেৱৰ আশিস লাভৰ বাবে শৰণাপন্ন হয়। জ্যোতিষ গণনা অনুসৰি যোৱা নিশা আৰম্ভ হৈ আজি নিশা পৰ্যন্ত থকাত তেজপুৰৰ শ্ৰীশ্ৰীমহাভৈৰৱ মন্দিৰত কাহিলী পুৱাৰে পৰাই বহুসংখ্যক ভক্তই দীঘলীয়া শাৰীপাতে। ইফালে শোণিতপুৰ জিলা প্ৰশাসনে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীমহাভৈৰৱ মন্দিৰত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাৰ লগতে মন্দিৰ প্ৰৱেশদ্বাৰত চি চি টিভি কেমেৰা সংস্থাপন আৰু মেটেল ডিটেক্টৰ গেট স্থাপন কৰে। ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীমহাভৈৰৱ মন্দিৰ দ্বাৰ ৰাইজৰ দৰ্শনাৰ্থে আজি বিয়লি ৫:৩০ বজালৈকে খোলা থকিব। উল্লেখ্য যে তেজপুৰৰ ভৈৰৱপদ, পগলা বাবাৰ থানকে ধৰি বহু সংখ্যক শিৱ মন্দিৰত মহা শিৱৰাত্ৰি উপলক্ষে দৰ্শনাৰ্থীৰ সংখ্যা যথেষ্ট বৃদ্ধি পায়।



কোনো ইউক্ৰেনিয়ান সেনাই ৰুছ যুদ্ধবিমান ধ্বংস কৰিলে, তেওঁৰ স'তে লিলিয়ে যৌন সম্পৰ্ক স্থাপন কৰিব। এই বিষয়ত মডেলগৰাকী সৰৱ হ'লেও তেওঁৰ প্ৰতিশ্ৰুতি বাস্তৱত কিমান ফলপ্ৰসূ হৈছে, সেয়া এতিয়াও অজ্ঞাত।

# পুটিনৰ নিৰ্দেশ নমনা ৰুছ সেনালৈ শাৰীৰিক সম্পৰ্কৰ প্ৰলোভন মডেলৰ

**নিউজ ব্যুৰ'**
**কিয়েভ, ১ মাৰ্চ ঃ** চলিত যুদ্ধত অধিকাংশ সাধাৰণ লোকেই ৰাছিয়াৰ পৰিৱৰ্তে ইউক্ৰেইনক সমৰ্থন কৰিছে। যুদ্ধৰ ভয়াবহতাই আতংকিত কৰি তুলিছে সাধাৰণ মানুহক, সেই বাবেই ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ প্ৰতি তেওঁলোকৰ মনত ক্ষোভৰ সৃষ্টি হৈছে। সেয়ে যুদ্ধৰ বিৰোধিতা কৰি বিশ্বৰ বিভিন্ন স্থানত ৰাজপথত নামিছে সাধাৰণ মানুহ। ইয়াৰ মাজতে ৰুছ সেনাবাহিনীলৈ এক চমকপ্ৰদ প্ৰস্তাৱ দি সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে এগৰাকী মডেল। পুটিনৰ নিৰ্দেশ অমান্য কৰা ৰুছ সেনাই লাভ কৰিব তেওঁৰ স'তে শাৰীৰিক সম্পৰ্ক স্থাপন কৰাৰ সুযোগ।

লিলি ছামাৰ্ছ নামৰ প্ৰাপ্তবয়স্ক মডেলগৰাকী ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ যুদ্ধক কেন্দ্ৰ কৰি যথেষ্ট চিন্তিত হৈ আছে। এক সংবাদ মাধ্যমত প্ৰকাশিত প্ৰতিবেদন অনুসৰি, যুদ্ধ আৰম্ভ হোৱাৰ পাছৰে পৰা লিলিয়ে যুদ্ধক কেন্দ্ৰ কৰি বিভিন্ন টুইট কৰিছে। সেই টুইটৰ পৰাই স্পষ্ট হৈছে যে তেওঁ ইউক্ৰেইনকে সমৰ্থন কৰিছে। কেৱল সেয়াই নহয়, ৰুছ সেনা বাহিনীলৈ মডেলগৰাকীয়ে স্পষ্টৰূপত প্ৰস্তাৱ আগবঢ়াইছে যে তেওঁলোকে যদি ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ নিৰ্দেশ অমান্য কৰে; তেন্তে হাতত অস্ত্ৰ তুলি নোলোৱা সেনাসকলৰ স'তে তেওঁ যৌনতাত মত্ত হ'ব। ইয়াৰ উপৰি যোৱা ২৭ ফেব্ৰুৱাৰীত আন এটা টুইট কৰি প্ৰাপ্তবয়স্ক মডেলগৰাকীয়ে ইউক্ৰেইনৰ সেনাৰ বাবে এক বিশেষ প্ৰস্তাৱো দিছেষ 'বেড কিটি' নামৰ টুইটাৰ একাউণ্টত লিলিয়ে লিখিছে যে প্ৰত্যেক ৰাছিয়ানৰ মৃত্যুত তেওঁ এখনকৈ নগ্ন ফটো টুইটাৰত দিব। ইয়াৰ উপৰি ৰাছিয়াৰ প্ৰতিখন টেংক ধ্বংস হ'লে তেওঁ এটাকৈ নিজৰ নগ্ন ভিডিঅ' প'ষ্ট কৰিব। আনহাতে, কোনো ইউক্ৰেনিয়ান সেনাই ৰুছ যুদ্ধবিমান ধ্বংস কৰিলে, তেওঁৰ স'তে লিলিয়ে যৌন সম্পৰ্ক স্থাপন কৰিব। এই বিষয়ত মডেলগৰাকী সৰৱ হ'লেও তেওঁৰ প্ৰতিশ্ৰুতি বাস্তৱত কিমান ফলপ্ৰসূ হৈছে, সেয়া এতিয়াও অজ্ঞাত।




# সমুদ্ৰপৃষ্ঠৰ পৰা ১৯০০০ উচ্চতাত লাডাখত দুঃসাহসিক যাত্ৰাত অসম সন্তান

## মাইনাছ-২৫ ডিগ্ৰীৰ তলৰ উষ্ণতা

অগ্ৰদূত বাৰ্তা
কলিয়াবৰ, ১ মাৰ্চ ঃ পৰ্বতাৰোহন সন্থাই বিগত বছৰৰ দৰেই এইবাৰো অয়োজন কৰিছে শীতকালীন দুঃসাহসিক অভিযানৰ। লাডাখত অনুষ্ঠিত ট্ৰেকিং, চাইক্লিং আৰু ইউ টি কাংৰী শিখৰ ৬০৭০ মি. অভিযানৰ বাবে নিৰ্বাচিত মুঠ ২২জন অভিযাত্ৰীৰে গঠন হোৱা দলটোৰ ট্ৰেকিং অভিযানৰ সদস্যসকল ইতিমধ্যেই লাডাখত দুঃসাহসিক অভিযান আজি সম্পূৰ্ণ কৰে। বিশ্বৰ সৰ্বোচ্চ মটৰ বাইক পাছ খাৰ্দোংলাত বৰ্তমান দলটোৰ চাইকেল আৰোহী সদস্যসকলে তেওঁলোকৰ লক্ষ্যত উপনীত হৈছে। উল্লেখ্য যে দুটা দলত ভাগ হৈ অভিযান চলাইছে ২২জনীয়া অভিযাত্ৰীৰ দলটোৱে। মানস বৰুৱাৰ নেতৃত্বত মাউণ্ট ইউ টি কাংৰী ৬০৭০ মি. অভিযানত অংশগ্ৰহণ কৰিবলৈ যোৱা সদস্যসকল হ'ল ক্ৰমে উপেন চক্ৰৱৰ্তী, ড° জগদ্বীশ বসুমতাৰী, কৌশিক দাস, ভাস্কৰ বৰুৱা, জয়ন্ত নাথ, ধ্ৰুৱজ্যোতি হাজৰীকা আৰু মনোজ কুমাৰ পাটোৱাৰী। শূন্য ডিগ্ৰীৰ তলৰ তাপমানত উক্ত শিখৰত অভিযানৰ বাবে যোৱা এইটোৱেই হৈছে অসমৰ প্ৰথমটো পৰ্বতাৰোহী দল। আনহাতে, শেখৰ বৰদলৈৰ নেতৃত্বত যোৱা চাইক্লিং অভিযানটোৰ আন সদস্যসকল হ'ল চন্দোৎপল গগৈ, দৃষ্টি কাশ্যপ বৰদলৈ, নিৰজ বৰা, আৰু কৃশানু বৰা। সৰ্বনিম্ন প্ৰায় মাইনাছ-২০ৰ পৰা মাইনাছ-২৫ ডিগ্ৰী উষ্ণতাত জনপ্ৰিয় খাৰ্দোংলা পাছৰ পৰা নোব্ৰা ভেলিলৈ চাইকেল চলাবলৈ আৰম্ভ কৰা দলটোৱে সাগৰ পৃষ্ঠৰ পৰা ১১,০০০ পৰা ১৯,০০০ ফুট উচ্চতা পৰ্যন্ত পেডেল মাৰিছে। ইতিমধ্যে বিশ্বৰ সৰ্বোচ্চ মটৰ বাইক পাছ খাৰ্দোংলাত দলটোৱে চাইকেল ৰেলীৰ সামৰণি পেলাই।

# হাজোত ঐতিহাসিক হৰগৌৰী মন্দিৰত মহা শিৱৰাত্ৰি ব্ৰত মহোৎসৱ

**অগ্ৰদূত বাৰ্তা**
**হাজো, ১ মাৰ্চ ঃ** মহা শিৱৰাত্ৰি উপলক্ষে আজি তীৰ্থনগৰী হাজোৰ ঐতিহাসিক হৰগৌৰী মন্দিৰ, কেদাৰ মন্দিৰ, বামুন্দীস্থিত ধাৰেশ্বৰ দেৱালয়ৰ লগতে অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ শিৱস্থানসমূহ পুৱাৰে পৰা অগণন ভক্তৰ সমাগমত মুখৰিত হৈ পৰে। শান্তি-সম্প্ৰীতি, ঐশ্বৰ্য বিভূতিৰ কামনাৰে ভক্তপ্ৰাণ লোকসকলে হাতে হাতে ধূপ, নৈবেদ্য, বেলপাত, এৰা গাখীৰ লৈ পূজা-অৰ্চনা আগবঢ়াবলৈ শাৰী পাতি ৰৈ থকা নান্দনিক পৰিৱেশে একপ্ৰকাৰ মন্দিৰৰ চৌদিশে অতুলনীয় হৈ পৰিছে। তীৰ্থনগৰী হাজোৰ তেতেলীয়াস্থিত ঐতিহাসিক হৰগৌৰী মন্দিৰত বিগত বৰ্ষৰ দৰে এইবেলিও আজিৰে পৰা নিজ বাউসীবাসী ৰাইজৰ সহযোগত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহা শিৱৰাত্ৰি ব্ৰত মহোৎসৱ অনুষ্ঠিত হৈছে। তেতেলীয়া নিজ বাউসী গাঁও উন্নয়ন সমিতিৰ সভাপতি কাশ্যপ কলিতা আৰু সম্পাদক উপেন কলিতা, উদ্‌যাপন সমিতিৰ সভাপতি চবিন চন্দ্ৰ কলিতা আৰু সম্পাদক শিৱপ্ৰসাদ ডেকাৰ তৎপৰতাত সুচাৰুৰূপে পূজা-অৰ্চনাৰ লগতে অন্যান্য কাৰ্যসূচীসমূহ অনুষ্ঠিত হৈছে। দুদিনীয়া কাৰ্যসূচী অনুসৰি আজি পহিলা মাৰ্চৰ পুৱা মন্দিৰত বেদী প্ৰতিষ্ঠা কৰে ধৰ্মৰাম কলিতা (বৈষ্ণৱ), শিৱ পূৰাণ পাঠ কৰে মাধৱ কলিতাই। পুৰুষ-মহিলা, যুৱক-যুৱতী, আই-মাতৃ, ঢুলীয়া, তাল-বাদ্যৰে উলিওৱা বৰ্ণিল নগৰ কীৰ্তন উদ্বোধন কৰে হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। ইয়াৰ পাছতে ওজাপালি প্ৰদৰ্শন, আমন্ত্ৰিত অতিথিৰ অভ্যৰ্থনা, ভক্তিমূলক গীত-মাতৰ অনুষ্ঠান অনুষ্ঠিত হয়। নিশা পাঠকত্ৰয় ক্ৰমে ধনমণি লহকৰ, হলধৰ বৈশ্য আৰু দীনেশ কলিতাৰ দলে নাগাৰা নাম প্ৰদৰ্শন কৰাৰ উপৰি হোমযজ্ঞ অনুষ্ঠিত হয়। ইফালে, দ্বিতীয় দিনা দুই মাৰ্চৰ পুৱা মহাভোগ আৰু প্ৰসাদ বিতৰণৰ পাছতে দুপৰীয়া এক বজাৰ পৰা ছোৱালীৰ নাগাৰা নাম প্ৰদৰ্শিত হ'ব।

# DANIK AGRADOOT

**STATEMENT ABOUT OWNERSHIP AND OTHER PARTICULARS ABOUT NEWSPAPER**
**Form-IV**
**(See rule 8)**

| | | |
|---|---|---|
| 1. Place of Publication | : | Guwahati (Assam) |
| 2. Periodicity of its publication | : | Daily |
| 3. Printer's Name | : | **B. S. Deka** |
| Whether citizen of India? | : | Yes |
| (If foreigner, state the country of origin) | : | Does not arise |
| Address | : | Agradoot Bhawan, Dispur Guwahati-6 Assam |
| 4. Publisher's Name | : | **B. S. Deka** |
| Whether citizen of India? | : | Yes |
| (If foreigner, state the country of origin) | : | Does not arise |
| Address | : | Agradoot Bhawan, Dispur Guwahati-6 Assam |
| 5. Chief Editor's Name | : | **Kanaksen Deka** |
| Whether citizen of India? | : | Yes |
| (If foreigner, state the country of origin) | : | Does not arise |
| Address | : | Agradoot Bhawan, Dispur Guwahati-6 Assam |
| 6. Editor's Name | : | **Pranjal Sen Deka** |
| Whether citizen of India? | : | Yes |
| (If foreigner, state the country of origin) | : | Does not arise |
| Address | : | Agradoot Bhawan, Dispur Guwahati-6, Assam |
| 7. Name and Address of individual who are partners or share holders holding more than one percent of the Total Capital | : | Agradoot Publishers Pvt. Ltd. Agradoot Bhawan, Guwahati-6, Assam |

I, Smti Bhanushree Sen Deka hereby declare that the particulars given above are true to the best of my knowledge and belief.

Date : Dispur, Guwahati-6
02.03.2022

Sd/-
B. S. Deka
Signature of the Publisher







অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com